মার্চ 2012 ■ ₹ 20/-

চান্দমামা

Mumbai Edition



www.chandamama.com/parle/

everest/PB/43-12 asm

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

শিশু সমুদ্ৰ ডুবাৰু

প্ৰণৱ সাৰদানা, বয়স ১০ বছৰ, ষষ্ঠ শ্ৰেণী আৰু আয়ুস সাৰদানা, বয়স ৮ বছৰ, পঞ্চম শ্ৰেণী। ছিমলাৰ বিশ্বপ স্কুলৰ এই দুয়োজন ছাত্ৰই এই বয়সতে 'জুনিয়ৰ মুকলি জল ডুবাৰু কোৰ্ছ' আৰু 'বাবল মেকাৰ কোৰ্ছ'ৰ বাবে নিবাচিত হৈছে। এই দুয়োটা কোৰ্ছ 'প্ৰফেছনেল এছছিয়েছন অৱ ড্ৰাইভিং ইনস্ট্ৰাকটৰ'ৰ দ্বাৰা অনুমোদিত।

সমুদ্ৰ ডুবাৰুৰ বাবে প্ৰয়োজনীয় প্ৰথমটো বস্তু হ'ল অতি কমেও ২০০ মিটাৰ সাতুৰিব আৰু কমেও ২০ মিনিট পানীৰ ওপৰত উপঙি থাকিব পৰাৰ সক্ষমতা। এই সক্ষমতা লাভ কৰিবৰ বাবে দুয়োয়ে ইতিমধ্যেই ২ মাহৰ প্ৰশিক্ষণ লৈছে। তেওঁলোকৰ পিতৃ-মাতৃয়ে তেওঁলোকক পৰ্ট-ব্লেয়াৰলৈ লৈ যায়, য'ত তেওঁলোকে প্ৰয়োজনীয় সামগ্ৰীৰ সৈতে ৩ মিটাৰ পৰ্যন্ত ডুব মৰাৰ অভিজ্ঞতা লাভ কৰে।

মুকলি সমুদ্ৰ ডুবাৰু কোৰ্ছত ভৰ্তি হবৰ বাবে আয়ুসৰ বয়স কম বাবে PADIৰ নিয়ম অনুসৰি প্ৰথমতে তেওঁ বাবল মেকাৰ কোৰ্ছ সমাপ্ত কৰে। এই কোৰ্ছত ৫ মিটাৰ (১৮ ফুট) পৰ্যন্ত ডুব মৰাৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰণৱৰ নাম ভৰ্তিৰ পৰীক্ষা লয় নিউজিলেণ্ডৰ জীন লুক পি লুয়েৰে।

যি কি নহওক, ১০ বছৰ বয়সীয়া প্ৰণৱে সাগৰত জুনিয়ৰ মুকলি জল ডুবাৰু কোৰ্ছ কৰিবৰ বাবে যোগ্যতা অৰ্জন কৰে। তেওঁৰ বাছনি পৰীক্ষা সমাধা কৰা হয় গোৱাৰ নেত্ৰানী দ্বীপত। ২০ ফেব্ৰুৱাৰীত অৱশেষত তেওঁ এই কোৰ্ছৰ বাবে নিবাচিত হয়। এইদৰেই এই দুয়ো ভাই-ককাই সমুদ্ৰ ডুবাৰুৰ বাবে PADIৰ লাইছেঞ্চ লাভ কৰা সকলোতকৈ কম বয়সীয়া ডুবাৰু হিচাপে পৰিগণিত হয়।

এই সংখ্যাত আছে

চান্দমামা

Volume-3 March 2012 Issue-03

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি ...০৯
* নিৰপেক্ষ বিচাৰ ...১১
* উদাৰতা ...১৭
* আত্মনির্ভৰশীলতা ...২০
* মিত্ৰ ভেদ - ২৮ ...২৪
* আজ্ঞা দিয়া হেতো ...২৭
* প্ৰলয় ...৩০
* চতুৰ্থ চোৰ ...৩২
* এটা গজালৰ মূল্য ...৩৫
* ৰক্ষনৰ ৰাণী ...৩৯
* মূৰ্খামি ...৪২
* ন্যায়ৰ চকুত সকলো সমান ...৪৩
* দুই ঠগ ...৪৪
* গুৰুৰ পৰীক্ষাৰ লক্ষ্য ...৪৮
* চিন্তা আৰু কৰ্ম ...৫২
* বলদৰ চিন্তা ...৫৪
* শিথিলালয় - ২৪ ...৫৫
* উদগণি ...৬৩
* গছৰ ছাঁ ...৬৪
* দাড়িত এলাহু ...৬৬
* সংৰক্ষিত বীজ ...৬৭
* বেটুঁপাতৰ কাহিনী ...৭০
* মই কি হ'ব পাৰো? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৮ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

March 2012 ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher : Prashant Sharad Mulekar
Associate Editors : R. Vaasugi, K. Raja Sekhara Raju
Sub Editor : Patricia Pandian
General Manager : Sowmya Bharadwaj
Senior Artists: K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar
Artist : Venki
Layout Designers : B. Thirumal, K. Narendra, N. Sivakumar
Production In-charge : Prashant Pawar
Circulation: circulation@chandamama.com
Asst. Manager - Sales & Circulation: Subhankar Rej
Sales Officer - Circulation : K. Ravishankar
Advertisement : sales@chandamama.com
Subscription : Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828
Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

আইডছ অৱ মাৰ্চ...

ইয়াৰ আঁৰত যিটো কাহিনী লুকাই আছে সেইটো সঁচাকৈয়ে বৰ ৰোমাঞ্চকৰ। বিশ্বাস আছে যে এই দিনটোতে জুলিয়াছ চিজাৰক হত্যা কৰা হৈছিল। এজন জ্যোতিষীয়ে এই কথাৰ ভৱিষ্যত বাণী কৰিছিল যে এই দিনটোৰ পিছত চিজাৰৰ কোনো বিপদ নহয়। এই দিনটো (১৫ মাৰ্চ) যেতিয়া আহিছিল ভেচাৰে জ্যোতিষীক লগ ধৰিছিল আৰু কৈছিল যে আইডছ অৱ মাৰ্চ আহিল আৰু চিজাৰ এতিয়াও জীৱিত আছে। জ্যোতিষীয়ে এই কথা সকিয়াই দিছিল যে সেইদিনটো শেষ হবলৈ তেতিয়াও বাকী আছিল। সেইদিনা সন্ধিয়াই এখন নাটকৰ দৰ্শনীৰ সময়ত চিজাৰক হত্যা কৰা হৈছিল।

বছৰেকীয়া বন্ধৰ আগত অনুষ্ঠিত হবলগীয়া পৰীক্ষাসমূহৰ বাবে আমি এই মাহতে প্ৰস্তুতি চলাও। তাৰ আগত আমি ৰঙৰ উৎসৱ পালন কৰো। অগ্নিৰ পৰা ভক্ত প্ৰহ্লাদে ৰক্ষা পোৱাৰ চিন হিচাপে জুই জ্বলোৱা হয়। হোলীয়ে শীতকালৰ সমাপ্তি আৰু বসন্ত কালৰ আৰম্ভণি সূচায়। এই উৎসৱ সৰু-ডাঙৰ, ধনী-দুখীয়া সকলোৱে মিলি উদযাপন কৰে। নানা চলচিত্ৰটো এই উৎসৱৰ উদযাপন প্ৰদৰ্শিত হোৱা দেখিবলৈ পোৱা যায়।

এই মাহতে আমি আন বহু আন্তৰ্জাতিক দিৱস পালন কৰো। সেইবিলাক হ'ল- নাৰী স্বাধীনতা আৰু আন্তৰ্জাতিক শান্তিৰ বাবে ৰাষ্ট্ৰসংঘৰ দিৱস, বৰ্ণ বৈষম্য নাশৰ বাবে আন্তৰ্জাতিক দিৱস, বিশ্ব জল দিৱস, বিশ্ব মেটেৰ'লজিকেল দিৱস, বিশ্ব কলেৰা দিবস আৰু বিশ্ব থিয়েটাৰ দিৱস। কলেৰা ভাৰতত আকৌ আৰম্ভ হৈছে আৰু আমি সকলোৱেই এই বিষয়ে সজাগ হৈ থাকিব লাগে।

আমাৰ নতুন নতুন মিডিয়া পদক্ষেপসমূহে পাঠকৰ বিপুল সহাঁৰি লাভ কৰিছে। এই সহায় আৰু সমৰ্থনৰ বাবে বহুত বহুত ধন্যবাদ। আমি পাঠকৰ দাবীসমূহক পূৰ্ণ কৰাৰ বাবে সাধ্যানুসৰি চেষ্টা কৰি আছো।

আমি তোমালোকক অনুৰোধ কৰো যে আমাৰ নতুন কিতাপবিলাক পঢ়ি, সেইবিলাকক বিষয়ে তোমালোকৰ মতামত আমালৈ লিখিবা। এতিয়া এইমাহৰ সংখ্যাৰ ভিতৰত থকা ৰোমাঞ্চকৰ কাহিনীবিলাকৰ জুতি লোৱাৰ সময়...

-সম্পাদক

পাঠকৰ পত্ৰ

চান্দমামা শব্দটোৱেই হ'ল এটা অতি মিঠা শব্দ। ইয়াত কোনো সন্দেহ নাই যে আমি সকলোৱেই ইয়াক বৰ ভাল পাও। যোৱা ৬৩ বছৰ ধৰি ই নিজৰ মানদণ্ড ধৰি ৰাখিছে। ইয়াৰ ৰঙীন চিত্ৰসমূহ সঁচাকৈয়ে বৰ সুন্দৰ। এই কথা সদায় মোৰ মনলৈ আহে যে মোৰ জীৱন কালত অন্তত এবাৰ মই চান্দমামাত লিখা উচিত। চান্দমামাৰ নিৰৱ সৌন্দৰ্য সদায় মোৰ হৃদয়ৰ মাজত বাস কৰি আছে।

– ৰাজশ্ৰী মোৰাইকাৰ (বয়স ৬৫ বছৰ, মুম্বাই)

এই সংখ্যাৰ বেটুপাত বৰ চকুত লগা গৈছে। মই যোৱা ১৫ বছৰ ধৰি নিয়মিত ভাৱে চান্দমামা পঢ়ি আহিছো। অলপদিনৰ আগৰে পৰা আপোনালোকে পাঠকৰ স্মৃতি আৰু তেওঁলোকৰ মতামত প্ৰকাশ কৰা আৰম্ভ কৰিছে। এই পদক্ষেপত সকলো পাঠক সুখী হৈছে। বিক্ৰম-বেতাল, বীৰবল, কথাৰ মালিহা, কৌতুক আৰু আন কাহিনী, এই সকলোবিলাকেই বৰ সুন্দৰ।

– পি ৰাঘবেন্দ, বাংগালোৰ

চান্দমামাই বহু নীতিশিক্ষামূলক কাহিনী প্ৰকাশ কৰে আৰু এই কথা পাঠকসকলে বৰ ভাল পায়। সম্পত্তিৰ ভাগ-বতৰা, পঞ্চতন্ত্ৰ, অহংকাৰ, সঁচা সম্পদ, শিথিলালয়-২১ এই সকলো কাহিনী বৰ মনোমুগ্ধকৰ। চিত্ৰসমূহৰো কোনো তুলনা বিচাৰি পোৱা নাযায়।

– পি ৰাজলক্ষ্মী উমাশংকৰ, বাংগালোৰ

মই অলপ আগতে চান্দমামাক বজাৰত দেখি বৰ সুখী হলো। মোৰ শৈশৱৰ পৰাই চান্দমামা মোৰ প্ৰিয় আলোচনী। মোৰ এটা অনুৰোধ আছে। অনুগ্ৰহ কৰি মোৰ বাবে ৫০ আৰু ৬০ দশকৰ চান্দমামাৰ সংখ্যাবিলাক কিবা প্ৰকাৰে উপলব্ধ কৰি তোলক। সেইবিলাকৰ উচিত মূল্য দিবলৈ মই ৰাজী আছো। যদি মই হিন্দী সংখ্যা লাভ কৰো সেয়া বৰ ভাল হয়। যদি আপোনালোকে পুৰণি চান্দমামাৰ কাহিনীৰ সংকলন প্ৰকাশ কৰিছে, তাৰ মূল্য মোক জানিবলৈ দিয়ক। মই সেইবিলাক ক্ৰয় কৰিব বিচাৰো।

– নাৰায়ণ লাল লোহাৰ, উদয়পুৰ, ৰাজস্থান

চান্দমামাত প্ৰকাশিত 'মোক্ষ বিচাৰি' কাহিনীটো অসাধাৰণ। মোৰ বোধেৰে এইবিষয়ে অতি কমেও ১০-১৫ খন শাস্ত্ৰ ভালদৰে অধ্যয়ন নকৰাকৈ এনে এটা দিশৰ পৰা কাহিনী ৰচনা কৰা সম্ভৱ নহয়। মই নাভাবো যে মোৰ ৬৫ বছৰীয়া জীৱনত এনে সুন্দৰ দ্বিতীয় এটা কাহিনী পঢ়িছো। মই এই কাহিনী ৰচনা কৰাৰ বাবে ৰমণ ৰাও গুৰুক অভিনন্দন জ্ঞাপন কৰিছো।

– এম ভি ভি সত্যনাৰায়ণ, বিশাখাপত্নম, অন্ধ্ৰপ্ৰদেশ

আমি পূর্ণিমাৰ চন্দ্ৰ প্ৰতিমাহত এবাৰকৈ দেখিবলৈ পাওঁ। কিন্তু জ্ঞানৰ দেৱী স্বৰস্বতীৰ কৃপাত প্ৰতিমাহতে চেন্নাপুৰমৰ পৰা চান্দমামা আমাৰ ওচৰলৈ আহে আৰু আমাৰ লগতে থাকি যায়। এই 'চান্দমামা' গুচি নাযায়। চান্দমামা বছৰৰ পিছৰ বছৰ ধৰি সমৃদ্ধিশালী হৈ গৈ আছে। এনে সুন্দৰ সুন্দৰ কাহিনী বাছি উলিয়াই প্ৰকাশ কৰাৰ বাবে মই সম্পাদকক ধন্যবাদ জনাইছো। চান্দমামাৰ সম্পাদকসকলক এনে এখন আলোচনী প্ৰকাশ কৰিবৰ বাবে অনুপ্ৰেৰণা যোগাই থকা পাঠকসকল অৱশ্যেই ধন্যবাদৰ পাত্ৰ।

– গংগাৰাজু মোহন ৰাও, তিৰুনিন্দ্ৰাভুৰ, তামিলনাডু

এই চিঠিখন লিখাৰ উদ্দেশ্য হ'ল সম্পাদকসকলক এটা অনুৰোধ কৰা। সেয়া হ'ল প্ৰতিজন মাৰাঠী পাঠকে বুজিব পৰাকৈ মাৰাঠী সংস্কৰণৰ বাৰ্ষিক ক্ৰয়ৰ মূল্য আৰু ঠিকনা মাৰাঠী ভাষাত প্ৰকাশ কৰিব লাগে। দ্বিতীয়তে আৰম্ভণিৰে পৰা মাৰাঠী সংস্কৰণৰ সকলোবিলাক সংখ্যাই মই সংগ্ৰহ কৰিব খুজো। মই এই কথা জানিব পাৰিলে সুখী হম যে মই সেইবিলাক কেনেকৈ ক'ৰ পৰা সংগ্ৰহ কৰিব পাৰিম।

– শান্তাৰাম কিষন সুৰবাডে, মহাৰাষ্ট্ৰ

পাঠকৰ স্মৃতি শিতানৰ যোগেদি চান্দমামাৰ পাঞ্জাৱী সংস্কৰণ পঢ়ি এজন হিন্দী জনা পাঠকে পাঞ্জাৱী ভাষা শিকি পেলোৱাৰ কথা জানিব পৰাটো সঁচাই আনন্দকৰ। 'মোক্ষ বিচাৰি' আৰু 'প্ৰমাণ' এই দুয়োটা কাহিনী সকলো দিশৰ পৰাই অসাধাৰণ। মোক্ষ বিচাৰি কাহিনীয়ে আমাক এক পুৰণা শৈলী ব্যৱহাৰ কৰি নতুন ধৰণৰ শিক্ষা প্ৰদান কৰে। 'ৰাজুভু' কাহিনীয়ে এই কথা কয় যে এজন ব্যৱসায়ীয়ে কেনেকৈ সাধাৰণ মানুহৰ অন্ধবিশ্বাসৰ সুযোগ গ্ৰহণ কৰি ঠগে। যেনেকৈ নিজে অন্ধবিশ্বাসী হোৱাটো ভুল, তেনেকৈ আনৰ অন্ধবিশ্বাসক উদগণি দিয়াটোও শুদ্ধ নহয়।

– এছ শ্যাম সুন্দৰ, ৰায়াচৌটি

Statement about Ownership of
CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspaper (Central) Rules, 1956

1. **Place of Publication:**
Chandamama India Ltd.,
B-3, Cross Road 'B', MIDC,
Andheri (East), Mumbai-400093.
2. **Periodicity of Publication:**
MONTHLY
1st of each calendar month
3. **Printer's Name:**
Prashant Sharad Mulekar
Nationality :
Indian
Address:
Chandamama India Ltd.,
B-3, Cross Road 'B', MIDC,
Andheri (East), Mumbai-400093.
4. **Publisher Name :**
Prashant Sharad Mulekar
Nationality:
Indian
Address:
Chandamama India Ltd.,
B-3, Cross Road 'B', MIDC,
Andheri (East), Mumbai-400093.
5. **Editor's Name :**
Prashant Sharad Mulekar
Nationality :
Indian
Address :
Chandamama India Ltd.,
B-3, Cross Road 'B', MIDC,
Andheri (East), Mumbai-400093.
6. **Name and address of individuals who own the newspaper :**
Chandamama India Ltd.,
Board of Directors:
1. Prashant Sharad Mulekar
2. Kiran Kulkarni
3. Salim Govani
B-3, Cross Road 'B', MIDC,
Andheri (East), Mumbai-400093.

I **Prashant Sharad Mulekar**, do hereby declare that the particulars given above are true to the best of my knowledge and belief.

(Sd.) **Prashant Sharad Mulekar**
Publisher

1st March 2012

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex : ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number (for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..............................

Cheque/DD No ....

favouring Chandamama India Ltd on..............................

....bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
English (₹25/- per copy)	₹300	₹540 $60	₹765 $135	₹960 $240	₹1125 $375
REGIONAL (₹20/- per copy)	₹240	₹430 $50	₹610 $110	₹770 $190	₹900 $300
JUNIOR (₹15/- per copy)	₹180	₹325 $35	₹460 $80	₹575 $145	₹675 $255

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – উড়ীয়া

মোৰ বয়স ১৪ বছৰ থকাৰ সময়ত মই নৱম শ্ৰেণীত অধ্যয়ন কৰি আছিলো। মোৰ দদাইদেউৰ ঘৰ আছিল কাষৰে গাওখনত। তেওঁ 'জহ্নমামু' প্ৰতিমাহতেই ডাক যোগে লাভ কৰিছিল আৰু তাৰ দাম আছিল ১ টকা। প্ৰতিমাহতেই মই তেওঁৰ ঘৰৰ পৰা আলোচনীখন আনিছিলো আৰু তাত থকা সুন্দৰ কাহিনীবিলাক পঢ়ি পুণৰ উভতাই দিছিলো। প্ৰতিমাহৰ আৰম্ভণিত মই তেওঁৰ ঘৰলৈ সেই আলোচনীখন আনিবলৈ দৌৰ দিছিলো। সেইসময়ত মই নাজানিছিলো যে জহ্নমামু চেন্নাইৰ পৰা প্ৰকাশিত হয়।

এবাৰ পঢ়ি উভতাই দিয়াৰ পিছত প্ৰায়ে পুণৰ কাহিনীবিলাক পঢ়িবলৈ বা ছবিবিলাক চাবলৈ মন গৈছিল। কিন্তু সেয়া সম্ভৱ নাছিল।

Dr. Surendra natha Tripathy, Lecturer, Debagarh (Odissa).

এনেদৰেই এটা বছৰ পাৰ হৈ গ'ল। মই গোটেই বছৰ ধৰি ১২ টকা সাঁচিলো আৰু সেই টকা জহ্নমামুৰ অফিচলৈ মনিঅৰ্ডাৰ কৰি পঠিয়াই দিলো। তাৰপিছত আমি নিয়মীয়াকৈ আলোচনীখন লাভ কৰিবলৈ ধৰিলো। মই প্ৰতিমাহতেই ডাকঘৰলৈ গৈ ডাক অহাৰ আগতেই অপেক্ষা কৰি ৰৈছিলো আৰু মোৰ প্ৰিয় আলোচনী আহিছেনে নাই তাৰ খবৰ কৰিছিলো। মই সেইখন দেখা পোৱাৰ লগে লগে উৎফুল্লিত হৈ পৰিছিলো আৰু সাৰতি ধৰি ঘৰলৈ দৌৰ দিছিলো।

মই ১৫ বছৰ ধৰি চান্দমামাৰ নিয়মীয়া গ্ৰাহক আছিলো। ১৯৭৫ চনত মই চান্দমামাৰে এটা গ্ৰন্থালয় আৰম্ভ কৰো। এতিয়া মোৰ সেই গ্ৰন্থালয়ত ১০,০০০ তকৈ অধিক কিতাপ আছে। মই এতিয়াও জহ্নমামু নিয়মীয়াকৈ পঢ়ো আৰু ভাল পাও।

মোৰ স্মৃতি – তেলেগু

Dr.Prof. Kakarla Subbarao Bone Radiologist, Hyderabad.

মই যেতিয়া চিকিৎসা বিদ্যা অধ্যয়ন কৰি আছিলো, তেতিয়া মোৰ ছুটিৰ সময়ছোৱাত মোৰ গাৱঁলৈ গৈছিলো। তেতিয়াই মই এখন তেলেগু চান্দমামা দেখিবলৈ পালো আৰু আকৰ্ষিত হৈ উঠিলো। মোৰ সম্বন্ধীয় ভাইসকলে চান্দমামা আলোচনীখন বৰ ভাল পাইছিল আৰু পঢ়ি শেষ কৰাৰ পিছত গাৱঁত গ্ৰন্থালয়লৈ দান দিছিল। বিক্ৰমৰ্ক কথালুৱে মোক বৰ আকৰ্ষিত কৰিছিল। যি কি নহওক, মই প্ৰথমৰ পৰা শেষলৈ গোটেইখন আলোচনী পঢ়িছিলো। ইয়াত ভাৰতৰ সংস্কৃতি আৰু ইতিহাসৰ ওপৰত লিখা শিতানো আছিল।

শ্রী নাগী ৰেড্ডী গুৰুৱে ১৯৭৫ চনত নিউইয়ৰ্ক ভ্ৰমণ কৰিছিল আৰু 'নিউইয়ৰ্ক তেলেগু লাইব্ৰেৰী আৰু কালছাৰেল এছচিয়েচন'ৰ দ্বাৰা সম্বৰ্ধিত হৈছিল। তেওঁ সেইদিনাৰ বক্তৃতাত চান্দমামাৰ সম্পৰ্কে কৈছিল। আমি নিউইয়ৰ্কত বাস কৰাৰ সময়ত, মোৰ পত্নীয়ে হিন্দু মন্দিৰৰ তলত থকা মহলাত এটা সৰু গ্ৰন্থাগাৰ আৰম্ভ কৰিছিল। তাত আমি প্ৰতি দেওবাৰে সকলো তেলেগু শিশুক পঢ়াইছিলো আৰু ক্লাছৰ সকলো শিশুৱেই চান্দমামা পঢ়িব বিচৰাত আমি ক্লাছটোৰ বাবে চান্দমামাৰ বাৰ্ষিক ক্ৰয় আৰম্ভ কৰিছিলো। ১৯৪৭ চনত তেনেই নামমাত্ৰ টকাৰে এখন শিশু আলোচনী প্ৰকাশ কৰাটো বৰ সাহসৰ কথা আছিল। এতিয়া ই ইংৰাজীকে ধৰি বহুকেইটা ভাষাত প্ৰকাশিত হয় আৰু আমেৰিকাৰ ভাৰতীয়সকলৰ মাজত ইয়াৰ বিশেষকৈ ইংৰাজী সংস্কৰণটো বৰ জনপ্ৰিয়।

মোৰ স্মৃতি – মালায়ালম

১৯৬২ চনত মই যেতিয়া সপ্তম শ্ৰেণীত অধ্যয়ন কৰি আছিলো, চান্দমামা ঠিক তেতিয়াৰে পৰা পঢ়া আৰম্ভ কৰো। মই প্ৰথমবাৰৰ বাবে চান্দমামা দেখা পাইছিলো মোৰ সম্পৰ্কীয় এজনৰ ঘৰত। সেই সংখ্যাটোৰ বেছিভাগ পৃষ্ঠাই আছিল ফলা। তথাপিও সেই আলোচনীখন মোক ধাৰলৈ দিবলৈ তেওঁলোক প্ৰথমতে মান্তি হোৱা নাছিল। মই সেই সময়ত 'ফটোৰ শীৰ্ষক দিয়া প্ৰতিযোগিতা' বৰ ভাল পাইছিলো। তাৰপিছত মই চান্দমামা দেখা পাও ১৯৭০ চনৰ ডিচেম্বৰত। তাৰপিছৰ পৰাই চান্দমামাৰ সকলোবিলাক সংখ্যা মই বৰ সযতনে গোটাই থৈছিলো। মোৰ সন্তানেও চান্দমামা পঢ়ি বৰ ভাল পায়। অলপতে মই পুৰণি আলমীৰাটো খুলি দেখা পালো যে চান্দমামাৰ পুৰণা সংখ্যাবিলাক উঁয়ে খাই পেলাইছে। তাকে দেখি মোৰ বৰ দুখ লাগিল।

O.G. Gopinathan Nair,
Kakkanad, Kerala.

চান্দমামাই পাঠকলৈ এনে কিছুমান কাহিনী কঢ়িয়াই আনে যিবিলাকে পাঠকৰ আত্মবিশ্বাস বৃদ্ধি কৰি তোলে। মই শ্ৰী নাগী ৰেড্ডী আৰু শ্ৰী চক্ৰপাণিক তেওঁলোকৰ এই মহান অৱদানৰ বাবে ধন্যবাদ জনাইছো। কিয়নো সেই সময়ত এখন শিশু আলোচনী প্ৰকাশ কৰিবলৈ আৰম্ভ কৰাটো সহজ কথা নাছিল।

যোৱা ছটা দশকতকৈও অধিক কালৰ পিছত চান্দমামাই সফলতাৰ চূড়াত আৰোহন কৰিছে। চান্দমামা হ'ল কাহিনীৰ সাগৰ। বৰ্তমান কালত এনে আলোচনী নাই বুলিলেই হয়, চান্দমামাৰ দৰে যি ইতিহাস আৰু সংস্কৃতিৰ জ্ঞান কঢ়িয়াই আনে। মই চান্দমামাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। এই তথ্য আৰু প্ৰযুক্তিৰ যুগত মই আশাকৰো যে চান্দমামাই আগতকৈ অধিক গতিৰে সফলতাৰ জখলাত আগুৱাই যাব।

বেতাল কথা

নিৰপেক্ষ বিচাৰ

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, "হে ৰাজন, মই এই কথা বুজি পোৱা নাই যে তুমি কিয় এই নিশাকাল ইয়াত ঘূৰি ফুৰিছা। মই ভাৱো তুমি হয়তো ইয়াত কিবা এটা সত্য আৱিষ্কাৰ কৰিবলৈহে আহিছা। কিছুমান মানুহ আছে যি নিজক বিশ্লেষণ কৰাৰ ধৰণে আনক বিশ্লেষণ নকৰে। তেওঁলোকৰ বিচাৰৰ তুলাচনী সদায় নিজৰ ফালে দোঁ খাই থাকে।

মই তোমাক অৰ্ক ময়ুষ নামৰ ৰজা এজনৰ কাহিনী কম। তেওঁ নিজৰ লোকসকলক যিদৰে বিচাৰ কৰিছিল আনক সেইদৰে কৰা নাছিল। এই কাহিনীয়ে হয়তো তোমাক নিজৰ দৃষ্টিভংগীক চালি-জাৰি চাবলৈ সুবিধা দিব। সেই কাহিনী শুনি তুমি তোমাৰ দুখ-ভাগৰ পাহৰি যোৱা।"



শিখৰপুৰী নামৰ এখন ৰাজ্যত অৰ্ক ময়ুষ নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁ এজন ভাল প্ৰশাসক আছিল। বিচাৰ কৰাৰ ক্ষেত্ৰত তেওঁ পক্ষপাতহীনতাৰ বাবে তেওঁ কেৱল নিজৰ ৰাজ্যত নহয়, সমগ্ৰ বিশ্বতে জনাজাত আছিল। যিহেতু এজন নিৰপেক্ষ বিচাৰক হিচাপে তেওঁ বিখ্যাত আছিল, কাষৰীয়া ৰজাসকলেও সময়ে সময়ে তেওঁৰ পৰামৰ্শ আদি গ্ৰহণ কৰিছিল। এনে কাম কৰি তেওঁলোকে নিজৰ ৰাজ্যৰ কিছুমান জটিল গোচৰৰ উচিত বিচাৰ কৰিছিল।

এবাৰ দুজন মানুহৰ কিবা কথাত মতান্তৰ হ'ল আৰু বিচাৰৰ বাবে ৰজা অৰ্ক ময়ুষৰ ৰাজসভা পালেহি। তেওঁলোকৰ মাজৰ এজন আছিল এজন গুৰুত্বপূৰ্ণ ব্যৱসায়ী ৰত্ন বিভুষিত আৰু আনজন আছিল এজন চোৰ কালা ৰুদ্ৰ।

উচিত বিচাৰৰ বাবে ৰাজসভাত উপস্থিত হোৱা দুয়োজনলৈ চাই ৰজা অৰ্ক ময়ুষে কলে, ''তোমালোকৰ সমস্যাটো মোক বিৱৰি কোৱা।''

প্ৰথমতে কালা ৰুদ্ৰই কলে, ''মহাৰাজ, মই এটা চোৰ। মই এই ব্যৱসায়ীৰ ঘৰত চুৰ কৰিবলৈ যাওতে ধৰা পৰিলো। মই আশা কৰিছিলো যে তেওঁ মোক শাস্তি বিহিব। কিন্তু বিপৰীতে তেওঁ মোক তেওঁৰ চাকৰৰ পদত যোগদান কৰাৰ প্ৰস্তাৱ দিলে। এনে কৰাত মোৰ এটা সমস্যাৰ সৃষ্টি হ'ল। মোৰ স্বভাৱেই এনে যে কিবা মূল্যৱান বস্তু দেখা পালেই চুৰ কৰিবলৈ মোৰ মন যায়।

যদি তেওঁ মোক দিয়া চাকৰি গ্ৰহণ কৰো তেন্তে হয়তো মই তেওঁৰ ঘৰৰ পৰা কোনোবাদিনা কিবা বস্তু চুৰ কৰি পেলাম। তেনে কৰি মই দুগুণ অপৰাধ কৰিম। গতিকে মই তেওঁ ঘৰত চাকৰি কৰিব নিবিচাৰো। মোক মই কৰা অপৰাধৰ বাবে উপযুক্ত শাস্তি প্ৰদান কৰক। মোৰ এয়েই কামনা।''

তাৰপিছত ৰত্ন বিভুষিতে কবলৈ ধৰিলে, ''মহাৰাজ, মই এই চোৰৰ নিজৰ মুখৰ পৰাই তাৰ অতীত জীৱন সম্বন্ধে শুনিলো। মই এই কথা উপলব্ধি কৰিলো যে অভাৱ আৰু দৰিদ্ৰতাৰ ফলস্বৰূপেই ই এটা চোৰত পৰিণত হ'ল। এই কাৰণেই মই তেওঁক মোৰ ঘৰত এটা চাকৰিৰ প্ৰস্তাৱ দিছো যাতে তেওঁ নিজৰ অভাৱ দূৰ কৰি চুৰি কাৰ্যৰ দৰে বেয়া অভ্যাসৰ পৰা আঁতৰি থাকিব পাৰে। কিন্তু তেওঁ সেই চাকৰি লব খোজা নাই। অনুগ্ৰহ কৰি মোক এই কথা জনাওক যে তেওঁক এটা চাকৰি দি

মই শুদ্ধ কাম কৰিছোনে নাই। তেওঁ মোৰ বাবে কাম কৰি এটা সৎ জীৱন কটোৱাটোৱেই মই বাঞ্চা কৰো।''

ৰজাই গোচৰৰ বিৱৰণ শুনি বৰ আমোদ পালে।

তাৰপিছত ৰজা অর্ক ময়ুখে চোৰক কলে, ''তোমাৰ অপৰাধৰ শাস্তি হিচাপে তুমি এই ব্যৱসায়ীৰ ঘৰত এবছৰৰ বাবে বিনা দৰমহাত কাম কৰি দিব লাগিব। সেয়াই হব তোমাৰ শাস্তি। তাৰপিছত তুমি তোমাৰ কামৰ বাবে দৰমহা লাভ কৰিবা আৰু এটা সৎ জীৱন-যাপন কৰিবা।''

ৰজাৰ এনে ৰায় শুনি উপস্থিত সকলো লোক সুখী হ'ল আৰু হাতচাপৰি বজালে। সকলোৱে অনুভৱ কৰিলে যে ৰজাই উচিত ৰায় দিলে।

আন এবাৰ, সৈন্যসকলে দুজন লোকক আনি ৰাজসভাত হাজিৰ কৰিলে। তাৰে এজনৰ হাত দুখন বন্ধা অৱস্থাত আছিল আৰু আনজনে এটা চকুত বেয়াকৈ আঘাট পাইছিল আৰু তাৰপৰা তেজ ওলাই আছিল। প্ৰথমতে আঘাটপ্ৰাপ্ত লোকজনে কলে, ''মহাৰাজ, মোৰ নাম হ'ল নিৰঞ্জন। মই আপোনাৰ চোৰাংচোৱা বাহিনীৰ এজন চৰ। ই হ'ল এটা ডকাইত। তাৰ নাম গান্ধাৰভীম।

সি হাবিৰ মাজত লুকাই থাকি তাৰ কাষেদি পাৰ হৈ যোৱা লোকক পৰা ডকাইতি কৰে আৰু কোনোবাই বাধা দিব খুজিলে আক্ৰমণ কৰি বেয়াকৈ আঘাটপ্ৰাপ্ত কৰে। মই তাৰ ওপৰত চকু ৰাখি আছিলো। যেতিয়া মই তাক বন্দী কৰিব খুজিলো, তাৰ সহচৰবিলাকে মোক আক্ৰমণ কৰিলে।

ই মোক আঘাট কৰি এটা চকু ক্ষতিগ্ৰস্ত কৰিলে। তেনেসময়তে আমাৰ সৈন্যসকল তাত উপস্থিত হৈ ইয়াক বন্দী কৰিলে। অনুগ্ৰহ

কিছুদিনৰ পিছত, অগ্নিহোত্ৰ নামৰ এজন পণ্ডিতে ৰজাক লগ পাবৰ বাবে ৰাজসভালৈ আহিল। তেওঁ বৰ বিমৰ্ষ আছিল। তেওঁৰ লগত এজন ডেকা আহিছিল। ডেকাজনৰ সোঁহাতখন নাছিল আৰু সেইবাবেই তেওঁক দুখী দেখা গৈছিল। পণ্ডিত অগ্নিহোত্ৰই ৰজাক কলে, ''মহাৰাজ, ই মোৰ সন্তান নীলকান্ত। তেওঁ আপোনাৰ পুত্ৰ অভিক্ষিতৰ লগত গুৰুৰ টোলত একেলগে শিক্ষা গ্ৰহণ কৰে। তেওঁলোকে তৰোৱাল চালনাৰ শিক্ষা গ্ৰহণ কৰি থকাৰ সময়ত আপোনাৰ পুত্ৰৰ তৰোৱালৰ কোবত এখন হাত কটা গ'ল। এই ঘটনাই আমাৰ পৰিয়াললৈ দুখ কঢ়িয়াই আনিছে। আপুনি আগতে 'এটা চকুৰ বাবদ এটা চকু' ৰায় দিয়াৰ দৰে এই ঘটনাৰ বিচাৰ কৰি ৰাজকুমাৰৰ এখন হাত্ কাটি পেলাবলৈ আদেশ কৰক।'' অগ্নিহোত্ৰই ৰজাক কলে।

কৰি ইয়াক উচিত শাস্তি প্ৰদান কৰক।'' নিৰঞ্জনে কলে।

ৰজাই তেতিয়া ডকাইতক বন্দী কৰিবলৈ আদেশ দিলে। তেনেতে ডকাইত গান্ধাৰভীমে কলে, ''মহাৰাজ, মই এইজন লোকৰ পথ ৰুদ্ধ কৰা নাছিলো বা তেওঁক ডকাইতি কৰাও নাছিলো। তেওঁ মোক বন্দী কৰিবলৈ চেষ্টা কৰাত মই আত্মৰক্ষাৰ বাবে প্ৰতি আক্ৰমণ কৰিলো। সেইবাবে মই নিজকে দোষী বুলি নাভাৱো। অনুগ্ৰহ কৰি উচিত বিচাৰ কৰক।''

ৰজাই খন্তেক সময় ভাৱি বিচাৰৰ ৰায় দিলে। তেওঁ 'এটা চকুৰ বাবদ এটা চকু' ৰায় দি শাস্তি হিচাপে ডকাইতৰ এটা চকু ফুটাই দিবলৈ আদেশ দিলে।

ৰজাৰ বিচাৰত্ সকলো সভাসদে পুণৰ হাতচাপৰি বজালে।

এই ঘটনাত ৰজাই অলপ ভাৱিলে। তাৰপিছত তেওঁ কলে, ''হে পণ্ডিত, এজন যুৱকে অস্ত্ৰ অনুশীলন কৰি থকাৰ সময়ত এখন হাত হেৰুৱাটো সঁচাকৈয়ে দুখজনক ঘটনা। মোৰ পুত্ৰইও যথাযোগ্য শাস্তি লাভ কৰিব। আপোনাৰ পুত্ৰই অনুশীলনৰ সময়ত যি হাতেৰে অস্ত্ৰ ধৰি তৰোৱাল চালনা কৰি আছিল, সেই একেই হাত ব্যৱহাৰ কৰি মোৰ পুত্ৰৰ এখন হাত কাটি পেলাব পাৰে। মোৰ ৰায় এয়াই।''

অগ্নিহোত্ৰ অলপ বিবুদ্ধিত পৰিল। ''হে মহাৰাজ, এয়া কেনেকৈ সম্ভৱ হব পাৰে। যেতিয়া ৰাজকুমাৰে সোঁহাতেৰে তৰোৱাল ধৰি অনুশীলন কৰি আছিল, তেতিয়া তৰোৱাল

আহি মোৰ পুত্ৰৰ সোঁহাতত পৰিল আৰু তৰোৱাল ধৰি থকা তাৰ সোঁহাতখন কটা গ'ল। এতিয়া সি কেনেকৈ সেই কটা যোৱা হাতখন ব্যৱহাৰ কৰি ৰাজকুমাৰৰ এখন হাত কাটিব পাৰিব?''

ৰজাই উত্তৰ দিলে, ''যদি সেয়া সম্ভৱ নহয় নহয়, তেন্তে এই অপৰাধৰ বাবে শাস্তি প্ৰদান কৰাও সম্ভৱপৰ নহয়। আপোনাৰ পুত্ৰৰ যি ক্ষতি হ'ল তাক পুৰাবৰ বাবে মই তাক এটা ভাল চাকৰি দিম। অনুগ্ৰহ কৰি ভালকৈ চিন্তা কৰি চাওক।''

অগ্নিহোত্ৰই অলপপৰ ভাৱিলে আৰু কলে, ''মহাৰাজ, আপোনাৰ নিৰপেক্ষ বিচাৰৰ বাবে ধন্যবাদ। মোৰ ভুলৰ বাবে মোক ক্ষমা কৰিব।'' তাৰ পিছত তেওঁ তাৰ পৰা গুচি গ'ল।



ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ''হে মহাৰাজ, ৰজা অৰ্ক ময়ুষৰ ৰায় অবান্তৰ আৰু অযুক্তিকৰ। নিজৰ ভুল স্বীকাৰ কৰি লোৱা চোৰটোক তেওঁ কোনো শাস্তি নিদিলে। বিপৰীতে, আত্মৰক্ষাৰ বাবে যুদ্ধ কৰা ডকাইতটোক তেওঁ অধিক শাস্তি প্ৰদান কৰিলে।

যেতিয়া নিজৰ পুত্ৰক শাস্তি প্ৰদান কৰাৰ সময় আহিল, তেতিয়া তেওঁ অবান্তৰ চৰ্ত ৰাখিলে। তেওঁ সেইদৰে পুত্ৰক শাস্তিৰ পৰা ৰক্ষা কৰিলে।

যিক্ষেত্ৰত ৰজা অৰ্ক ময়ুষ নিৰপেক্ষ ৰায় দিয়াৰ বাবে সমগ্ৰ বিশ্বতে বিখ্যাত আছিল, তেওঁ নিজৰ পুত্ৰৰ ক্ষেত্ৰত কিয় এনে পন্থা ললে?

এই ঘটনাই তেওঁৰ পক্ষপাতিতাকেই প্ৰতিফলিত কৰে নেকি? কিন্তু ৰায় দিয়াৰ পিছত পণ্ডিত অগ্নিহোত্ৰইও সেই ৰায়ক নিৰপেক্ষ বুলি মন্তব্য কৰিলে, যদিও সেই ৰায়ে শাস্তি পোৱাৰ পৰা ৰাজকুমাৰক ৰক্ষা কৰিলে।

তেওঁ কিয় ক্ষমা প্ৰাৰ্থনা কৰিলে? তেওঁৰ মনত এই ভয় আছিল নেকি যে ৰজাই তেওঁক কিবা শাস্তি প্ৰদান কৰিব পাৰে। নহলে তাত আন কিবা কাৰণ থাকিব পাৰে নেকি?

যদি তুমি মোৰ প্ৰশ্নসমূহৰ উত্তৰ জানিও নিদিয়া, তেন্তে তোমাৰ মুৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে কলে, ''চোৰ কালা ৰুদ্ৰই নিজৰ অপৰাধ স্বীকাৰ কৰিলে। তেওঁ অভাৱত পৰিহে চুৰ কৰাৰ দৰে বেয়া পন্থা গ্ৰহণ কৰিছিল। গতিকে তেওঁক শাস্তি নিদি ধনী

ব্যৱসায়ীজনে বিচৰা ধৰণেৰে তেওঁৰ ঘৰত কামত কৰিবলৈ আদেশ দিলে।

ডকাইত গান্ধাৰভীমৰ ক্ষেত্ৰত, সি চোৰাংচোৱাজনক ডকাইতি কৰিবলৈ চেষ্টা নকৰিব পাৰে, কিন্তু এইটো সঁচা যে আন বহুতো লোকৰ ধন-সম্পদ সি ডকাইতি কৰিছিল। সি আছিল এটা সমাজ বিৰোধী লোক। তাৰোপৰি নিজৰ কৰ্তব্য কৰিবলৈ যাওতে এজন চোৰাংচোৱাক আক্ৰমণ কৰি আহত কৰিছিল। সি কেৱল ডকাইতিৰ অপৰাধতেই অপৰাধী নহয়, নিজৰ কৰ্তব্য কৰিবলৈ চেষ্টা কৰা এজন চৰকাৰী বিষয়াক আক্ৰমণ কৰি আহত কৰাৰ বাবেও দায়ী।

এই কাৰণৰ বাবেই ৰজাই 'এটা চকুৰ বাবদ এটা চকু' নীতি প্ৰয়োগ কৰি তাক উপযুক্ত শাস্তি প্ৰদান কৰিলে।

তাৰপিছত, ৰাজকুমাৰৰ ঘটনাৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথাটো হ'ল যে তেওঁ পণ্ডিতৰ পুত্ৰৰ হাত ইচ্ছা কৰি কাটি পেলোৱা নাছিল। ই আছিল এটা দুৰ্ঘটনা। ৰজা সেই হাত কটা যোৱা ডেকাৰ প্ৰতি সহানুভূতিশীল আছিল।

এই কাৰণৰ বাবেই ৰজাই তেওঁৰ ৰায় এনেধৰণেৰে প্ৰদান কৰিলে যে ৰাজকুমাৰ শাস্তিৰ পৰা ৰক্ষা পৰিব আৰু সেই যুৱকজনেও উচিত সংস্থাপন লাভ কৰিব। বেলেগ বেলেগ পৰিস্থিতিত নিৰপেক্ষ বিচাৰৰ ব্যাখ্যা বেলেগ বেলেগ হয়। ৰায় প্ৰদান কৰাৰ আগতে সকলোবিলাক দিশ চালি-জাৰি চাবলগীয়া হয়।

ৰজাই ৰায় দিয়াৰ পিছত সেই পণ্ডিতে গোটেই ঘটনাটো উপলব্ধি কৰিলে। সেয়েহে তেওঁ ৰজাৰ ৰায়ক প্ৰশংসা কৰিলে আৰু ক্ষমা প্ৰাৰ্থনা কৰিলে। তেওঁ উপলব্ধি কৰিলে ৰাজকুমাৰক এটা দুৰ্ঘটনাৰ বাবে শাস্তি দিবলৈ দাবী কৰাটো অযুক্তিসংগত। ৰজাই তেওঁক শাস্তি দিব বুলি ভয় পাই পণ্ডিতে ক্ষমা প্ৰাৰ্থনা কৰা নাছিল।"

এইদৰে ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ উচিত আৰু যুক্তিসংগত উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰা মাৰি সেই গছজোপাৰ ডালত আগৰ দৰে ওলমি থাকিলগৈ।

-এন শিৱ নাগেশ্বৰ ৰাও



উদাৰতা

প্ৰায় দুহেজাৰ বছৰ মানৰ আগত চীন দেশত পো তাও নামৰ এজন বৃদ্ধই বাস কৰিছিল। তেওঁ প্ৰসিদ্ধ পণ্ডিত আছিল। কিন্তু তেওঁৰ পাণ্ডিত্যক চিনি পাই কোনেও আদৰ কৰা নাছিল।

ছু ৰাজ্যৰ ৰজাও এজন বিদগ্ধ পণ্ডিত আছিল। তেওঁৰ বিষয়ে সকলোৰে মাজত এটা কথা বিয়পি পৰিছিল যে তেওঁ পণ্ডিতসকলক বৰ সন্মান কৰিছিল। তাওক তেওঁৰ বন্ধু সকলে কলে যে তেওঁ যদি গৈ ছু দেশৰ ৰজাক লগ ধৰে তেন্তে নিশ্চয় যথাযোগ্য সন্মান লাভ কৰিব। তাওৱে বন্ধুসকলৰ অনুৰোধ পেলাব নোৱাৰিলে। তেওঁ কাপোৰ কানি বান্ধি-কুন্ধি লগত থকা পইছা কেইটা লৈ ছু ৰাজ্য অভিমুখে ৰাওনা হ'ল।

ছু ৰাজ্যলৈ বহু দূৰ বাট আছিল। পথত কেইবাটাও পাহাৰ অতিক্ৰম কৰিবলগীয়া হৈছিল। যাত্ৰাকালত তেওঁৰ ভাগৰ লগাত কাষৰে এখন গাৱত জিৰণি লবৰ বাবে লি চিং নামৰ এজন ব্যক্তিৰ ঘৰ পালেগৈ।

চিঙে তাওৰ যথাযোগ্য সৎকাৰ কৰিলে। তাও এজন পণ্ডিত বুলি গম পাই তেওঁ বৰ ভাল পালে। কিন্তু চিঙো এজন সাধাৰণ লোক নাছিল। তেওঁৰ ঘৰত থকা বহু পুৰণা শাস্ত্ৰ দেখা পাই তাওৱে গম পালে যে চিঙো এজন বিদগ্ধ পণ্ডিত।

"শুনা পাইছো যে ছু দেশৰ ৰজাই পণ্ডিতক সন্মান কৰে। মই তেওঁক লগ পাবলৈয়ে এই যাত্ৰা কৰিছো। তুমিও মোৰ লগত নাহা কিয়?" তাওৱে কলে। চিঙে তাওৰ কথা মানি লৈ তেওঁৰ লগতে যাত্ৰা আৰম্ভ কৰিলে।

তেওঁলোক দুয়ো কিছুদূৰ একেলগে

পি তুলসী ৰাও

যাত্ৰা কৰিলে। তেনেতে এক ভয়ংকৰ ধুমুহা আহিল। তেওঁলোক লিয়াগ্ন পৰ্বতৰ ওপৰত এক বৰফৰ ধুমুহাৰ মাজত বন্দী হৈ পৰিল। ছু দেশত উপনীত হবৰ বাবে তেতিয়াও প্ৰায় চাৰিদিনৰ পথ বাকী আছিল। তেওঁলোকে আগবাঢ়িবলৈ চেষ্টা কৰিও বিফল হ'ল। শেষত তেওঁলোকে প্ৰচণ্ড শীতত থক থককৈ কপিবলৈ ধৰিলে। বুঢ়া তাওৰ অৱস্থা অতি কাহিল হৈ আহিল। তেওঁ চিংক কলে–"বোপা, মোৰ সময় চাপি আহিছে। মই কেতিয়াও গৈ ছু দেশ নাপামগৈ। তুমি মোৰ গৰম কাপোৰ পিন্ধি ললে আগুৱাই যোৱাত সুবিধা হব আৰু ৰজাক সাক্ষাৎ কৰিব পাৰিবা। তুমি মোৰ গৰম কাপোৰ লৈ লোৱা।"

কিন্তু চিঙে এই কথা মানি নললে। "যদি যাবই লাগে দুয়োজনেই গৈ ৰজাক দেখা কৰিমগৈ। মই আপোনাৰ গৰম কাপোৰ লৈ আপোনাৰ মৃত্যুৰ কাৰণ হবলৈ ৰাজী নহয়।" চিঙে কলে।

"বোপা, তুমি এতিয়াও তজবজীয়া হৈ আছা। মোৰ এখন ভৰিয়ে ভালদৰে কাম নকৰেই। মই এনেয়েও বুঢ়া হৈ পৰিছো। ছু ৰজাই মোক সন্মান দিলেও যি নিদিলেও সেই একেই। তাৰোপৰি তোমাৰ পাণ্ডিত্য মোতকৈ বেছি।" তাওৱে চিঙক বুজাবলৈ চেষ্টা কৰিলে। কিন্তু চিঙে তথাপিও এই কথা মানি নললে।

বৰফৰ ধুমুহাৰ পৰা বাচিবৰ বাবে দুয়ো গৈ এটা গুহাৰ ভিতৰত সোমালগৈ।

"যদি আমি কেইডালমান খৰি যোগাৰ কৰিব পাৰো তেন্তে তাৰে জুই ধৰি গা গৰম কৰিব পাৰিম।" তাওৱে কলে। চিঙে খৰি বিচাৰি বাহিৰলৈ গ'ল।

চিং উভতি অহাৰ আগতেই তাওৱে নিজৰ গৰম কাপোৰ খুলি গুহাত ৰাখিলে আৰু বাহিৰলৈ ওলাই গৈ বৰফৰ ধুমুহাৰ মাজত হেৰাই গ'ল।

চিং যেতিয়া উভতি আহিল, তেওঁ গুহাত তাওৱে থৈ যোৱা গৰম কাপোৰখিনি দেখিলে। তেওঁ লগে লগে সকলো কথা বুজি পালে। বাহিৰলৈ গৈ অলপ দূৰত তেওঁ দেখিল যে তাওৰ মৃতদেহ পৰি আছে।

তাওৰ কথা ভাবি চিং বৰ দুখী হৈ পৰিল। তেওঁ তাওৰ মৃতদেহ গুহাৰ ভিতৰলৈ আনি সুৰক্ষিত কৈ ৰাখিলে। তাৰপিছত তাওৰ ভাৱনাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁ গৰম কাপোৰ পৰিধান কৰি যাত্ৰা আৰম্ভ কৰিলে আৰু কেইদিনমানৰ ভিতৰতে ছু দেশত উপস্থিত হ'লগৈ।

ছু দেশৰ ৰজাই চিঙৰ পাণ্ডিত্যৰ বৰ প্ৰশংসা কৰিলে আৰু তেওঁক ৰাজসভাৰ পণ্ডিত হিচাপে নিযুক্তি দিলে।

ৰজাৰ ঘোষণা শুনাৰ পিছত চিঙৰ দুচকুৰ পৰা চকুপানী ওলাই আহিল। ৰজাই তেওঁৰ চকুত চকুপানী দেখি তাৰ কাৰণ সুধিলে। উত্তৰত চিঙে কলে, ''মহাৰাজ, আপুনি মোৰ পাণ্ডিত্যৰ ইমান প্ৰশংসা কৰিছে। তাওৰ উদাৰতাৰ আগত মোৰ এই পাণ্ডিত্যৰ কোনো মূল্যই নাই।'' চিঙে কলে। তাৰপিছত তেওঁ ৰজাক গোটেই কাহিনীটো আদিৰ পৰা অন্তলৈকে বিৱৰি কলে। ৰজাই কাহিনীটো শুনি বৰ আচৰিত হ'ল। তেওঁ বহু ৰাজ বিষয়াক লৈ সেই গুহাটোলৈ গ'ল। তাত তাওৰ মৃতদেহ সুৰক্ষিতকৈ ৰখা আছিল। ৰজাই উচিত সন্মান প্ৰদৰ্শন কৰি সেই গুহাটোতে তাওৰ শেষকৃত্য সমাপ্ত কৰিবলৈ আদেশ দিলে। তাৰপিছত তাত তাওৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে এটা সমাধি নিৰ্মাণ কৰোৱালে।

পিছৰ কালত তাওৰ সেই সমাধিক্ষেত্ৰ এক পৱিত্ৰ স্থান ৰূপে পৰিগণিত হ'ল।



আত্মনির্ভৰশীলতা

ৰবীয়ে পঞ্চম শ্ৰেণীত অধ্যয়ন কৰিছিল। তেওঁৰ মাক দেউতাক নথকাৰ বাবে প্ৰয়োজনীয় সকলো বস্তুৰ বাবে আইতাকৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁ সকলো কামতে আইতাকৰ সহায় লাভ কৰিছিল। আনকি আইতাকেই তেওঁক স্কুললৈ লৈ যাব আৰু লৈ আহিব লগীয়া হৈছিল।

তেওঁ আন আন শিশুৰ লগত খেলা-ধুলাৰ বাবে আগ্ৰহী নাছিল। গান আদি গাবৰ বাবেও বৰ লাজ কৰিছিল। আইতাকৰ সহায় অবিহনে তেওঁ গৃহকাৰ্যও সম্পূৰ্ণ নকৰিছিল। মুঠৰ ওপৰত তেওঁ সকলো কামতে পিছপৰা আছিল। আনকি স্কুলৰ শিক্ষকেও ৰবী আনবিলাক ছাত্ৰ-ছাত্ৰীতকৈ শিক্ষাত পিছ পৰি ৰোৱাৰ বাবে আইতাকৰ আগত অভিযোগ কৰিছিল।

ৰবীৰ স্বভাৱক লৈ তেওঁৰ আইতাক বৰ চিন্তিত হৈ পৰিছিল। আইতাকে সদায়েই ৰবীক নিজৰ কাম নিজে কৰি লবলৈ উপদেশ দিছিল। তেওঁ চিন্তা আছিল যে এনেদৰে থাকিলে ডাঙৰ হৈ ৰবীয়ে কি কৰিব। উদাহৰণ দিবৰ বাবে তেওঁক ৰবীক চৰাই-চিৰিকতি আৰু জীৱ-জন্তুৰ উদাহৰণ দিছিল। সেইবিলাক কথালৈ ৰবীয়ে একেবাৰেই সাৰ-সুৰ নকৰিছিল। সি ধৰি লৈছিল যে তাক ইটো-সিটো কামত হাত ধৰি দিবলৈ আইতাক সদায় তাৰ লগে লগে থাকিব। কিন্তু তথাপিও তাৰ আইতাকে বাৰে বাৰে তাক বুজাবৰ বাবে চেষ্টা কৰিয়েই থাকিল।

সেইবছৰ ৰবীৰ স্কুলৰ পৰা কাজিৰঙালৈ বনভোজৰ আয়োজন কৰা হ'ল। সেয়া আছিল দুদিনীয়া যাত্ৰা। স্কুলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল বাছৰে তালৈ যাত্ৰা কৰিলে। উপাই নাপাই ৰবীও তেওঁৰ সহপাঠীসকলৰ লগত বনভোজলৈ গ'ল।

বি ভীমেশ্বৰ ৰাও

যেতিয়া পথত বাছে পাহাৰৰ কেকুৰী এটা পালে, তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি এটা আনটোৰ ওপৰত বাগৰি পৰিল। তেওঁলোকে বৰ ৰং পালে আৰু হাঁহি-খিখিন্দালি কৰি তাক উপভোগ কৰিলে। তেওঁলোকে বনভোজৰ গোটেই যাত্ৰাটো বৰ উপভোগ কৰিলে। বাছৰ খিৰিকিয়েদি বাহিৰ মনোমোহা দৃশ্য উপভোগ কৰিলে। তেওঁলোকে পাহৰিয়েই গ'ল যে তেওঁলোকৰ শিক্ষকসকল তেওঁলোকৰ লগত আছে। তেওঁলোকে হাতচাপৰি বজাই, গান গাই আনন্দ কৰিবলৈ ধৰিলে। কিন্তু ববীয়ে সেইবোৰলৈ মন কানেই নকৰিলে। মনে মনে নিজৰ স্থানত বহি ৰ'ল।



আন শিশুবিলাকে তাক জোকালে, ‘‘তুমি আইতাৰ কথা ভাৱি আছা নেকি? তুমি তেওঁকো লগতে লৈ আহিব লাগিছিল। এতিয়া তুমি তেওঁৰ অবিহনে কি কৰিবা?’’ এইবিলাক কথা শুনি ববীৰ বৰ খং উঠিল। তাৰ মুখ ৰঙা পৰি উঠিল। তেওঁ মনে মনে নিজৰ স্থানত বহি ৰ'ল।

বাছ গৈ কাজিৰঙা পালেগৈ। সকলো শিশুৱেই হাঁহি মাতি বাছৰ পৰা নামি আহিল। তেওঁলোকৰ ভোক লাগি আছিল। শিক্ষক সকলে দেখুৱাই দিয়া হোটেলখনলৈ সকলো সোমাই গ'ল। তেওঁলোকক গৰম গৰম খাদ্য পৰিবেশন কৰা হ'ল। তেওঁলোকে কথা পাতি পাতি, হাঁহি ধেমালি কৰি কৰি খাবলৈ ধৰিলে। ববীয়ে খাদ্য আগত ৰাখি মনে মনে বহি থাকিল। আনবিলাক শিশুৱে পুণৰ তাক জোকাবলৈ ধৰিলে যে আইতাক নোহোৱাকৈ সি নিজে একো কৰিব নাজানে। তাৰ খং উঠি আহিল। আধা পেলাই হলেও যেনে তেনে সি খোৱা শেষ কৰিলে।

তাৰপিছত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক শাৰী পাতি থিয় হবলৈ কলে আৰু জিৰণি লবৰ বাবে কাষতে থকা বাগিছাৰ ভিতৰলৈ লৈ গ'ল। জিৰণি লোৱাৰ পিছত সিঁহত সকলো উদ্যানৰ ভিতৰলৈ গ'ল। তাত পৃথিৱী বিখ্যাত এশিঙীয়া গড়কে ধৰি নানা ধৰণৰ জীৱ-জন্তু দেখা পালে।

তাৰপিছত দুপৰীয়াৰ আহাৰ খোৱাৰ সময় হ'ল। আনবিলাক ছাত্ৰ-ছাত্ৰীয়ে দেখিলে যে ববী সমস্যাৰ সন্মুখীন হৈছে। তেওঁলোকে কেনেকৈ খাব লাগে সেইবিষয়ে তাক পৰামৰ্শ দিলে। সিঁহতে কলে, ‘‘তোমাৰ আইতা ইয়াত নাই। গতিকে তুমি নিজে নিজেই খাব



কোনোমতে সি দাঁত মজা কাম সমাপ্ত কৰিলে। তাৰপিছত বাকীবিলাক শিশুৰ লগ লাগি গা ধুলে। ৰাতিপুৱাৰ আহাৰ খোৱাৰ সময়ত সি সাৱধান হ'ল যাতে খোৱা বস্তু গাত বা টেবুলত নপৰে। ফলত বাকীবিলাক শিশুৱে তালৈ বৰকৈ লক্ষ্য নকৰিলে। তাৰ অস্বস্তি লাহে লাহে কমি আহিল।

সেইসময়তে সিঁহতৰ গাড়ীখনো আহি পালেহি। সকলো গাড়ীত উঠিল। সিঁহতে ওচৰতে থকা জলপ্ৰপাতটো চাবলৈ গ'ল। কিছুসময়ৰ পিছতে বাছখন গৈ জলপ্ৰপাতৰ ওচৰ পালেগৈ। শিলৰ ওপৰত পানী পৰি থকা শব্দই ভয়ৰ সৃষ্টি কৰিছিল যদিও একেসময়তে আনন্দও দিছিল। শিলত পানী থেকা খাই সৃষ্টি হোৱা পানীৰ সৰু সৰু টোপালবিলাক বতাহৰ লগত মিহলি হৈ পৰিছিল। আন শিশুসকলৰ লগতে ববীয়েও সেই দৃশ্য দেখি বৰ ৰং পালে। সি কেতিয়াও ঘৰৰ পৰা ইমান দূৰলৈ যোৱা নাছিল। সি অনুভৱ কৰিলে যে এই বনভোজৰ অভিজ্ঞতা বেছ আনন্দকৰ।

লাগিব। আজি তুমি নিজেই সকলো ভাত তৰকাৰী মিহলাই খোৱা। ববীৰ হাতত আন কোনো উপায় নাছিল। সি কোনোমতে খোৱা সমাপ্ত কৰিলে। হাত ধোৱাৰ সময়ত পানী পৰি তাৰ চোলা ভিজি গ'ল। তাৰবাবে সি দিনটোৰ পিছৰ সময়চোৱা বৰ অস্বস্তিত কটালে। তাৰপিছত সকলো গৈ ৰাতি কটাবৰ বাবে হোটেলত উপস্থিত হ'ল।

হোটেলত ৰাতি কটোৱাটো সকলো শিশুৰ বাবে এটা নতুন অভিজ্ঞতা আছিল। শীতকালৰ সময় আছিল বাবে বতৰ বেছ ঠাণ্ডা আছিল। সকলোৱে বিচনা পাৰি লৈ কম্বলৰ তলত সোমাল।

ৰাতিপুৱাৰ লগে লগে ববীৰ সমস্যা পুণৰ আৰম্ভ হ'ল। টুথব্ৰাছ হাতত লোৱাৰ লগে লগে তাৰ আইতাকলৈ মনত পৰি গ'ল।

তাৰপিছত সকলোৱে অলপ সময় জিৰণি লোৱাৰ পিছত উভতনি যাত্ৰা আৰম্ভ হ'ল। উভতি অহাৰ পৰত তেওঁলোকে বহু বান্দৰ দেখিবলৈ পালে। ইমান বেছি বান্দৰ দেখি সকলোৱে আনন্দতে চিঞৰিবলৈ ধৰিলে। বাটত তেওঁলোকে নেঘেৰীটিঙৰ শিৱদৌলত ৰ'ল। বিশাল আকৃতিৰ আহোম যুগৰ সেই দৌলৰ কাৰু-কাৰ্য দেখি সকলো মুগ্ধ হ'ল। সকলোৱে শাৰী পাতি মন্দিৰৰ ভিতৰলৈ সোমাই গৈ ভিতৰখন ভালদৰে চালে। তাত

দৰ্শনাৰ্থী ভৰি আছিল। তাৰপিছত সকলোৱে গাড়ীত উঠি যাত্ৰা আৰম্ভ কৰিলে আৰু কেইঘন্টামানৰ পিছত গধুলি হোৱাৰ লগে লগে আহি ঘৰ পালেহি। সকলো ঘৰা-ঘৰি গ'ল।

ৰবী গৈ ঘৰ পালত আইতাক বৰ সুখী হ'ল। তেওঁ তাক আকোৱালি ললে আৰু নানা প্ৰশ্ন সুধিবলৈ ধৰিলে। ''মই তোমাক সকলো বৰ্ণনা কৰিম। আগতে মোক কিবা খাবলৈ দিয়া। মোৰ বৰ ভোক লাগিছে।'' ৰবীয়ে কলে। আইতাকে লগে লগে তাক ভাত বাঢ়ি দিলে। তেওঁ ৰবীক ভাত খুৱাই দিব খোজাত সি তেওঁক বাধা দি নিজে নিজে খাবলৈ ধৰিলে। আইতাক বৰ আচৰিত হ'ল। তেওঁ আৰু বেছি আচৰিত হ'ল যেতিয়া শুবৰ বাবে ৰবীয়ে বিচনা নিজেই পাৰি ললে। তাৰপিছত আইতাকৰ লগত কিছু কথা পাতি সি শুই পৰিল।

পিছদিনা ৰাতিপুৱা। ৰবীয়ে নিজেই দাঁত মাজিলে। আইতাকে গা ধোৱাই দিব খোজাত সি কলে, ''আজিৰ পৰা তুমি মোক গা ধুৱাই দিব নালাগে। মই নিজেই ধুম।'' গা ধুই সি আহাৰ খাই স্কুললৈ বুলি ৰাওনা হ'ল। ৰবীৰ আইতাকে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। সেইদিনা ৰবীক স্কুলৰ পৰা আনিবলৈ যোৱাৰ পৰত সি হাঁহি এটা মাৰি আইতাকক কলে, ''কালিলৈৰ পৰা আৰু তুমি মোক নিবলৈ আহিব নালাগে। মই নিজে নিজেই আহিব পাৰিম।''

ৰবীৰ আইতাকে এই কথা কল্পনাও কৰা নাছিল যে ইমান সোনকালে তেওঁ ৰবীৰ মাজত ইমান ডাঙৰ পৰিৱৰ্তন দেখিবলৈ পাব।

এটা সপ্তাহ পাৰ হৈ গ'ল। এদিন হঠাৎ ৰবীৰ শিক্ষয়ত্ৰীয়ে ৰাস্তাত আইতাকক লগ পালে। তেওঁ কলে, ''তোমাৰ নাতি একেবাৰে সলনি হৈ পৰিল। কাজিৰঙাৰ বনভোজত সি বহু কথা শিকিলে। তুমি আৰু তোমাৰ নাতিৰ কথা লৈ বৰকৈ চিন্তা কৰি থাকিব নালাগে।''

এই কথা শুনি ৰবীৰ আইতাক বৰ সুখী হ'ল। তেওঁ গম পালে যে তেওঁ নাতিয়েকে তেওঁৰ অনুপস্থিতিটো ভালকৈ জীৱন-যাপন কৰিব পাৰিব।

পঞ্চতন্ত্ৰৰ সাধু

দুষ্টবুদ্ধিক তেওঁৰ পিতাকে বগলীৰ কাহিনী শুনাই কলে, ‘‘বিবেকশীল ব্যক্তিয়ে যদি কোনো আঁচনি তৈয়াৰ কৰে তেন্তে তাৰ খুটি-নাটি সকলো ভালদৰে পৰীক্ষা কৰি চাব লাগে। তোমাৰ এই আঁচনিত মই কেইবাটাও ত্ৰুটি দেখিবলৈ পাইছো।’’

পিতাকৰ কথা শুনি দুষ্টবুদ্ধিয়ে কলে, ‘‘পিতা, এইটো এটা উৎকৃষ্ট আঁচনি। মোৰ মতে প্ৰতিটো আঁচনিতেই কিবা নহয় কিবা ত্ৰুটি থাকিবই। তুমি মোৰ কথা মতে কাম নকৰিলে বৃক্ষ দেৱতাই সাক্ষী নিদিব। ন্যায়ালয়ত মই মিছা কথা কোৱা বাবে ন্যায়ধিকাৰীয়ে মোৰ শিৰচ্ছেদৰ আদেশ দিব। সেইবাবেই মোৰ আঁচনি সফল কৰাত তুমি মোক সহায় কৰিব লাগিব। মোৰ আঁচনিমতে কাম কৰিলে আমি সন্মানৰে জীৱন-যাপন কৰিব পাৰিম।’’

শেষত দুষ্টবুদ্ধিৰ পিতাকে দুষ্টবুদ্ধিৰ আঁচনি মানি ললে। সেই ৰাতিয়েই দুষ্টবুদ্ধিয়ে পিতাকক জংঘললৈ লৈ গ’ল আৰু কোনেও দেখা নোপাৱাকৈ সেই গছজোপাৰ খোৰোঙত লুকাই থাকিবলৈ কলে।

পিছদিনাখন ৰাতিপুৱাই গা-পা ধুই দুষ্টবুদ্ধি সেই ঠাই পালেগৈ। অলপ পৰৰ পিছতে ন্যায়ধিকাৰী আৰু ধৰ্মবুদ্ধিও আহি পালেহি। তেতিয়া দুষ্টবুদ্ধিয়ে উচ্চ স্বৰত বৃক্ষ দেৱতাক উদ্দেশ্যি কলে, ‘‘হে বৃক্ষ দেৱতা, মনুষ্যই যি কাম কৰে সেই কামৰ বিষয়ে সূৰ্য, চন্দ্ৰ, নক্ষত্ৰ, পঞ্চভূত, অন্তৰাত্মাৰ লগতে বৃক্ষ দেৱতায়ো জানে। গতিকে তুমি আমাক এই কথা কোৱা যে মোৰ আৰু ধৰ্মবুদ্ধিৰ মাজত চোৰ কোন?’’

গছৰ খোৰোঙত আগৰে পৰা লুকাই থকা দুষ্টবুদ্ধিৰ পিতাকে কলে, ‘‘সোণৰ মোহৰ চুৰ কৰা ব্যক্তিজন ধৰ্মবুদ্ধি।’’

এই কথা শুনি ধৰ্মবুদ্ধিয়ে ভাৱিলে, ‘বৃক্ষ

মিত্ৰ ভেদ – ২৮

দেৱতাই কেনেকৈ মিছা সাক্ষী দিব পাৰে? দেৱতাইটো সদায়েই সত্য কথা কয়। ইয়াত নিশ্চয় কিবা অভিসন্ধি আছে। দুষ্টবুদ্ধিয়ে নিশ্চয় গছৰ খোৰোঙত কাৰোবাক লুকুৱাই থৈছে। মই এই কপট দেৱতাক উচিত শিক্ষা দিম। কিন্তু মই বৰ সাৱধানেৰে আগবাঢ়িব লাগিব। কিয়নো ন্যায়ধিকাৰী হ'ল মূৰ্খ। তেওঁ নিশ্চয় এই কথা মানিয়েই ললে যে এই চুৰি কাৰ্যৰ বাবে ময়েই দায়ী।'

এইদৰে ভাৱি তেওঁ ন্যায়ধিকাৰীক কলে, "ধৰ্মাৱতাৰ, বৃক্ষ দেৱতাক প্ৰকট কৰি তেওঁৰ পৰা সঁচা কথা জানি লোৱাটো সঁচাকৈ বৰ অদ্ভুত কথা। বাস্তৱত মোৰ ধনৰ কোনো প্ৰয়োজন নাছিল। কিন্তু সেই সময়ত ধনৰ প্ৰতি থকা মানসিক দূৰ্বলতাৰ হেতু নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰি মই সেই ধন মনে মনে লৈ যাবলৈ চেষ্টা কৰিছিলো। মই ধন লৈ যোৱাৰ সময়ত এই ঠাইত এটা প্ৰকাণ্ড সৰ্প দেখা পালো। মোৰ এনে লাগিল যে মোৰ সেয়া শেষ সময়। লগে লগে চিন্তা কৰিলো যে ধন মই পুণৰ আৰ্জন কৰিব পাৰো, কিন্তু এবাৰ প্ৰাণ গলে উভতাই পোৱাটো টান। গতিকে মই দৌৰি প্ৰাণ ৰক্ষা কৰাৰ আগতে গোটেইখিনি ধন গছৰ খোৰোঙত লুকুৱাই থৈ গলো, যাতে আহি পিছত লৈ যাব পাৰো। মই সেই খোৰোঙত মোহৰখিনি থৈ দিয়াৰ পিছত সাপটোও সেই খোৰোঙলৈ সোমাই গ'ল। মই কিবা উপায়েৰে হলেও সেই সাপক বধ কৰি মোহৰখিনি উদ্ধাৰ কৰিম আৰু আপোনালোকক সঁপি দিম। যদি আপোনালোকে যদি অলপমান আঁতৰি দিয়ে, তেন্তে মই খোৰোঙৰ পৰা মোহৰখিনি উদ্ধাৰ কৰাৰ দিহা কৰো।"

ধৰ্মবুদ্ধিৰ কথাত ন্যায়ধিকাৰী মান্তি হ'ল

আৰু তেওঁ ধৰ্মবুদ্ধিক তেওঁৰ কাম কৰি যাবলৈ আদেশ দিলে।

ন্যায়ধিকাৰীৰ আদেশ পাই ধৰ্মবুদ্ধিয়ে শুকান খৰি, গছৰ পাত আনি সেই খোৰোঙত ভৰাই দিলে। তাৰপিছত তেওঁ সেই শুকান খৰিত জুই লগাই দিলে। তাকে দেখি দুষ্টবুদ্ধিৰ চেহেৰা শেঁতা পৰি গ'ল। তেওঁ খোৰোঙত লুকাই থকা পিতাকৰ কথা ভাৱি চিন্তিত হৈ পৰিল। সত্য প্রকট হৈ পৰাৰ আশংকা কৰি তেওঁৰ ভয়ো লাগিল।

আতি সোনকালেই জুয়ে গোটেই খোৰোঙটো আৱৰি ধৰিলে। খোৰোঙৰ ভিতৰখন ধোঁৱাৰে ভৰি পৰিল। ভিতৰত লুকাই থকা দুষ্টবুদ্ধিৰ পিতাকে উশাহ-নিশাহ লব নোৱাৰা হ'ল। তেওঁৰ চকুৰ পৰা পানী ওলাই আহিল। শেষত সহ্য কৰি থাকিব নোৱাৰি তেওঁ আৰ্তনাদ কৰি গছৰ খোৰোঙৰ পৰা বাহিৰলৈ ওলাই আহিল।

তাকে দেখি ন্যায়ধিকাৰীয়ে সুধিলে, "এয়া কি ঘটিছে?"

"এয়া মোৰ পুত্ৰ দুষ্টবুদ্ধিৰ চক্ৰান্ত।" এইবুলি কৈ তেওঁ প্ৰাণ ত্যাগ কৰিলে। ন্যায়ধিকাৰীয়ে সকলো কথা বুজি পাই দুষ্টবুদ্ধিক দোষী সাব্যস্ত কৰিলে আৰু তেওঁক সেইজোপা গছৰ ডালতে ফঁচী দিয়া হ'ল। তাৰপিছত সকলোৱে ধৰ্মবুদ্ধিৰ উপস্থিত বুদ্ধিৰ প্ৰশংসা কৰিলে।

কৰটকে দমনকক দুষ্টবুদ্ধিৰ এই কাহিনী শুনাই কলে, "মূৰ্খ, তোমাৰ অদূৰদৰ্শিতাৰ হেতু তুমি এই কাৰ্য কৰি কেৱল নিজৰেই যে ক্ষতি সাধন কৰিলা এনে নহয়, বৰঞ্চ মোৰ লগতে মোৰ পৰিয়ালৰ বাবেও তুমি অসুবিধাৰ সৃষ্টি কৰিলা। মূৰ্খৰ কাম সদায় এনেকুৱাই হয়। কন্দলপ্রিয় তিৰোতাৰ বাবে পৰিয়ালৰ মাজত সম্পত্তিৰ ভাগ-বটোৱাৰা কৰিবলগীয়া হয়, একেদৰেই তুমি তোমাৰ নীচ স্বভাৱ আৰু চিন্তাৰ বাবে পিংগলক আৰু সঞ্জীৱকৰ মাজত থকা বন্ধুত্ব নাইকীয়া কৰি শত্ৰুতাৰ সৃষ্টি কৰিলা। তুমি ইমানেই গজ মূৰ্খ যে নিগনীয়ে লোহা খোৱাৰ কাহিনীও হয়তো বিশ্বাস কৰিবা।"

"সেইটো কি কাহিনী?" দমনকে সুধিলে। কৰটকে কাহিনী কবলৈ ধৰিলে –

(ক্ৰমশঃ)





আঞ্জা দিয়া হেতা

গোবিন্দ আৰু ৰাম আছিল চুবুৰীয়া। এদিনাখন ৰামে গোবিন্দৰ ওচৰলৈ গৈ কলে, ‘‘আমাৰ কাষৰ চহৰখনৰ এজন মানুহৰ পৰা মই অলপ টকা পাবলগীয়া আছে। মই আজি তালৈ গৈ সেই টকা সংগ্ৰহ কৰাৰ কথা ভাৱিছো। তুমি মোৰ লগত তালৈ যাবা নেকি?’’

গোবিন্দই উত্তৰ দিলে, ‘‘কিয় নাযাম? সেই চহৰত মোৰো অলপ কাম আছে। কিন্তু আজিৰ দিনটো বৰ ভাল নহয়। কালিলৈৰ দিনটো বৰ ভাল। আমি কালিলৈ ৰাতিপুৱাই যাও বলা।’’ গোবিন্দ অলপ অন্ধবিশ্বাসী আছিল। তেওঁ শুভ সময় বা দিন গণনা নকৰাকৈ কোনো কামেই নকৰিছিল। ৰামে এই কথা ভালকৈয়ে জানিছিল। সি অনুভৱ কৰিলে যে গোবিন্দৰ বাবে তাৰ কাম পিচুৱাই নিদিয়াই ভাল হব। কিন্তু ইতিমধ্যেই যিহেতু সি গোবিন্দক তাৰ লগত যাবৰ বাবে অনুৰোধ কৰিলে, গতিকে এইবাৰ একেলগে যাবলৈকে থিক কৰিলে।

পিছদিনাখন পুৱাই দুয়ো কাষৰীয়া চহৰখনলৈ বুলি ৰাওনা হ’ল। ওলাই যাওতেই তেওঁলোকে গাৱৰে গুৰুনাথক দেখা পালে। গোবিন্দই ৰামক কলে, ‘‘আমি ঘূৰি ঘৰৰ ভিতৰলৈ যাও বলা। এক মিনিটমান বহি তাৰ পিছত যাত্ৰা আৰম্ভ কৰিম।’’ তাৰপিছত গুৰুনাথ পাৰ হৈ নোযোৱালৈকে দুয়ো ঘৰৰ ভিতৰতে থাকিল আৰু সি পাৰ হৈ যোৱাৰ পিছতহে পুণৰ যাত্ৰা আৰম্ভ কৰিলে।

ৰামে গোবিন্দক সুধিলে, ‘‘গুৰুনাথক দেখাতো অমংগলীয়া নেকি?’’

‘‘অমংগলৰ কথা নহয়। সি বৰ কথা চেলেপু। সি আমি যোৱাৰ কথা গম পালে কলৈ গৈছো, কিয় গৈছো সকলো কথা খুচৰিবলৈ আৰম্ভ কৰিব। সেই সকলোবিলাক

জি নিৰ্মলা দেৱী

কথা জানিব নোৱাৰালৈকে সি ক্ষান্ত নহয়।" গোবিন্দই কলে।

"মই শুনিছো যে সি সদায় চহৰৰ গ্ৰন্থালয়লৈ গৈ তাত বাতৰিকাকত আৰু কিতাপ পঢ়ি কটায়। এই কথা সঁচানে বাৰু?" ৰামে পুণৰ সুধিলে।

"আমিনো বাৰু তাৰ বিষয়ে কিয় কথা পাতিব লাগে। অলপ খৰকৈ যাও বলা।" গোবিন্দই যেন বিষয়টো সমাপ্ত কৰিব বিচাৰিলে।

তেওঁলোকে দুয়ো গৈ সোনকালেই চহৰখনত উপস্থিত হ'ল। প্ৰথমতে যিজন মানুহৰ পৰা ৰামে টকা পাবলৈ আছিল, তেওঁৰ ওচৰলৈ গ'ল। তাত তেওঁলোকে জানিব পাৰিলে যে সেইদিনা পুৱা তেওঁ কাষৰে গাওঁ এখনলৈ গ'ল আৰু দুদিনৰ ভিতৰত উভতি নাহে। ৰাম হতাশ হ'ল। তাক টকাৰ প্ৰয়োজন আছিল। সি চিন্তা কৰিলে-সি যেতিয়া আহিম বুলি ভাবি আছিল, ঠিক তেতিয়া অহা হলেই মানুহজনক লগ পালেহেতেন। দিন শুভ নহয় বুলি যাত্ৰা পিছুৱাই দিয়া বাবেই তেওঁৰ অনাহকত সময় আৰু অৰ্থ দুয়োটাই হানি হ'ল।

তাৰপিছত তেওঁলোক দুয়ো গোবিন্দৰ কামৰ বাবে বজাৰলৈ গ'ল। গোবিন্দই তেওঁৰ সন্তানৰ বাবে পাঠ্যপুথি ক্ৰয় কৰিব বিচাৰিছিল। কিন্তু সেইদিনা দোকানবিলাক বন্ধ আছিল। দোকানৰ মালিকসকলে কিবা কথাৰ বিৰুধিতা কৰি বন্ধ পালন কৰিছিল। সেই কামো নহ'ল। দুয়ো বৰ হতাশ হ'ল।

তাৰপিছত দুয়োৰে ভোক লাগিল। আনদিনা খোৱা নিৰামিষাহৰী হোটেলখনো সেইদিনা বন্ধ হৈ আছিল। মানুহে তেওঁলোকক কলে যে কাষৰটো গলিতে আন এখন সৰু হোটেল আছে। দুয়োজনে সেই হোটেল খনলৈ বুলি গ'ল। হাত-মুখ ধুই বহিল। হোটেলত কাম কৰা ল'ৰাটোৱে তেওঁলোকৰ আগত দুখন কাঁহী ৰাখি সুধিলে, "আপোনালোকে নিৰামিষ খাবনে, আমিষ খাব?" এই কথা শুনি গোবিন্দ লগে লগে তাৰ পৰা উঠিল আৰু ৰামকো তাৰ পৰা ওলাই আহিবৰ বাবে কলে।

কাম নোহাৱাৰ বাবে ৰামৰ গোবিন্দৰ ওপৰত এনেয়ে খং উঠি আছিলেই। সি বহা ঠাইৰ পৰা লৰচৰ নকৰি কলে, "ইয়াত খোৱাত মোৰ কোনো অসুবিধা নাই।" তাৰপিছত তেওঁ হোটেলৰ ল'ৰাটোক নিৰামিষ ভাত দিবলৈ কলে।

গোবিন্দই গৈ হোটেলৰ মেনেজাৰক অনুৰোধ কৰিলে যে তেওঁ এখন বেলেগ টেবুলত কলপাতৰ ওপৰত খাদ্য পৰিবেশন কৰিব লাগে। ২০ টকা বেছিকৈ লৈ হোটেলৰ মালিকে গোবিন্দই বিচৰা ধৰণেৰে সকলো সুবিধা কৰি দিলে।

খোৱা-বোৱা সমাপ্ত কৰি দুয়ো ঘৰলৈ বুলি উভতি খোজ ললে। বাটত গোবিন্দই কলে, ‘‘তুমি মোৰ লগত বেলেগ এখন টেবুলত কলপাতত খাব লাগিছিল।’’

‘‘হয় নেকি? কিন্তু মই বেলেগকৈহে ভাৱো।’’ ৰামে কলে।

‘‘কি বেলেগকৈ ভাৱা?’’ গোবিন্দই সুধিলে। ৰামে কওঁ নকওঁকৈ কলে, ‘‘আমাক ভাত দিয়া ল’ৰাটোৱে আমিষ খাদ্য দিবলৈ যিখন হেতা ব্যৱহাৰ কৰে সেই একেখনেই ব্যৱহাৰ কৰিছিল।’’

এই কথা শুনি গোবিন্দ অবাক হ’ল। ৰামে পুণৰ কলে, ‘‘আমাৰ লগত এনেকুৱাই হোৱা উচিত। যদি আমি শুভ অশুভ চিন্তা কৰি নাথাকি কালিয়েই আহিলোহেতেন, তেন্তে আমাৰ দুয়োটা কাম সিদ্ধি হ’লহেতেন। তাৰোপৰি তেতিয়া আমি সেই পুৰণা হোটেলখনতে ভাত খাব পাৰিলোহেতেন। অন্তত, গুৰুনাথক দেখি সেইদৰে ঘৰৰ ভিতৰত লুকাব নালাগিছিল।

আমি হয়তো তেওঁৰ পৰা গম পালোহেতেন যে আজি কিতাপৰ দোকানবিলাক বন্ধ থাকিব। সি নিশ্চয় সেই কথা বাতৰি কাকতত পঢ়িছিল। তেতিয়া আমি আমাৰ যাত্ৰা দুদিনমান পিছুৱাই দিব পাৰিলোহেতেন। মোৰ এনে অনুভৱ হয় যে আমি গুৰুনাথক অনাহকত অপমান কৰি থাকো। আমি আমাৰ বিশ্বাস ইমানলৈকেহে মানিব লাগে যে যাৰ পৰা আনৰ অসুবিধাৰ সৃষ্টি নহয়।’’

ৰামে কি কব খুজিছে গোবিন্দই বুজিব পাৰিলে। ‘‘মই এতিয়াৰ পৰা সলনি হবলৈ চেষ্টা কৰিম।’’ সি কলে।

ৰাম সুখী হ’ল যে এখন আঞ্চা দিয়া হেতাৰ কাহিনীৰ ফলত অৱশেষত গোবিন্দৰ স্বভাৱ সলনি হ’ল।

প্ৰলয়

ব্ৰহ্মাই ধৰিত্ৰীত মানুহৰ সৃজন কৰি তেওঁলোকক কলে, "পুত্ৰসকল, যেতিয়ালৈকে মই প্ৰলয় সৃষ্টি নকৰো, তেতিয়ালৈকে তোমালোকে ইয়াত আৰামেৰে বাস কৰি থাকা।"

"প্ৰভু, প্ৰলয় কেতিয়া হব সেইকথা যদি আপুনি আমাক কয়, তেতিয়াহলে আমি ধৰিত্ৰীত কি কি কৰিব লাগিব তাক নিৰ্ণয় কৰিব পাৰিম।" মনুষ্যই কলে।

"প্ৰলয় কেতিয়া হব সেই কথা কবৰ বাবে মই এক ব্যৱস্থা কৰিম।" এইবুলি কৈ তেওঁ এডোখৰ ঠাইত তিনিডাল দণ্ড পুতিলে। তাৰপিছত তেওঁ প্ৰথমডাল দণ্ডত ৬৪ টা আঙুঠি সুমুৱাই দিলে। সেইবিলাক আকাৰত সমান নাছিল। সকলোতকৈ তলৰটো ডাঙৰ আছিল আৰু তাৰপৰা ক্ৰমান্বয়ে ওপৰলৈ আঙুঠিবিলাক সৰু আছিল। সকলোতকৈ ওপৰৰ আঙুঠিটো সবাতোকৈ সৰু আছিল।

তাৰপিছত ব্ৰহ্মাই তিনিজন ব্যক্তিক মাতি কলে, "মই তোমালোকক বৰ দিছো যে তোমালোকে প্ৰলয়লৈকে জীয়াই থাকিবা। তোমালোকৰ কাম এয়ে হব যে প্ৰথমডাল দণ্ডৰ পৰা তৃতীয় দণ্ডলৈ এই আঙুঠিবিলাকক ঠিক এই একেই ক্ৰমত সুমুৱাব লাগিব। ডাঙৰ আঙুঠিৰ ওপৰত সৰু আঙুঠি ৰাখিব পাৰিবা, কিন্তু সৰু আঙুঠিৰ ওপৰত ডাঙৰ ৰাখিব নোৱাৰিবা। দ্বিতীয় দণ্ডডাল তোমালোকে সাময়িকভাৱে আঙুঠি ৰাখিবৰ বাবে ব্যৱহাৰ কৰিব পাৰিবা। এই কাম তোমালোক তিনিওজনে পাল পাতি পাতি কৰিবা। যিদিনাই এই ৬৪ টা আঙুঠি এই একেই ক্ৰমত তৃতীয়ডাল দণ্ডত ৰাখি সম্পূৰ্ণ কৰিবা, সেইদিনাই প্ৰলয় হব। মোৰ কথা ভালদৰে বুজি লোৱা।" এইদৰে কৈ ব্ৰহ্মা অন্তৰ্ধ্যান হৈ পৰিল।

ডি কুৰংগেশ্বৰ ৰাও

তাৰপিছত ব্ৰহ্মাৰ দ্বাৰা নিযুক্ত তিনি ব্যক্তিৰ প্ৰথমজনে কাম আৰম্ভ কৰিলে। তেওঁ প্ৰথমতে সকলোতকৈ সৰু আঙুঠিটো লৈ দ্বিতীয় দণ্ডত ৰাখিলে আৰু তাতোকৈ ডাঙৰ আঙুঠিটোক তৃতীয়ডাল দণ্ডত ৰাখিলে। তাৰপিছত তেওঁ দ্বিতীয়ডাল দণ্ডৰ পৰা সৰু আঙুঠিটো লৈ তৃতীয়ডাল দণ্ডত থকা অলপ ডাঙৰ আঙুঠিটোৰ ওপৰত ৰাখিলে।

তাকে দেখি দ্বিতীয়জনে কলে, ''এই কামৰ বাবে বৰ বেছি সময়ৰ প্ৰয়োজন নহব। এই ধৰিত্ৰীত আমি মানুহবিলাকে বেছি সময় থাকিবলৈ নাপাম। ইমান কম সময়ত আমিনো কি কাম কৰিব পাৰিম।''

তৃতীয়জন ব্যক্তিয়ে একো নকলে। এক ঘণ্টা মানৰ ভিতৰতে পাচটামান আঙুঠি তৃতীয়ডাল দণ্ডলৈ স্থানান্তৰ কৰা হ'ল। তাতো তেওঁ ভয় নাখালে। তেওঁ হিচাপ কৰিলে যে যদি তিনিওজনে মিলি অবিৰাম সেই কাম কৰি থাকে, তেন্তে এদিনত তেওঁলোকে প্ৰায় এক লাখ বাৰ মান আঙুঠি ইফাল সিফাল কৰিব পাৰিব। কিমান বাৰ কৰিলে ব্ৰহ্মাৰ কাম সম্পূৰ্ণ হব, সেয়া হিচাপ কৰিবৰ বাবে তেওঁলোকক বহু সময় লাগিল।

তেতিয়া ধৰিত্ৰীত গণিত শাস্ত্ৰ নাছিল। গতিকে সেই ব্যক্তিয়ে গণিত শাস্ত্ৰৰ আৰম্ভ কৰিলে। তেওঁ সেই শাস্ত্ৰৰ সহায়ত গণনা কৰি উলিয়ালে যে সেই আঙুঠি বিলাকক মুঠ ১৮,৪৪৬,৭৪৪,০৭৩,৭০৯,৫৫৪, ৬১৫ বাৰ ইফাল সিফাল কৰিলেহে তৃতীয়ডাল দণ্ডলৈ আনিব পৰা যাব।

তেওঁ এয়াও হিচাপ কৰিলে যে এদিনত যদি এক লাখবাৰ ইফাল সিফাল কৰিব পৰা যায়, তেন্তে প্ৰায় এই কাম সম্পূৰ্ণ কৰিবৰ বাবে প্ৰায় পঞ্চাশ হেজাৰ কোটী বছৰৰ প্ৰয়োজন হব। তেওঁ বাকী দুজনক কলে, ''ভাইসকল, আমি এই কাম কৰা বন্ধ কৰিব পাৰো। পঞ্চাশ হেজাৰ কোটী বছৰ পৰ্যন্ত প্ৰলয় নাহে। এইখিনি সময়ত আমি বহু আচৰ্যজনক কাম কৰিব পাৰিম।''

তাৰপিছত তিনিওজনে মিলি গণিত শাস্ত্ৰৰ অভ্যাস কৰিবলৈ ধৰিলে। গণিত শাস্ত্ৰৰ বিকাশৰ লগে লগে আন আন শাস্ত্ৰৰ প্ৰাৰম্ভ হ'ল।

চতুৰ্থ চোৰ

এখন দেশত তিনিজন বৰ পাকৈত চোৰে বাস কৰিছিল। প্ৰতিদিন তেওঁলোকে চুৰ কৰা স্বত্বেও তেওঁলোকক কোনেও ধৰা পেলাব পৰা নাছিল। তেওঁলোকৰ নাম ললেই সেই দেশৰ সকলো প্ৰজাৰে বুকু কপি উঠিছিল। সেইদেশৰ ৰজাই চোৰ তিনিটাক ধৰিবৰ বাবে চেষ্টা কৰিলে। তেওঁ চোৰৰ ভেশ কৰি ৰাজ্যত ঘূৰি ফুৰিল।

এইদৰে কিছুদিন পাৰ হৈ গ'ল। ৰজাই ঘূৰি পকি সেই ঠাই পালেগৈ যে য'ত সেই তিনিচোৰে বাস কৰিছিল। ৰজা তাত উপস্থিত হোৱাৰ সময়ত সিঁহতে এই আলোচনা কৰি আছিল যে সেইদিনা কিদৰে চুৰ কৰিব পৰা যায়।

নতুন চোৰক দেখা পায়েই তিনিচোৰৰ সন্দেহ হ'ল। "তুমি কোন? ইয়ালৈ কি কামৰ বাবে আহিছা?" তেওঁলোকৰ এটাই সুধিলে।

"মই এটা চোৰ। তোমালোক পাকৈত চোৰ বুলি গম পাই ময়ো নিজৰ প্ৰতিভা তোমালোকক প্ৰদৰ্শন কৰিবলৈ আহিছো।" চোৰবেশী ৰজাই কলে।

চোৰ কেইটাই হাঁহি মাৰি কলে, "তুমি আমাৰ শক্তিৰ বিষয়ে আন মানুহৰ মুখৰ পৰা শুনা নাইনে?"

"নাই শুনা। মই তোমালোকৰ মুখৰ পৰাই শুনিব বিচাৰো।" ৰজাই কলে।

"যিমানেই ডাঙৰ তলা নহওক কিয় মই এক মিনিটতে খুলি পেলাব পাৰো।" প্ৰথমটো চোৰে কলে।

"মই মাটিৰ ওপৰত হাত ৰাখিয়েই এই কথা কব পাৰো যে ধন-সোণ ক'ত আছে।" দ্বিতীয়টো চোৰে কলে।

"যদি মই কাৰোবাক এবাৰ চাই লও, তেন্তে তাক মই বছৰ বছৰ ধৰি পাহৰি

এন কোধন্দা ৰামাইয়া

নাযাও। তৎক্ষণাত তাক চিনাক্ত কৰিব পাৰো।'' তৃতীয়টো চোৰে কলে।

''তোমাৰ প্ৰতিভাৰ বিষয়ে এতিয়া আমাক কোৱা।'' তিনিচোৰে ৰজাক কলে।

ৰজাই কি কব বুজিব নোৱাৰিলে। অলপ ভাৱি কলে, ''মই যদি মোৰ কেঞ্চা আঙুলি তললৈ কৰো, তেন্তে যিকোনো লোককে যমৰ ঘৰলৈ প্ৰেৰণ কৰিব পাৰো। আৰু যদি তৰ্জনী আঙুলি ওপৰলৈ কৰো, তেতিয়া যিকোনো লোককে মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিব পাৰো।''

চোৰবেশী ৰজাৰ কথা শুনি তিনিওটা চোৰ বৰ সুখী হ'ল। সিঁহতে চিন্তা কৰিলে যে এক শক্তিধাৰী পুৰুষ সিঁহতৰ লগত লগ হ'ল।

''আজি চুৰ কৰিবৰ বাবে কলৈ যোৱা যায় ?'' ৰজাই সুধিলে।

''তোমাৰ যি ইচ্ছা। যি ঠায়েই তুমি পচন্দ কৰিবা, আমি তালৈকে যাবলৈ সাজু আছো। তুমি আমাৰ শক্তি আৰু বুদ্ধিৰ উমান তাতেই পাবা।'' চোৰে কলে।

''ঠিক আছে, তেন্তে আজি আমি ৰাজভঁৰালত চুৰ কৰিবলৈ যাম। সাজু হোৱা তোমালোক।'' ৰজাই সিদ্ধান্ত দিলে।

তাৰ অলপ পৰৰ পিছতে চাৰিওজন ৰাজমহলৰ ফালে ৰাওনা হ'ল। পহৰাদাৰীৰ চকুত ধুলি দি তেওঁলোক ৰাজপ্ৰসাদৰ ভিতৰত সোমাল।

দ্বিতীয়টো চোৰে মাটিত হাত ৰাখি কলে, ''ৰজাৰ সম্পত্তি এই দিশত আছে। এইফালে বলা।'' চাৰিওটা চোৰ সেইদিশত আগবাঢ়িল। সিঁহত গৈ ৰাজভঁৰালৰ দ্বাৰ পালেগৈ। সেই দুৱাৰত এটা প্ৰকাণ্ড তলা লগোৱা আছিল। কিন্তু,

প্ৰথমটো চোৰে অতি সহজতেই সেই তলা খুলি পেলালে।

সেই সময়তে ৰজাই বাকী তিনিওটা চোৰে কব নোৱাৰাকৈ তাৰ পৰা গুচি গ'ল আৰু সিঁহতক বন্দী কৰিবৰ বাবে সৈনিক প্ৰেৰণ কৰিলে। তিনিওটা চোৰেই হাতে-লোটে ধৰা পৰিল।

পিছদিনাখন দৰবাৰলৈ চোৰ তিনিটাক বিচাৰৰ বাবে অনা হ'ল। সিংহাসনত ৰজাক বহি থকা দেখি তৃতীয়টো চোৰে কলে, ''এয়াটো সেই মানুহটো আছিল, যি আমাৰ লগত মিলি চুৰ কৰিবলৈ আহিছিল।''

যেতিয়া বিচাৰ শেষ হ'ল তেতিয়া ৰজাই নিজৰ কেঞ্চা আঙুলি তললৈ কৰিলে। চোৰ কেইটাক ফাঁচীৰ দণ্ড দিয়া হ'ল।

পিছদিনাখন জাল্লাদে চোৰ তিনিটাক ফাঁচী কাঠৰ ফালে লৈ যাবলৈ ধৰিলে। এজন ৰাজ বিষয়াই আহি সিঁহতক সুধিলে, ''তোমালোকৰ কিবা শেষ ইচ্ছা আছে নেকি? আছে যদি কব পাৰা।''

''আমি ৰজাক এটা প্ৰশ্ন সুধিব বিচাৰো। সেয়ে আমাৰ শেষ ইচ্ছা।'' চোৰ তিনিটাই কলে।

চোৰ তিনিটাৰ শেষ ইচ্ছাৰ কথা ৰজাক অৱগত কৰোৱাত ৰজা তালৈ আহিল। তেওঁ সুধিলে, ''তোমালোকে মোক কি প্ৰশ্ন সুধিবলগীয়া আছে সেয়া সুধিব পাৰা।''

''মহাৰাজ, আমি সকলোৱেই নিজৰ নিজৰ প্ৰতিভা আপোনাৰ আগত প্ৰদৰ্শন কৰিলো। আপুনি আপোনাৰ শক্তি সম্বন্ধে দুটা কথা কৈছিল। তাৰ ভিতৰত আপুনি এটা কথাৰ প্ৰমাণ দিলে। আমি দ্বিতীয়টো কথাৰো প্ৰমাণ লাভ কৰি সুখী হৈ মৃত্যুবৰণ কৰিব খোজো।'' এটা চোৰে কলে।

ৰজাই হাঁহি এটা মাৰি তৰ্জনী আঙুলিটো ওপৰ কৰিলে। লগে লগে সৈনিক আহি চোৰ তিনিটাৰ বন্ধন খুলি দিলে। তেওঁলোকক ফাঁচীৰ শাস্তিৰ পৰা ৰেহাই দিয়া হ'ল।

তাৰপিছত সেই তিনিওটা চোৰে চুৰ কৰা বাদ দিলে। তেওঁলোকে ৰজাৰ আশ্ৰয়তে থাকি ৰজাৰ সেৱা কৰিবলৈ ধৰিলে।





এটা গজালৰ মূল্য

এখন গাৱঁত এজন দুখীয়া লোকে বাস কৰিছিল। তেওঁ নাম আছিল গোবিন্দ। তেওঁৰ ইতিমধ্যেই বিবাহ হৈ গৈছিল। তেওঁৰ দুটা সন্তানো আছিল। যিহেতু তেওঁৰ কোনো মাটি-বাৰী, ধন-সম্পত্তি নাছিল, গতিকে কঠোৰ পৰিশ্ৰম কৰি পৰিয়ালৰ ভৰণ-পোষণ কৰিবলগীয়া হৈছিল। তেওঁ দূৰ-দূৰণিলৈ খোজকাঢ়ি গৈছিল আৰু তাত দিন হাজিৰা কৰিছিল। এইদৰে কাম কৰি যি এটা টকা বা বস্তু-বেহানি পাইছিল তাৰেই যেনে তেনে পৰিয়ালৰ সৈতে পেটে-ভাতে খাই আছিল।

কিবা বস্তু বা সম্পদ পালেই গোবিন্দৰ সাঁচি থোৱাৰ আভ্যাস আছিল। তেওঁ দেউতাকে মৃত্যুৰ আগতে উপদেশ দিছিল, ''বোপা, কেতিয়াবা কেতিয়াবা সৰু-সুৰা বস্তুৰেই জৰুৰী কাম সমাধা কৰিব পাৰি।'' গোবিন্দই এই কথা পাহৰি যোৱা নাছিল।

এদিনাখন তেওঁ পথেদি গৈ থাকোতে দেখিলে যে মন্ত্ৰীৰ পুত্ৰই ঘোঁৰাত উঠি তীব্ৰ বেগেৰে আহি আছে। আহি গোবিন্দক পাৰ হৈ যোৱাৰ সময়তে ঘোঁৰাৰ পিছফালত ঠেঙৰ পৰা এটা নালৰ গজাল সুলকি পৰিল।

''ডাঙৰীয়া, ঘোঁৰাৰ নালৰ গজাল সুলকি পৰিল।'' গোবিন্দই চিঞৰিলে।

মন্ত্ৰীৰ ল'ৰাই পিছলৈ ঘূৰি চালে আৰু গুৰুত্ব নিদি গুচি গ'ল। তেওঁ ঘূৰি আহি এটা নালৰ গজাল বুটলি লোৱাটো সন্মান হানিকাৰক বুলি গণ্য কৰিলে। তাতে তেওঁ হাবিতলীয়া ৰাস্তাইদি ৰাজধানীলৈ গৈ আছিল বাবে সেই গজাল ইমান বেছি গুৰুত্বপূৰ্ণও নাছিল।

কিন্তু মন্ত্ৰীপুত্ৰই এইখিনিতে এটা ভুল কৰিলে। তেওঁ বেছি দূৰ যাবলৈ নাপালেই, ঘোঁৰাৰ ঠেঙৰ পৰা গোটেই নালটো সুলকি

পি গোবিন্দ ৰাও

গোবিন্দক দেখিয়েই তেওঁ মাত লগালে, ''ভাই, তোমাৰ ওচৰত ঘোঁৰাৰ নালত লগোৱা গজাল আছে নেকি? মোৰ অলপ লৰালৰি হৈছে। ৰাস্তাত কৰবাত পৰি থাকিল।''

গোবিন্দই তেওঁৰ লগত থকা গজালটো উলিয়াই লৈ শিল এটুকুৰাৰে মৰিয়াই ঘোঁৰাৰ নালতো লগাই দিলে। সেইটো সুন্দৰকৈ লাগি ধৰিল। সদাগৰজন এই কথাত বৰ সুখী হ'ল।

''সম্ভৱ তুমিও চহৰলৈকে যাবলৈ ওলাইছা। আহা, তুমি মোৰ লগতে যাব পাৰিবা।'' সদাগৰে কলে। তেওঁ গোবিন্দক লগতে লৈ গ'ল আৰু সেই সহায়ৰ প্ৰতিদান হিচাপে এটা সোণৰ মোহৰ দিলে।

পৰিল। যদি তেওঁ গোবিন্দৰ কথা শুনি সেই গজালটো লৈ ললেহেতেন, তেন্তে যেনে তেনে নালটো পুণৰ লগাই লব পাৰিলেহেতেন। ঘোঁৰা নাল নোহোৱাৰ বাবে আগুৱাব নোৱাৰা হোৱাত তেওঁ ঘোঁৰাৰ পৰা নামি খোজকাঢ়ি যাবলৈ ধৰিলে। এইদৰে জংঘলৰ মাজত অকলে যোৱা দেখি ডকাইতে তেওঁক আগুচি ধৰিলে আৰু তেওঁক এজোপা গছত বন্ধি সকলো লুট কৰি লৈ গ'ল।

ইতিমধ্যে গোবিন্দই সেই ঘোঁৰাৰ নালৰ গজাল ভালদৰে লগত লৈ গৈ থাকিল। অলপ দূৰ যোৱাৰ পিছত এখন গাড়ী বৈ থকা দেখা পালে। গাড়ীৰ ঘোঁৰাৰ নালৰ এটা গজাল সুলকি কৰবাত পৰাৰ বাবে গাড়ী আগুৱাব পৰা নাছিল। গাড়ীৰ কাষতে এজন সদাগৰ বৈ আছিল।

ইমান সৰু কাম এটাৰ প্ৰতিদানত এটা মোহৰ দিয়া দেখি গোবিন্দৰ চকু কপালত উঠিল। সেই মোহৰটোৰে তেওঁৰ পৰিয়ালৰ এমাহ ধৰি ভৰণ-পোষণ কৰিব পৰা যাব। যি কথা তেওঁৰ পিতাকে কৈছিল সেই কথা আখৰে আখৰে সত্য প্ৰমাণিত হ'ল।

চহৰৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত গোবিন্দই এমাহৰ বাবে পৰিয়ালে খাব পৰাকৈ বস্তু-বেহানি কিনি আনিলে। তেওঁ জংঘলৰ মাজৰ ৰাস্তাইদি আহিবলৈ ধৰিলে। সেই পথেদি তেওঁ গাওঁ ওচৰ আছিল।

আহি থাকোতেই পথৰ কাষতে থকা এজোপা গছৰ তলৰ পৰা এটা আৰ্তনাদ ভাঁহি অহা শুনা পালে।

গোবিন্দই তেওঁৰ বস্তু-বেহানি অনা মোনাটো এটা জোপোহাৰ আঁৰত লুকুৱাই

থৈ সেই গছজোপাৰ ওচৰলৈ গ'ল। তাত তেওঁ তিনিটা শিশুৰে সৈতে এগৰাকী স্ত্ৰী দেখা পালে। সকলোৰে অৱস্থা দুখলগা আছিল।

সেই স্ত্ৰীগৰাকীয়ে কলে যে তেওঁ এজন কোটীপতি সদাগৰৰ পত্নী আৰু সেইকেইটা তেওঁলোকৰেই সন্তান। তেওঁ আৰু কলে, ''পৰহিদিনা ৰাতিপুৱা আমি সকলো জংঘলৰ মাজত ফুৰিবলৈ আহিছিলো। সন্তান কেইটাইও ফুল চিঙিবৰ বাবে গৈ জংঘলৰ মাজত সোমাল। সিঁহত জংঘলৰ মাজত হেৰাব বুলি মই সিঁহতৰ পিছে পিছে গলো। এইদৰে সিঁহতৰ পিছে পিছে ঘূৰি ফুৰোতেই আন্ধাৰ হৈ আহিল। তাৰপিছত আৰু উভতি যোৱাৰ বাবে বাট বিচাৰি উলিয়াব নোৱাৰিলো। খোৱাবস্তুও একো লগত নাছিল। গতিকে ভোকে পিয়াহে আতুৰ হৈ পৰিলো আৰু বাট বিচাৰি উলিয়াবৰ বাবেও শক্তি নাইকীয়া হ'ল। মই মাজে মাজে চিঞৰিবলৈ ধৰিলো। কিন্তু আমাৰ মাত শুনি সহায় কৰিবলৈ কোনো নাহিল। আজি দুদিনৰ পিছত আপুনি ভগৱানৰ দৰেই আমাক দৰ্শন দিছেহি।'' কোটিপতি সদাগৰৰ পত্নীয়ে কলে।

''ভয় নকৰিব। মই আপোনালোকক বাট দেখুৱাই দিম। সকলোটি মোৰ লগত আহক।'' গোবিন্দই কলে।

''আমাৰ অৱস্থা ইমানেই শোচনীয় যে আমি ভালদৰে খোজেই কাঢ়িব নোৱাৰো। ভোকত প্ৰাণ যাও যাও অৱস্থা হৈছে।''

''ক্ষন্তেক ৰব। মই মোৰ বজাৰৰ মোনাটো লৈ আহো।'' এইবুলি কৈ গোবিন্দই দৌৰ মাৰি গৈ লুকুৱাই থোৱা মোনাটো লৈ আহিল। সেইটোৰ পৰা নিজৰ সন্তানলৈ অনা মিঠাই আদি উলিয়াই সকলোকে খাবলৈ দিলে। সকলোৱে তৃপ্তিৰে খালে। তাৰ পিছত গোবিন্দই সকলোকে জংঘলৰ পৰা বাট দেখুৱাই মূল পথলৈ লৈ আহিল আৰু কলে, ''এতিয়া মোক যাবৰ বাবে আজ্ঞা দিয়ক।''

''ভাই, মই অকলে ঘৰ উলিয়াবগৈ নোৱাৰিম। অনুগ্ৰহ কৰি আমাক ঘৰত থৈ আহাগৈ।'' মহিলাগৰাকীয়ে কলে।

কথামতেই গোবিন্দই মহিলাগৰাকী আৰু তেওঁৰ সন্তান কেইটাক ঘৰত থবলৈ গ'ল। তেওঁ সকলোকে ঘৰত থৈ উভতি আহিবলৈ লওতেই মহিলাগৰাকীয়ে গোবিন্দৰ হাতত এটা সৰু মোনা দিলে।

গোবিন্দই সেই মোনাটো খুলি দেখিলে যে তাত আঠটা সোণৰ মোহৰ আছে। তেওঁ নিজৰ চকুকেই বিশ্বাস কৰিব নোৱাৰিলে। তেওঁ কেতিয়াও ভবা নাছিল যে ঘোঁৰাৰ নালৰ এটা সামান্য গজালৰ পৰা তেওঁ ইমান বেছি লাভন্বিত হব। তেওঁ বজাৰৰ পৰা আৰু কিছু সামগ্ৰী কিনি মোনাটোত ভৰালে আৰু জংঘলৰ ৰাস্তাইদিয়েই পুণৰ ঘৰলৈ উভতি আহিল।

তেওঁ জংঘলেদি ঘৰলৈ উভতি আহি থাকোতেই কোনোবা লোকৰ চিঞৰ শুনা পালে। সেই দিশত গৈ তেওঁ দেখিলে যে এজন যুৱকক গছ এজোপাত কোনোবাই বান্ধি থৈছে। সেয়া আছিল মন্ত্ৰীৰ পুত্ৰ। গোবিন্দই তেওঁক দেখিয়েই চিনি পালে। সি ভোকে-পিয়াহে তেনেই শুকাই গৈছিল আৰু সহায় বিচাৰি চিঞৰি আছিল।

মন্ত্ৰীৰ পুত্ৰই গোবিন্দক সকলো কথা কৈ বান্ধোন খুলি দিবলৈ অনুৰোধ কৰিলে। গোবিন্দই তেওঁৰ বান্ধোন খুলি দিলে। তাৰপিছত গোবিন্দই মন্ত্ৰী পুত্ৰক ঘৰলৈ লৈ আহিল আৰু পেট ভৰাই খাবলৈ দিলে।

"মহাশয়, ঘোঁৰাৰ নালৰ এটা সামান্য গজালৰ বাবে আপোনাৰ ইমান লোকচান হ'ল আৰু সেই গজালটোৰ বাবেই মোৰ বহু লাভ হ'ল।" এইবুলি গোবিন্দই সেইদিনা ৰাতিপুৱাৰে পৰা গধুলিলৈকে ঘটা গোটেই ঘটনাবিলাক বিৱৰি কলে।

সকলো কথা শুনি মন্ত্ৰী পুত্ৰই গোবিন্দক কলে, "গোবিন্দ, তোমাৰ দৰেই এজন লোক মই বিচাৰি ফুৰিছো, যি মোৰ সহকাৰী হব পাৰে। তুমি এজন বৰ ভাল মানুহ। তুমি মোৰ লগত চহৰলৈ আহা আৰু মোৰ সহায়কাৰী হিচাপে কাম কৰা। তোমাৰ পৰিয়ালক থাকিবলৈ মই এটা সুন্দৰ ঘৰৰ ব্যৱস্থা কৰি দিয়াৰ ওপৰিও তোমাক মই উচিত বেতন দিম।"

পিছদিনাখনেই গোবিন্দই নিজৰ পৰিয়ালক লৈ চহৰলৈ গমন কৰিলে। তাৰপিছত তেওঁ মন্ত্ৰী পুত্ৰৰ সহায়কাৰীৰ কাম কৰি এক সুখৰ জীৱন যাপন কৰিলে।

ৰন্ধনৰ ৰাণী

এবাৰ, চহৰৰ মাজত ফুৰি ফুৰোতে ৰজা কৃষ্ণদেৱ ৰায়ে দেখিলে যে এজনী বৃদ্ধাই মিঠাই, পিঠা আদি সামগ্ৰী বিক্ৰী কৰি ফুৰিছে। তেওঁ কাষেদি পাৰ হৈ যাওতে সেইবিলাকৰ গোন্ধ আহি নাকত লাগিল আৰু সেই গোন্ধে তেওঁৰ ভোক বৃদ্ধি কৰি তুলিলে।

সেয়া আছিল আবেলি সময়। এনেয়েও তেওঁৰ অলপ অলপ ভোক লাগিয়েই আছিল। তেওঁ তৎক্ষণাত সেই বৃদ্ধাগৰাকীৰ কাষলৈ গ'ল আৰু কলে, ''আইতা, মোক চাৰিটা মিঠাই দিয়া।''

লগে লগে বৃদ্ধাই তেওঁক কেইটামান মিঠাই আৰু পিঠা দিলে। সেইবিলাক বৰ সুস্বাদু আছিল। তেওঁ আৰু কেইটামান দিবলৈ অনুৰোধ কৰিলে। তাৰ পিছত তেওঁ বৃদ্ধাগৰাকীক সুধিলে, ''আইতা, তোমাৰ নাম কি?''

''মহাশয়, মোৰ নাম হ'ল মেঘাৱতী। মোক সকলোৱে বুঢ়ী বুলিয়েই কয়। মোৰ পতিয়ে মোক মেঘা বুলি মাতিছিল।''

''তোমাৰ বয়সটো সত্তৰ বছৰতকৈও বেছি হোৱা যেন লাগিছে। তুমি এতিয়াও এইদৰে মিঠাই বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছা। তোমাক চোৱা চিতা কৰিবৰ বাবে কোনো নাই নেকি?'' ৰজাই সুধিলে।

''মোৰ পতিৰ মৃত্যু হোৱা চাৰি বছৰ হ'ল। আমাৰ কোনো সন্তান নাছিল। তেওঁ মই তৈয়াৰ কৰা এইধৰণৰ মিঠাই আৰু পিঠা খাই বৰ ভাল পাইছিল। এদিন উৎসৱৰ দিনা তেওঁ অধিক মিঠাই আৰু পিঠা খোৱাৰ ফলতে তেওঁ মৃত্যু মুখত পৰিল।'' বৃদ্ধাই কলে। তেওঁৰ চকুপানী ওলাই আহিল।

ৰজাই তেওঁক মিঠাই দিয়া পাতখন আৰু কেইটামান মিঠাইৰ বাবে আগবঢ়াই দিলে।

পি কৃষ্ণমূৰ্তি

তেওঁ সুধিলে, “তুমি এই মিঠাই তৈয়াৰ কৰিবলৈ ক'ত শিকিলা?” ৰজাই সুধিলে।

“মোৰ মায়ে এই মিঠাই তৈয়াৰ কৰিবলৈ মোক শিকাইছিল। তেওঁ মোক কৈছিল যে বিপদৰ সময়ত এই বিদ্যা কামত আহিব। মই আন ধৰণৰো মিঠাই বনাব জানো। মোৰ চুবুৰীয়াই উৎসৱ আদিৰ সময়ত মোৰ পৰা মিঠাই কিনি নিয়ে। উৎসৱ আদি নাথাকিলে মই মিঠাই তৈয়াৰ কৰি বিক্ৰী কৰো। মোৰ পতিয়ে মোক কৈছিল যে মই তৈয়াৰ কৰা মিঠাই খাবলৈ পোৱা লোক হ'ল ভাগ্যবান। তেওঁ কেইটামান খোৱাৰ পিছত সদায় আৰু বিচাৰিছিল, যেনেদৰে এতিয়া আপুনি মোৰ পৰা বিচাৰি আছে।”

ৰজাই বৃদ্ধাৰ ওচৰত থকা সকলো মিঠাই খাই শেষ কৰিলে। তেওঁ মিঠাইৰ মূল্য পৰিশোধ কৰি কলে, “আইতা, আপুনি তৈয়াৰ কৰা মিঠাই খাবলৈ পোৱাটো সঁচাই ভাগ্যৰ কথা। আশাকৰো যে মই সদায় আপুনি তৈয়াৰ কৰা মিঠাই খাবলৈ পাম।”

“আপুনি সদায় আহি মোৰ মিঠাই খাব পাৰে।” বৃদ্ধাই কলে।

পিছদিনাখন–

ৰজাৰ এজন কৰ্মচাৰী আহি সেই বৃদ্ধাক কলে, “ৰজাই আপোনাক ৰাজসভালৈ লৈ যাবলৈ কৈছে। মোৰ লগত আহক।”

বৃদ্ধা মেঘাৱতীয়ে এই কথা শুনি ভয় খালে। “কিয়? মই কিবা ভুল কৰিলো নেকি?”

“মই নাজানো, আপুনি কালি ৰজাক মিঠাই খাবলৈ দিছিল। সেইবাবেই তেওঁ আপোনাক ৰাজসভালৈ লৈ যাবলৈ কৈছে।”

“সেয়া সঁচাকৈ ৰজা আছিল নেকি? মই চিনিয়েই নাপালো। পিঠাত অলপমান নিমখ বেছি হৈছিল। মিঠাইয়ো অলপ কম মিঠা আছিল। মইনো কেনেকৈ জানো যে ৰজা নিজেই মিঠাই খাবলৈ আহিব। মই কোনোবা সাধাৰণ গ্ৰাহকহে আশা কৰিছিলো। গতিকে মই বৰ সাৱধানেৰে মিঠাই তৈয়াৰ কৰা নাছিলো। মোৰ ক্ষমা কৰি দিবলৈ আপুনি ৰজাক অনুৰোধ কৰক।” বৃদ্ধাই কৰ্মচাৰীজন কাবৌকোকালি কৰিলে।

“তেওঁৰ খং উঠি থকা যেন নালাগিল। তাৰোপৰি মই নাভাবো যে আপোনাৰ দৰে এগৰাকী বৃদ্ধাক তেওঁ খং কৰিব।” এইবুলি কৈ কৰ্মচাৰীজনে বৃদ্ধাক ৰাজসভালৈ লৈ গ'ল।

তেওঁলোকে গৈ ৰাজসভা পালেগৈ। ৰজা

সিংহাসনত বহি আছিল। বৃদ্ধা মেঘাৱতীয়ে ৰজাক সেৱা কৰিলে।

ৰজাই বৃদ্ধাক ওচৰলৈ আহিবলৈ কলে। তেওঁ ভয় ভয়কৈ ওচৰ চাপি গ'ল। ৰজাই কলে, ''অনুগ্ৰহ কৰি ভয় নাখাবা। মই তোমাৰ একো অনিষ্ট নকৰো।''

ৰজাই বৃদ্ধালৈ আঙুলিয়াই ৰাজসভাক উদ্দেশি কলে, ''এইগৰাকী সত্তৰ বছৰ বয়সীয়া মহিলাই কঠোৰ পৰিশ্ৰম কৰে আৰু তেওঁ স্বাস্থ্যৱতী। তেওঁৰ কোনো কু-অভ্যাস নাই। তেওঁ মাকৰ উপদেশ মানি চলিলে যে সকলোৱেই এনে একোটা কৌশল শিকিব লাগে যে বিপদৰ সময়ত সেই কৌশল কামত আহে।

তেওঁ এগৰাকী পাকৈত ৰান্ধনী। তেওঁ বৰ সুস্বাদু মিঠাই আৰু পিঠা তৈয়াৰ কৰিব পাৰে। সেইবিলাক ইমানেই সোৱাদ যে কালি মই সকলো মিঠাই খাই শেষ কৰিলো। আজি তেওঁৰ সেই বিশেষ কৌশলৰ বাবে মই তেওঁক ৰাজসভালৈ নিমন্ত্ৰণ কৰি আনিছো। আমাৰ দেশৰ মহিলাসকলে তেওঁৰ পৰা শিক্ষা লোৱা উচিত।''

ৰজাৰ কথা শুনি বৃদ্ধা মেঘাৱতীৰ চকুৰ পৰা পানী ওলাই আহিল। তেওঁ আনন্দত অভিভূত হৈ পৰিছিল। কবলৈ তেওঁৰ ওচৰত একোৱেই নাছিল। তেওঁ হাতযোৰ কৰি কলে, ''আপুনি বৰ দয়ালু।''

''আপোনাৰ কৌশল শলাগিবলগীয়া। আপুনি তৈয়াৰ কৰা মিঠাই আৰু পিঠা বৰ সোৱাদলগা। সেয়া খালে এনে লাগে যে নিজৰ মাতৃয়ে সন্তানৰ বাবে তৈয়াৰ কৰি দিছে। মই প্ৰতিদিন আপুনি তৈয়াৰ কৰা মিঠাইৰ সোৱাদ লব বিচাৰো। মই আপোনাক ৰাজ ৰান্ধনিশালৰ চাকৰিত নিযুক্ত কৰিছো। মই আশাকৰো আপুনি আনবিলাক মহিলাকো আপোনাৰ এই বিশেষ কৌশলৰ শিক্ষা প্ৰদান কৰিব।

''মোৰ কি ভাগ্য! ৰজাই মই তৈয়াৰ কৰা মিঠাই খাই ভাল পালে আৰু তেওঁ সেয়া সদায় খাব বিচাৰে। মই জীয়াই থকালৈকে সদায়েই আপোনাৰ বাবে ৰান্ধি যাম। লগতে মোৰ কৌশল আন মহিলাসকলো শিকাম।'' বৃদ্ধা গৰাকীয়ে কলে।

মূৰ্খামি

এসময়ত হেলাপুৰী নামৰ গাৱত বাস কৰা নাগশ্যাম এক বেছ আৰ্থিকভাৱে সৱল পৰিয়ালৰ আছিল। কিন্তু পূৰ্বপুৰুষৰ সকলো সম্পত্তি শেষ হোৱাৰ পিছত তেওঁৰ নিজৰ বুলিবলৈ আনকি ঘৰ এটাও নোহোৱা হ'ল আৰু অৱশেষত এটা ভৰা ঘৰত থাকিবলৈ ললে। তৰ ওপৰিও তেওঁৰ ছজনী ছোৱালী আৰু চৰিটা ল'ৰাৰে এটা ডাঙৰ পৰিয়াল আছিল। তাৰে চাৰিজনী ছোৱালী বিয়া দিব পৰা বয়সৰ আছিল। সিঁহতক উচিত পাত্ৰ বিচাৰি বিয়া দিয়াৰ চিন্তাই নাগশ্যাম আৰু তেওঁৰ পত্নীক খুলি খুলি খাইছিল।

লক্ষ্মীদেৱীক পুজা অৰ্চনা কৰাৰ বাহিৰে সিঁহতৰ ওচৰত আন কোনো পথ খোলা নাথাকিল। নাগশ্যামে ঘৰৰ কোনেও নজনাকৈ ঘৰৰ পৰা ওলাই অৰণ্যলৈ গমন কৰিলে। তেওঁ লক্ষ্মীদেৱীক পুজা কৰি সন্তুষ্ট কৰিবৰ বাবে তাত এটা বেদী স্থাপন কৰিলে।

নাগশ্যামৰ ভক্তিত সন্তুষ্ট হৈ, দেৱী লক্ষ্মীয়ে তেওঁৰ আগত দেখা দিলে।

"মোৰ ভক্ত, মই তোমাৰ ভক্তিত সন্তুষ্ট হৈছো। মই তোমাৰ সমস্যাৰ কথা গম পাইছো। তোমাক কি লাগে সেই কথা মোক কব পাৰা। কিন্তু মনত ৰাখিবা যে মই তুমি কেৱল এবাৰেই সুধিব পাৰিবা। ভালকৈ চিন্তা কৰা আৰু কি লাগে তক মোক কোৱা। মোৰ বৰৰ ফলত তুমি তক লাভ কৰিব পাৰিবা।" দেৱী লক্ষ্মীয়ে কলে।

নাগশ্যামে তেওঁৰ প্ৰয়োজনীয়তাৰ কথা ভাৱিবলৈ ধৰিলে। ছজনী ছোৱালী বিয়া দিয়া, এটা ভাল ঘৰ, খেতিৰ পথাৰ, চাৰিটা পুত্ৰৰ সুখৰ জীৱনৰ ববে বাৰু কিমান ধনৰ প্ৰয়োজন হব। দেৱী লক্ষ্মীয়ে তেওঁক ইমান খিনি ধন দিব পাৰিবনে? নাগশ্যামৰ সন্দেহ হ'ল যে দেৱীয়ে তেওঁক সচাঁকৈ ইমান ধন দিব পাৰিবনে। তেওঁ অৱশেষত দেৱীক সুধি পেলালে,

"হে দেৱী, আপোনাৰ ওচৰত মুঠতে কিমান ধন আছে?"

"অসীম পৰিমাণৰ।" দেৱীয়ে উত্তৰ দিলে আৰু অন্তৰ্ধ্যান হ'ল।

– কে এন ভি অনজানেয়ুলু

ন্যায়ৰ চকুত সকলো সমান

এখন গাৱঁৰ এজন জমিদাৰৰ এজন গৰখীয়া আছিল। তাৰ এজনী নিজৰ গাই আছিল। সি মালিকৰ গাইবিলাকৰ লগতে নিজৰ গাইজনীকো সদায় চৰাবলৈ পথাৰলৈ লৈ গৈছিল।

এদিনাখন গৰখীয়াৰ গাই আৰু মালিক জমিদাৰৰ গাইৰ মাজত যুঁজ লাগিল। দুয়োজনী গায়েই বহুসময় ধৰি যুঁজ কৰি থাকিল। শেষত গৰখীয়াৰ গাইজনীয়ে জমিদাৰৰ গাইজনীক শিঙেৰে খুচি মাৰি পেলালে।

গৰখীয়াই লগে লগে মালিক জমিদাৰৰ ওচৰলৈ গৈ সুধিলে, ''মহাশয়, যদি আপোনাৰ গাই এজনীয়ে মোৰ গাইজনীৰ লগত যুঁজ কৰে আৰু যুঁজত তাই মৰি থাকে, তেন্তে আপুনি বিচাৰ কৰি কি ৰায় দিব?''

''ইয়াত বিচাৰ কৰিবলৈ কিটো আছে? যুঁজ কৰাটো জন্তুৰ স্বভাৱ। ইয়াত কোনে কি কৰিব পাৰে?'' জমিদাৰে উত্তৰ দিলে।

''সন্তুৰ মই কোৱা কথা আপুনি ভালকৈ নুশুনিলে। মোৰ গাইজনীয়ে যুঁজ কৰি আপোনাৰ গাই এজনীক মাৰি পেলালে। মোৰ ভয় আছিল যে তাৰবাবে আপুনি মোক শাস্তি দিব। কিন্তু যিহেতু যুঁজ কৰাটো জন্তুৰ স্বভাৱ আৰু কাৰোৰেই তাত একো কৰিবলগীয়া নাই, মই শাস্তি পোৱাৰ পৰা বাচি গলো।'' গৰখীয়াই হাঁহি মাৰি কলে।

দুই ঠগ

এখন দেশত দুটা ঠগ আছিল। দুয়োয়ে সাধুৰ বেশ ধৰি, গাৱে গাৱে ফুৰি এই কথা প্ৰচাৰ কৰি ফুৰিছিল যে সিঁহতে ভূতক বশ কৰিব পাৰে। অশুভ শক্তিৰ পৰা মুক্ত হৈ থাকিবৰ বাবে তাবিজ দিব পাৰে। এইদৰে সাধাৰণ মানুহক ঠগি তেওঁলোকে ধন আৰ্জন কৰিছিল। কোনোবাই তেওঁলোকৰ কথা ভালদৰে জনাৰ আগতেই এখন গাওঁ এৰি আন এখনত প্ৰৱেশ কৰিছিল। বয়সত ডাঙৰটোৱে নিজকে গুৰু বুলি পৰিচয় দিছিল আৰু সৰুটোৱে শিষ্য। মানুহক ঠগি যি ধন পাইছিল, সেয়া দুয়ো নিজৰ মাজত সমানে ভগাই লৈছিল।

যিহেতু তেওঁলোকে মানুহক ঠগিছিল, গতিকে একে ঠাইতে নাথাকি ঘূৰি ফুৰিছিল। এমাহত এঠাইত থাকিলে আনমাহত গৈ আন ঠাই পাইছিলগৈ। তথাপিও বদনাম তেওঁলোকৰ পিছে পিছে গতি কৰিছিল।

এবাৰ দুয়ো গৈ এখন গাওঁ পালেগৈ। সেই গাৱৰ এজন লোকে এই সাধুবেশী ঠগ দুজনৰ কথা জানিছিল। সেই লোকজনে সিঁহতক পথত দেখি কলে, ‘‘তোমালোক চোৰ, ঠগ।’’ লগে লগে তাত বহু মানুহ গোট খালে। দুয়ো ঠগকে জমা হোৱা লোকে মাৰ-পিট কৰি গাৱৰ বাহিৰ কৰি দিলে।

এই ঘটনাৰ পিছত, গুৰু শিষ্যই বেলেগে বেলেগ যাত্ৰা কৰাৰ সিদ্ধান্ত কৰিলে। গুৰুৱে বহু দিন যাত্ৰা কৰাৰ পিছত এখন ডাঙৰ নগৰত উপস্থিত হল। তেওঁ তাতে এখন ধৰমশালাৰ বাৰান্দাত বহি চকু মুদি ধ্যান কৰিবলৈ ধৰিলে।

এন মাধৱ ৰাও

তেওঁক ধ্যান কৰি থকা দেখি অলপ সময়ৰ ভিতৰতে তাত বহু লোকৰ সমাগম হ'ল। অলপ সময়ৰ পিছত গুৰুৱে চকু মেলি সকলোকে দেখি এটা হাঁহি মাৰিলে।

"গুৰুদেৱ, আপুনি কোন? ক'ৰ পৰা আহিছে? আপোনাৰ কি কি শক্তি আছে?" জমা হোৱা লোকসকলে সুধিলে।

"এনে কোনো কাম নাই, যি মই কৰিব নোৱাৰো। মই মন্ত্ৰ পঢ়ি বিভূতি দিলে সকলো ধৰণৰ ৰোগ নিৰাময় হয়। তাবিজ বান্ধি দিলে সকলো বিপত্তি আতৰি যায়। মই সকলো ধৰণৰ বেমাৰ ঠিক কৰিব পাৰো।" দাড়ি লৰাই লৰাই গুৰুৱে কলে।

দৰ্শকৰ মাজৰ কেইবাজনে মন্ত্ৰপুত বিভূতি ললে। আন কেইজনমানে তাবিজ ললে। হৰিদ্বাৰত মঠ নিৰ্মাণ কৰাৰ কথা কৈ গুৰুৱে তেওঁলোকৰ পৰা বেছ কিছু দক্ষিণা ললে। গুৰুৱে দক্ষিণা বিচৰাত তেওঁলোকৰ মাজৰে কেইজনমানে তাবিজ লব নুখুজিলে।

তেনে সময়তে শিষ্য আহি সেই ঠাইত উপস্থিত হ'ল। তেওঁ গুৰুক দেখি কলে, "আৰে, তই আহি এই ঠাই পালিহি। ভণ্ড সন্যাসী।" তাৰ পিছত তেওঁ তাত জমা হোৱা লোকসকলক কলে, "আপোনালোকে এই সন্যাসীৰ কথা বিশ্বাস নকৰিব। ই একেবাৰে ভণ্ড। কেইদিনমানৰ আগলৈকে মই ইয়াৰ শিষ্য আছিলো। ইয়াৰ মিঠা কথা মই বিশ্বাস কৰি লৈছিলো। এতিয়া মই সকলো বুজি পাইছো। আপোনালোকে ইয়াৰ কথা বিশ্বাস নকৰিব। পিছত ঠগ খাব।"

এই কথা শুনি বহু লোকে গুৰুক ধিক্কাৰ

দিবলৈ দিবলৈ ধৰিলে। তেওঁলোক নানা ব্যংগও কৰিবলৈ ধৰিলে।

গুৰুৰ পৰা তাবিজ কিনি লোৱা এজন লোক আগবাঢ়ি আহি গুৰুক কলে, ''এটা দুষ্টলোক আহি আপোনাক এইদৰে অপমান কৰিছেহি আৰু আপুনি এইদৰে মৌন হৈ বহি আছে। আপুনি আজ্ঞা দিলে আমি তাক ভালকৈ এখুন্দা দিও। তেতিয়াহে যদি তাৰ জ্ঞান হয়।''

''সি অজ্ঞানী। তোমালোকে তাক মাৰধৰ নকৰিবা। সি নিজৰ পাপৰ ফল নিজেই ভোগ কৰিব। ভগৱানে সকলো বিচাৰ কৰিব।''

এই কথা শুনি শিষ্য আৰু উত্তেজিত হৈ উঠিল আৰু কবলৈ ধৰিলে, ''তাকেই নকৈ আৰুনো কি কবি। মই তোৰ ভণ্ডামিৰ বিষয়ে ভালদৰেই জানো। যদি কোনোবাই মোৰ ওপৰত হাত তোলে, তেন্তে মই তোৰ ভণ্ডামিৰ মুখা খুলি দিম।''

মানুহবিলাকৰ এই বিশ্বাস হবলৈ ধৰিলে যে গুৰু সঁচাকৈয়ে ঠগ, ভণ্ড। কিন্তু তেনেসময়তে গুৰুৱে থিয় দি কলে, ''ভাই, তুমি এনেয়ে মোৰ বিষয়ে মিছা কথা কৈ আছা। তুমি কি এই ভাৱিছা যে এইসকল ধৰ্মপ্ৰাণ লোকে তোমাক বিশ্বাস কৰিব। ভগৱানে সকলো দেখি আছে। তুমি মূৰ্খ। যদি মই তুমি কোৱাৰ দৰে ভণ্ড, তেন্তে এই মূহূৰ্ততে এই বাৰান্দা মোৰ ওপৰত খহি পৰক। যদি তুমি মিছা কথা কৈছা, তেন্তে অচেতন হৈ পৰা।'' এইবুলি তেওঁ কমণ্ডলুৰ পৰা পানী একাজলি লৈ শিষ্যৰ গাত চটিয়াই দিলে।



সেই পানী গাত পৰাৰ লগে লগেই শিষ্য অচেতন হৈ বাগৰি পৰিল। অলপ সময় চটফটোৱাৰ পিছত তেওঁৰ দেহ স্থিৰ হৈ পৰিল।

"মৰিল, মৰিল" সকলো লোকে চিঞৰিবলৈ ধৰিলে। "এনে শক্তিধাৰী সাধুক অপমান কৰা ভাল কথা হোৱা নাছিল। সাধাৰণ সাধু বুলি ভাৱি সি মুখত যি আহে তাকে বকি পেলালে। এতিয়া তাৰ ফল সি হাতে হাতে পালে।" এজনে কলে।

"স্বামীজী, সি নাজানিহে এনে কাম কৰিলে। তাক ক্ষমা কৰি দিয়ক। নহলে সিফলীয়া হব।" আন এজনে গুৰুক খাতিৰ কৰি কলে।

গুৰুৱে মূৰ দুপিয়াই তেওঁৰ মোনাৰ পৰা এটা তাবিজ বাহিৰ কৰিলে। তাৰপিছত কিবা মন্ত্ৰ মাতি সেইটো শিষ্যৰ হাতত বান্ধি দিলে। তেওঁ কলে, "মই তোক ক্ষমা কৰি দিলো। উঠ।"

লগে লগে শিষ্য উঠি বহিল। সি এনে আচৰণ কৰিলে যে সি যেন শুই থকাৰ পৰাহে উঠি বহিছে। তাৰপিছত সি গুৰুৰ ভৰিত পৰি বিনাবলৈ ধৰিলে, "হে গুৰুদেৱ, অজানিতে কৰা ভুলৰ বাবে মোক ক্ষমা কৰি দিয়ক।"

"মই তোক ক্ষমা কৰি দিলো। এতিয়া ইয়াৰ পৰা যা। আগলৈ কেতিয়াও কোনো সাধুক এইদৰে অপমানজনক কথা নকবি।" গুৰুৱে কলে।

শিষ্য তাৰ পৰা গুচি গ'ল। তাৰপিছত গুৰুৰ পৰা বহুলোকে তাবিজ আদি কিনিবলৈ ধৰিলে। গুৰুৱে সেই ঠাইত তাবিজ বিক্ৰী কৰি বহু টকা উপাৰ্জন কৰিলে।

পিছদিনা গুৰুৱে সেই ঠাই এৰি আন ঠাইলৈ ৰাওনা হ'ল। অলপ দূৰ গৈ তেওঁ শিষ্যক দেখা পালে। উপাৰ্জিত ধন তেওঁলোকে সমানে সমানে ভগাই ললে। তাৰপিছত দুয়ো দুই দিশত গমন কৰিলে, যাতে আন এখন চহৰত এই একেই নাটক মঞ্চস্থ কৰি মানুহক মূৰ্খ বনাব পাৰে।

গুৰুৰ পৰীক্ষাৰ লক্ষ্য

বৈশালী ৰাজ্যৰ ৰজা চিত্ৰগুপ্ত আছিল এজন সুযোগ্য শাসক। তেওঁ সকলো প্ৰজাকে বৰ ভাল পাইছিল আৰু তেওঁলোকৰ যত্ন লৈছিল। তেওঁৰ কোনো সন্তান নাছিল। সন্তানহীনতাৰ বাবে তেওঁ লাহে লাহে অসুখী হৈ আহিবলৈ ধৰিলে আৰু ফলত তেওঁ ভালদৰে ৰাজ্য শাসন কৰাত সমস্যাৰ সন্মুখীন হ'ল।

ঋষি পৰমানন্দই এই উপদেশ দিলে যে যদি ৰজা-ৰাণীয়ে পুত্ৰকামনা যজ্ঞ কৰে, তেন্তে তেওঁলোকে নিশ্চয় সন্তান লাভ কৰিব। চিত্ৰগুপ্তই সেই পৰামৰ্শ মানি ললে। তেওঁ সমগ্ৰ ৰাজ্যৰ পৰা বিখ্যাত পুৰোহিত সকলক মতাই আনিলে, যাতে সুকলমে যজ্ঞ সমাধা কৰিব পৰা যায়।

সেই যজ্ঞ কৰাৰ এবছৰৰ ভিতৰতে ৰজা আৰু ৰাণীয়ে এহাল যমজ সন্তান লাভ কৰিলে। ৰাজগুৰুৰ পৰামৰ্শ অনুসৰি সিঁহতৰ নাম ৰখা হ'ল জয় আৰু বিজয়। ঠিক সেই সময়তে প্ৰধানমন্ত্ৰী সুনন্দয়ো এটা পুত্ৰ সন্তান লাভ কৰিলে। তাৰ নাম ৰখা হ'ল সুবুদ্ধি।

তিনিওটা শিশুকে দুয়োটা পৰিয়ালে বৰ ভাল পাইছিল। লাহে লাহে তিনিওটা শিশু ডাঙৰ হৈ আহিল। সিঁহতক লৈ সকলো বৰ সুখী আছিল। ৰাজ্যও সকলো দিশৰ পৰা ভালদৰে বিকাশ হৈ আছিল।

চিত্ৰগুপ্ত আৰু সুনন্দই তেওঁলোকৰ সন্তানক শিক্ষা লাভ কৰিবৰ বাবে ৰাজগুৰু পৰমানন্দৰ ওচৰলৈ প্ৰেৰণ কৰিলে। সুবুদ্ধি বৰ শান্ত আছিল আৰু তেওঁ সকলো কথা খৰচি মাৰি শিকি গ'ল ৰজাৰ সন্তান জয় আৰু বিজয়ে নিজৰ ভিতৰতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ধৰিলে। ভৱিষ্যতে ৰজাৰ হোৱাৰ বাবে যি যি শিকাৰ প্ৰয়োজন আছিল সেই সকলো বিদ্যা শিকি পেলালে। তেওঁলোকৰ ব্যৱহাৰো বেছ ভাল আছিল।

পি ভি শেষাৰত্নম

যেতিয়া সিঁহতৰ শিক্ষাৰ কাল সমাপ্ত হবৰ হ'ল, তেতিয়া প্ৰধানমন্ত্ৰী সুনন্দই মনে মনে গুৰু পৰমানন্দক লগ ধৰিলে আৰু ৰজাৰ এক গোপন অনুৰোধৰ কথা কলে।

ৰজাই এই কথাত সিদ্ধান্ত দিবৰ বাবে গুৰুক অনুৰোধ কৰিছিল যে কোনজন ৰাজকুমাৰ সিংহাসন আৰোহন কৰিবৰ বাবে উপযুক্ত হব। প্ৰায় সকলো ক্ষেত্ৰতে জয় আৰু বিজয় দুয়োজন আছিল সমকক্ষ।

এদিনাখন ঋষি পৰমানন্দই তিনিওজন শিষ্যকে মাতি আনিলে আৰু কলে, ''মই কালিলৈ এটা বৰ গুৰুত্বপূৰ্ণ ধৰ্মীয় পুজা কৰিম। তাৰবাবে মই ইয়াৰ পৰা দুখন গাৱৰ আঁতৰত থকা এজন শিল্পীক তিনিটা মূৰ্তি তৈয়াৰ কৰিবৰ বাবে অনুৰোধ কৰিছো। তোমালোক তিনিওজনে গৈ সেই মূৰ্তি তিনিটা লৈ আহাগৈ। কিন্তু এই কথাৰ লক্ষ্য ৰাখিবা যে সেই মূৰ্তিকেইটাৰ কোনো অনিষ্ট নহয়।''

সুবুদ্ধি, জয় আৰু বিজয়ে গুৰুৰ কথা মানি লৈ সেই শিল্পীৰ গাৱলৈ মূৰ্তি আনিবৰ বাবে যাত্ৰা কৰিলে। এখন গাওঁ পাৰ হয় মানে ৰাতি হৈ আহিল। পিছদিনা ৰাতিপুৱালৈ অপেক্ষা কৰাৰ বাহিৰে তেওঁলোকৰ আন কোনো উপায় আছিল। পিছদিনা ৰাতিপুৱা তেওঁলোকে যাত্ৰা পুণৰ আৰম্ভ কৰিলে। কিন্তু পথত তেওঁলোকক ডকাইতে আক্ৰমণ কৰিলে। জয়ে চিন্তা কৰিলে যে ডকাইতক প্ৰতি আক্ৰমণ কৰাই উচিত হব। এইবুলি তেওঁ তৰোৱাল উলিয়াই ললে। বিজয়ে তেওঁক সহায় কৰিবলৈ যাওতেই সুবুদ্ধিয়ে তেওঁক নিজৰ কৰ্তব্যৰ বিষয়ে সোঁৱৰাই দিলে।

''যদি আমি সময়মতে গুৰুৰ কাম সমাধা

কৰিব লাগে তেন্তে এই মূহূৰ্ততে আমাৰ মাজৰ এজনে যাত্ৰা আৰম্ভ কৰিব লাগিব। নহলে আমি কেতিয়াও সময়মতে কামটো সমাধা কৰিব নোৱাৰিম। মই ইয়াত থাকি জয়ক সহায় কৰিম। তুমি তুৰন্ত যাত্ৰা আৰম্ভ কৰা।'' সুবুদ্ধিয়ে কলে।

বিজয়ে কথামতেই লগে লগে যাত্ৰা আৰম্ভ কৰিলে আৰু অলপ পৰৰ পিছতে গাৱৰ সীমা পাৰ হ'ল।

জয়ে তেওঁৰ কৌশল আৰু সুবুদ্ধিৰ সহায়ৰ বলত সফলতাৰে ডকাইতবিলাকক খেদি পঠিয়াবলৈ সক্ষম হ'ল। তেওঁ নিজৰ কৌশলৰ বাবে গৌৰৱ অনুভৱ কৰিলে আৰু সুবুদ্ধিক লগত লৈ পুণৰ যাত্ৰা আৰম্ভ কৰিলে।

ইফালে, বিজয়ে ইতিমধ্যেই গৈ সেই শিল্পীজনক লগ ধৰি তেওঁৰ পৰা মূৰ্তিকেইটা সংগ্ৰহ কৰি ললে আৰু উভতনি যাত্ৰা আৰম্ভ



কিন্তু ছোৱালীকেইজনীক বচাবৰ বাবে ধাৱমান হোৱা বিজয়ৰ ফালে প্ৰশংসাৰ দৃষ্টিৰে চালে।

তিনিজনী ছোৱালী দৌৰি পথৰ পৰা আঁতৰি পৰিল আৰু কোনোমতে খুন্দাৰ পৰা বাচি গ'ল। এজনী ছোৱালীয়ে কিংকৰ্তব্য বিমোৰ হৈ তাতে থিয় হৈ থাকিল। তাই ভয়তে কান্দিবলৈ ধৰিলে। এনে পৰিস্থিতিৰ সৃষ্টি হ'ল যে যদি বিজয়ে তাইক বচাব লগীয়া হয়, তেন্তে মূৰ্তিটো মাটিত থৈ দিব লাগিব। ইফালে গুৰুৱে কোৱা মতে যদি মূৰ্তিটোৰ অলপো অনিষ্ট হয়, তেন্তে তাক পুজাৰ কামত লগাব পৰা নাযাব। ইমানৰ পিছতো বিজয়ো দুবাৰ নাভাৱি মূৰ্তিটো মাটিৰ ওপৰত থৈ ছোৱালীজনীক বচাবৰ বাবে ধাৱমান হ'ল। তীব্ৰগতিত আহি থকা ৰথখনৰ পৰা তেওঁ কোনোমতেহে ছোৱালীজনীক ৰক্ষা কৰিবলৈ সক্ষম হ'ল।

সৰু ছোৱালীজনী ৰক্ষা পৰিল, কিন্তু মূৰ্তিটোৰ অনিষ্ট সাধন হ'ল। বিজয়ে মনতে বৰ দুখ পালে যে ইমান কষ্ট কৰি মূৰ্তিটো অনাৰ পিছতো আশ্ৰমৰ ওচৰ পোৱাৰ সময়তে তাৰ অনিষ্ট সাধন হ'ল। তথাপিও, তেওঁৰ মূৰ্তিটো তাৰ পৰা লৈ আশ্ৰমলৈ বুলি ৰাওনা হ'ল। সৰু ছোৱালী জনীৰ পিতৃ-মাতৃয়ে তেওঁক পিছফালৰ পৰা প্ৰশংসা কৰি আছিল। তেওঁ সেয়া শুনা স্বত্বেও তাত নৰৈ গুৰুক লগ পাবৰ বাবে আগবাঢ়িল।

জয় আৰু সুবুদ্ধিয়ে ইতিমধ্যেই গুৰুক তেওঁলোকৰ ভাগৰ মূৰ্তি দুটা অক্ষত অৱস্থাত দি প্ৰশংসা লাভ কৰিলে। বিজয়ে গৈ দোষী দোষী ভাৱেৰে গুৰুক অনিষ্ট সাধন হোৱা মূৰ্তিটো প্ৰদান কৰিলে।

কৰিলে। তেওঁ উভতি আহোতেই গাৱৰ সীমাৰ ওচৰতে জয় আৰু সুবুদ্ধিক লগ পালে আৰু একেলগে উভতি আহিল। ইতিমধ্যেই সন্ধিয়া হৈ আহিছিল, গতিকে তেওঁলোকে খৰকৈ আশ্ৰমৰ ফালে আহিবলৈ ধৰিলে।

তেওঁলোকে আহি থকা পথতে চাৰিজনী সৰু ছোৱালীয়ে খেলি আছিল। হঠাতে আনফালৰ পৰা তীব্ৰগতিৰে এখন ৰথ আহিবলৈ ধৰিলে। যদি সেই ৰথখন ৰখাই দিয়া নহয় তেন্তে এয়া নিশ্চিত যে সেইখনে সৰু ছোৱালীকেইজনীক খুন্দিয়াই মৃত্যু মুখত পেলাব।

জয়ে চিন্তা কৰিলে যে সেই মূৰ্তি গৈ সময়মতে গুৰুৰ ওচৰ পোৱাতো অতি জৰুৰী। গতিকে সেই ছোৱালী কেইজনী বচাবলৈ চেষ্টা নকৰাই উচিত হব। সুবুদ্ধিয়েও ছোৱালীকেইজনীক বচোৱাৰ কথা নাভাৱিলে।

অতি সোনকালেই, সেই তীব্ৰগতিৰ ৰথ খন আহি গুৰুৰ আশ্ৰমৰ ওচৰত ৰ'লহি। ৰজা চিত্ৰগুপ্ত আৰু মন্ত্ৰী সুনন্দ সেই ৰথৰ পৰা নামি আহি গুৰু পৰমানন্দৰ সন্মুখত উপস্থিত হ'ল। তেওঁলোকে হাতযোৰ কৰি গুৰুক সন্মান জনালে। ঋষি পৰমানন্দই হাঁহি এটা মাৰি কলে, "মহাৰাজ, এই পৰীক্ষাত বিজয় কৃতকাৰ্য হৈছে। আপুনি তেওঁক ভৱিষ্যতৰ ৰজা হিচাপে ঘোষণা কৰিব পাৰে।"

প্ৰধানমন্ত্ৰীয়ে মাত লগালে, "মহাৰাজ, মই এতিয়া গুৰুৰ উদ্দেশ্য বুজিব পাৰিছো। জয়ে গুৰুৰ বাক্যক চূড়ান্ত আদেশ হিচাপে মানি লৈছিল। গতিকে তেওঁ মূৰ্তিক আশ্ৰমলৈ অক্ষত অৱস্থাত অনাটোকেই প্ৰধান লক্ষ্য কৰি লৈছিল।

আনহাতে, বিজয়ে মূৰ্তিটোক ৰক্ষা কৰাতকৈ মানুহৰ জীৱন ৰক্ষা কৰাটোতহে অধিক গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ সেইবাবে এই পৰীক্ষাত এক দিশৰ পৰা অকৃতকাৰ্য হ'ল যদিও তেওঁৱেই প্ৰকৃত ৰূপত বিজয়ী হ'ল।"

গুৰু পৰমানন্দই প্ৰধানমন্ত্ৰীৰ কথাত সন্মতি দি হাঁহি মাৰি কলে, "এজন ৰজাৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল প্ৰজাক নিৰাপত্তা প্ৰদান কৰা। এই কাৰণতেই বিজয় ভৱিষ্যতে ৰজা হোৱাৰ বাবে উপযুক্ত। কিন্তু প্ৰতিভাৰ দিশৰ পৰা জয়ো পিছ পৰি থকা বিধৰ নহয়। তেওঁ বেছ সাহসী আৰু কৌশলী যোদ্ধা। মই পথত ডকাইতৰ ৰূপ দি ৰখা লোকসকলৰ লগত তেওঁ অতি পৰাক্ৰমেৰে যুদ্ধ কৰিলে। গতিকে, তেওঁ ভৱিষ্যতে সেনাধিপতি হবৰ বাবে উপযুক্ত।

সৰ্বশেষত মই সুবুদ্ধিৰ কথালৈ আহো। তেওঁ এই কামত সকলোকে উচিত সময়ত উপযুক্ত পৰামৰ্শ দি থাকিল। গতিকে সেইফালৰ পৰা তেওঁ ভৱিষ্যতে প্ৰধানমন্ত্ৰী হবৰ বাবে উপযুক্ত।"

ৰজা চিত্ৰগুপ্তই গুৰুৰ কথা শুনি বৰ সুখী হ'ল। তেওঁ তিনিওজন যুৱককে আকোৱালি ললে। তাৰপিছত তেওঁ ঋষি পৰমানন্দৰ আশীৰ্বাদ গ্ৰহণ কৰি প্ৰধান মন্ত্ৰীৰে সৈতে ৰাজ্যৰ ৰাজধানীলৈ উভতি আহিল।

কিছুবছৰৰ পিছত বিজয়ে বৈশালী ৰাজ্যৰ সিংহাখনত আৰোহন কৰিলে আৰু এজন সুযোগ্য শাসক হিচাপে প্ৰজাৰ পৰা প্ৰশংসা লাভ কৰিলে।





চিন্তা আৰু কৰ্ম

এসময়ত মুকুন্দপুৰ নামৰ গাওখনত অৰবিন্দ নামৰ এজন যুৱকে বাস কৰিছিল। যদিও তেওঁ এজন কৃষক আছিল, তেওঁ সাধ্যানুযায়ী গাৱৰ সকলো কামতে অংশগ্ৰহণ কৰিছিল। তেওঁ বৰ সহায়শীল আৰু দয়ালু আছিল।

গাৱৰ মানুহবিলাকে কাষেৰে বৈ যোৱা গোদাৱৰী নদীৰ সৰু নদীদ্বীপটো নিয়মিতভাৱে ব্যৱহাৰ কৰিছিল। তালৈ যাবৰ বাবে এটা সৰু সুতি পাৰ হবলগীয়া হৈছিল। মানুহ ইপাৰ-সিপাৰ হব পৰাকৈ সেই সুতিটোৰ ওপৰত কাঠেৰে তৈয়াৰী এখন সৰু দলং আছিল। মানুহে সেই দলঙৰ পৰা পিছলি সুতিটোত পৰাৰ দৰে ঘটনাও মাজে মাজে ঘটিছিল।

অৰবিন্দই সেই সুতিটোৰ ওপৰত এখন শক্তিশালী দলং নিৰ্মাণ কৰিবৰ বাবে গাৱৰ পঞ্চায়তৰ ওচৰত গোহাৰি জনালে। তেনে দলং নিৰ্মাণৰ বাবে প্ৰয়োজনীয় টকাৰ অভাৱৰ কথা কৈ পঞ্চায়তে দলং নিৰ্মাণ কৰিবলৈ অস্বীকাৰ কৰিলে। তেতিয়া অৰবিন্দই গাৱৰ সকলো লোককে নিজৰ ভিতৰতে টকা উঠাবলৈ উদগণি দিলে। কিন্তু কোনোৱেই আগবাঢ়ি নাহিল। উপায় নাপাই অৰবিন্দই নিজৰ টকা খটুৱাই এখন নাও নিৰ্মাণ কৰি গাৱৰ মানুহে সেই সুতিটো ইপাৰ-সিপাৰ হোৱাত সহায় কৰি দিবলৈ ধৰিলে। কিছুদিনৰ পিছত পঞ্চায়তে গাৱৰ মানুহক নাৱেৰে ইপাৰ-সিপাৰ কৰাত সহায় কৰা লোকজনক দৰমহা দিবলৈ ৰাজী হ'ল। এই সিদ্ধান্তৰ কথা গম পাই গাৱৰ সকলোলোক বৰ সুখী হ'ল। তেওঁলোকে অনুভৱ কৰিলে যে সকলো সমস্যা সমাধা হৈ পৰিল।

সেইখন গাৱতে বাস কৰা নাগেন্দ্ৰ নামৰ লোকজনৰ এটা অভ্যাস আছিল যে তেওঁ সকলো কথাকে সমালোচনা কৰিছিল।

"দলং নিৰ্মাণ কৰাতকৈ নাওৱে ইপাৰ-

তিৰুমলাশ্ৰী

সিপাৰ হোৱাটো কেনেকৈ ভাল হ'ব পাৰে। এইদৰে নাৱৰীয়াক নিয়মীয়াকৈ দৰমহা দি পঞ্চায়তে টকাৰ অপচয়হে কৰিব।" তেওঁ মন্তব্য কৰিলে। এই কথা অৰবিন্দৰো কাণত পৰিল।

এবাৰ অৰবিন্দই তেওঁৰ গৰু গাড়ীখন লৈ কিবা কামৰ বাবে কাষৰ গাওখনলৈ গৈছিল। ঘূৰি অহাৰ পৰত তেওঁ দেখিলে যে গাৱৰ কিছুলোকে প্ৰচণ্ড ৰ'দৰ তাপত নদীৰ পাৰেদি আহি আছে। তেওঁ সকলোকে গৰুগাড়ীত উঠিবলৈ কলে। সেইসকল লোকৰ ভিতৰত নাগেন্দ্ৰও আছিল।

কোনো সময়ত যেতিয়া গৰু কেইটা লাহে লাহে যাবলৈ ধৰিছিল, তেতিয়া অৰবিন্দই সিঁহতৰ গতি বৃদ্ধি কৰিবৰ বাবে এচাৰিৰে একোটা কোব দিছিল।

তাকে দেখি, নাগেন্দ্ৰই সমালোচনা কৰিলে, "এচাৰিৰে মৰিয়াই গৰুক খৰকৈ যাবলৈ বাধ্য কৰাতনো কি মহানতা আছে? যদি সিঁহতৰ তপিনাত মৰমতে ঢকা এটা মৰা যায়, সিঁহতে নিশ্চয় বুজি পাব।"

"সম্ভৱত তুমিয়েই শুদ্ধ কথাটো কৈছা। মই গৈ পিছফালে বহোগৈ। তুমি আহি গৰুগাড়ীখন চলোৱা।"

এই কথাত নাগেন্দ্ৰই থতমত খালে। সি কলে, "গৰু গাড়ী মই চলাব নাজানো।"

"আৰে, তুমি যেতিয়া গৰুক কেনেকৈ মনাব লাগে সেই কথা জানা, গৰু গাড়ী কিয় চলাব নাজানা?" আঁচৰিত হৈ অৰবিন্দই সুধিলে।

"সকলোৱে যে সকলো কাম জানিবই লাগিব তাৰ কি যুক্তি আছে?" নাগেন্দ্ৰই কলে।

অৰবিন্দই হাঁহি এটা মাৰি কলে, "সকলোৱেই কিবা এটা ভাল কাম কৰিব বিচাৰে আৰু তেওঁলোকৰ ওচৰত তাৰ আঁচনিও আছে। কিন্তু কামটো কেনেকৈ সমাধা কৰিব পৰা যাব, সেইকথা বেছিভাগ লোকেই নাজানে। চিন্তা আৰু কৰ্ম দুয়োটা সম্পূৰ্ণ বেলেগ বস্তু। আমি নিজে কাম এটাত হাত নিদিয়ালৈকে কি কি সমস্যা হ'ব পাৰে তাক গম নাপাও। সমালোচনা কৰাটো বৰ সহজ, কিন্তু সেই একেটা কামকেই নিজে কৰাটো কঠিন। গঠনমূলক আৰু যুক্তিসংগত সমালোচনা সদায় সহায়কৰ। কেতিয়াবা এনেও হয় যে কাৰোবাৰ ওচৰত ভাল আঁচনি থকা স্বত্ত্বেও সমালোচনাৰ ভয়তে ৰূপায়ন কৰিবলৈ চেষ্টা নকৰে।" এইদৰে কৈ অৰবিন্দই আশা কৰিলে নাগেন্দ্ৰই কিবা এটা হলেও বুজি পাব।

বলদৰ চিন্তা

অমৰপুৰ চহৰৰ জগুভাই নামৰ এজন ধনী খেতিয়কে এহাল বলদ কিনি আনিলে। যেতিয়া তেওঁ বলদহালক হালত জুতি দিলে, তেতিয়া তাৰে এটাই বৰ ভালকৈ হাল টানিবলৈ ধৰিলে। কিন্তু আনটো বলদ প্ৰতি দহ মিনিটমানৰ মূৰে মূৰে বৈ দিবলৈ ধৰিলে। যেতিয়া তেওঁ সিঁহতৰ বলেৰে কাম কৰাবলৈ চেষ্টা কৰিলে, তেতিয়া সি পথাৰতে শুই দিলে। এসপ্তাহকৈ অধিক কাল এই কাৰ্যৰ পুণৰাবৃত্তি ঘটিল। তেওঁ উপায় নাপাই বলদহালক বিক্ৰী কৰি দিবলৈ সিদ্ধান্ত ললে।

জগুভায়ে তেওঁৰ বন্ধু বিমলক কলে, ''মই অলপতে কিনা বলদহাল বেচিবলৈ থিক কৰিছো। তুমি এবাৰ চাব পাৰা আৰু যদি ভাল পোৱা কিনি লব পাৰা। তুমি যেতিয়া পাৰা, তেতিয়া দাম পৰিশোধ কৰিলেও হব।''

বিমলে বলদহালক ভালদৰে পৰীক্ষা কৰি চালে আৰু কিনি লগত লৈ গ'ল। এমাহ পাৰ হৈ গ'ল। জগুভায়ে এই কথা জানিবলৈ ব্যগ্ৰ হৈ পৰিল যে বিমলে সেইহাল বলদৰ পৰা কেনেকৈ কাম আদায় কৰি লৈছে। তেওঁ বিমলৰ খেতিলৈ গ'ল। তেওঁ দেখিলে যে তেওঁ বিক্ৰী কৰি দিয়া বলদহালে সুন্দৰভাৱে হাল টানি আছে। তেওঁ বৰ আচৰিত হ'ল।

বিমলে তেওঁৰ বন্ধুৰ মনৰ কথা উমান পাই কলে, ''মই এই বলদহাল কিনাৰ আগতেই তোমাৰ কাম কৰা মানুহৰ পৰা গম পাইছিলো যে ইহতক লৈ তোমাৰ কি সমস্যা হৈছিল। তোমাৰ খেতিৰ পথাৰত এটা বলদে হাল টানিবলৈ ইচ্ছা নকৰাৰ কাৰণ হ'ল যে সি যেতিয়া মূৰ তুলি চাই তেতিয়া তোমাৰ পথাৰৰ কোনো সীমা দেখা নাপায়। ফলত সি কামৰ পৰিমাণৰ কথা চিন্তা কৰি ভয় খাই যায়। আনহাতে মোৰ পথাৰত সি মূৰ তুলিলেই মাটিৰ সীমা দেখা পায়। গতিকে সি অসুবিধা নোহোৱাকৈ মোৰ এই কম মাটিত সুন্দৰ ভাৱে হাল টানি আছে।'' জগুভায়ে তেওঁ বন্ধুৰ যুক্তি দেখি বৰ আনন্দ পালে।

–এছ সুধা ৰাণী





শিথিলালয় - ২৪

(শিথিলালয়ৰ পুজাৰীৰ দলে জংঘলাক চিতাবাঘ আৰু ঘৰিয়াল আক্ৰমণৰ পৰা ৰক্ষা কৰিলে। সেইদিনা ৰাতিয়েই পাহাৰৰ ঘাটিত শুই থকা শিখিমুখী আৰু তেওঁৰ দলক ইম্যু জাতিৰ লোকে গোপনে আক্ৰমণ কৰিলে আৰু সকলোকে বন্দী কৰি গোলভৰা গাৱলৈ লৈ গ'ল। কালীদেৱীৰ আগত বলি দিবৰ বাবে ইম্যুজাতিৰ নেতাই শিখিমুখীহতৰ দলৰ নেতা কোন সুধিলে। তাৰপিছত...)

ইম্যুজাতিৰ নেতাই শিখিমুখীহঁতক যি প্ৰশ্ন সুধিলে, সেয়া শুনি শিথিলালয়ৰ পুজাৰী বৰ সুখী হ'ল। তেওঁ চিন্তা কৰিলে যে এইবাৰ শিখিমুখীক কালীদেৱীৰ আগত বলি দিয়া হব। শিখিমুখী অবিহনে বিক্ৰম কেশৰীহত দুৰ্বল। আক্ৰমণ কৰি অতি সহজতেই সিঁহতৰ গতি লগাব পৰা যাব।

"হে ইম্যু নেতা, আপুনি ইহতক এই প্ৰশ্ন সোধাৰ কোনো প্ৰয়োজন নাই। এই কথা গমেই পোৱা গৈছে যে ইহতৰ নেতা কোন। শিখিমুখীয়ে শিথিলালয়ৰ নাম কৈ ধন আদিৰ লোভ দেখুৱাই বাকী তিনিওজনক ইয়ালৈ লৈ আহিছে। সিয়েই এই দলৰ নেতা।" শিথিলালয়ৰ পুজাৰীয়ে ইম্যু জাতিৰ নেতাক পৰামৰ্শ দিলে।

পুজাৰীৰ কথা শুনি ইম্যু জাতিৰ নেতাই পুজাৰীৰ ফালে খঙৰ দৃষ্টিৰে চালে। ইম্যু জাতিৰ পণ্ডিতে হাতত লৈ থকা মন্ত্ৰদণ্ডৰে শিথিলালয়ৰ পুজাৰীৰ পিঠিত একোব মাৰি কলে, "মনে মনে থাকা। তুমি কথা কোৱাৰ আগতে আমাৰ জাতিৰ নেতাৰ অনুমতি লব লাগে বুলি গম নোপোৱা ? তোমাৰ ইমানখিনিও জ্ঞান নাইনে?"

পুজাৰীয়ে লাহেকৈ বেকা হৈ এবাৰ পিঠি মোহাৰি ললে। ইম্যু জাতিৰ নেতাই শিখিমুখী আৰু তেওঁৰ দলৰ ফালে দৃষ্টি নিক্ষেপ কৰি

দাসৰি সুব্ৰমন্যাম



সেই একেই প্ৰশ্নকে পুণৰবাৰ কৰিলে। বিক্ৰমকেশৰীয়ে কোনো উত্তৰ দিয়াৰ আগতেই শিখিমুখীয়ে তেওঁক ৰখাই কলে, ‘‘পুজাৰীয়ে কোৱাৰ দৰে মযে এই দলৰ নেতা। কিন্তু তেওঁ কোৱাৰ দৰে মই ইহতক ধনৰ লোভ দেখুৱাই ইয়ালৈ অনা নাই। সেয়া একেবাৰে মিছা কথা। আমি গোটেই কেইজন মহাৰাজ বিক্ৰমকেশৰীৰ সন্ধানতহে এই প্ৰদেশলৈ আহিছো। আমি এই কথা শুনা পাইছিলো যে মহাৰাজ এই প্ৰান্তৰে কোনো প্ৰদেশত আছে।’’

‘বিক্ৰমকেশৰী’ নাম শুনাৰ লগে লগে ইম্যুজাতিৰ নেতা চক খাই উঠিল। তাকে দেখি পুজাৰীয়ে কলে, ‘‘হে ইম্যু নায়ক, মই আপোনাৰ অনুমতি লৈ এটা কথা কব খুজিছো। মহাৰাজ বিক্ৰমকেশৰীৰ ঘটনা বহু পুৰণি। ইহতে নিশ্চয় কৰবাত তেওঁৰ নাম শুনি ললে। তাৰপিছত তেওঁৰ নাম লৈ ইহতে কিবা কৌশল কৰিব খুজিছে। আঁচলতে ইহতে শিখিলালয়ৰ সোণ–ৰূপ আদি লুট কৰিবৰ বাবেহে ইয়ালৈ আহিছে।’’

ইম্যু জাতিৰ নেতাই মূৰ লৰাই অলপ সময় চকু মুদি মৌন হৈ ৰল। তাৰপিছত তেওঁ চকু মেলি পুণৰ শিখিমুখীক সুধিলে, ‘‘তোমালোকৰ বিষয়ে মই সকলো কথাই জানো। মোৰ আগত মিছা কথা কবলৈ চেষ্টা নকৰিবা। কোৱা, তোমালোকৰ নেতা কোন?’’

‘‘মই ইতিমধ্যে কৈছোৱেই যে মযে এই দলৰ নেতা।’’ এইবুলি কৈ শিখিমুখীয়ে এখোজ আগুৱাই গ’ল।

তাকে দেখি বিক্ৰমকেশৰীয়ে শিখিমুখীৰ কান্ধত ধৰি ৰখাই গম্ভীৰ স্বৰেৰে কলে, ‘‘মই ৰাজবংশীয় ক্ষত্ৰিয়। তেনেস্থলত এই জংঘলী মোৰ নেতা কেনেকৈ হব পাৰে? এই তিনিওজনৰ নেতা মযেই। মোৰ নাম বিক্ৰমকেশৰী। কালীদেৱীৰ আগত মোকেই বলি দিয়ক। কিন্তু মোক বলি দিয়াৰ আগতে মই নিশ্চয়কৈ তোমালোকৰ কেইজনমান লোকৰ বলি লম।’’

শিখিলালয়ৰ পুজাৰীয়ে বিক্ৰমকেশৰীৰ কথা শুনি অট্টহাস্য কৰি উঠিল আৰু কলে, ‘‘এয়া কেনে চাতুৰি। ই নিজকে বিক্ৰমকেশৰী বুলি দাবী কৰি মিছা কথা কৈছে। তাৰোপৰি কৈছে যে ই ইম্যুজাতিৰ লোকৰে বলি লব।’’

বিক্ৰমকেশৰীৰ কথাত ইম্যু জাতিৰ নেতা অসন্তুষ্ট হৈ উঠিল। তেওঁ নিজৰ অনুচৰক সাৱধান কৰি দি আদেশ দিলে, ‘‘মোৰ এনে



ইম্যু জাতিৰ নেতাৰ পিছে পিছে সকলো সেই গোলকুটীৰৰ পৰা বাহিৰলৈ ওলাই আহিল। তাৰপিছত গাৱঁৰ মূখ্য পথদি যাত্ৰা আৰম্ভ কৰি গাৱঁৰ কাষৰ এক টিলাৰ ওপৰত থকা কালীদেৱীৰ মন্দিৰত সকলো উপস্থিত হ'ল।

ইম্যু জাতিৰ পণ্ডিতে হাতত এখন প্ৰকাণ্ড বলি কটা দা লৈ কালীদেৱীৰ মূৰ্তিৰ কাষত থিয় হ'লগৈ। তাৰপিছত তেওঁ ডাঙৰ মাতেৰে মন্ত্ৰ পাঠ কৰি কলে, ''শিখিমুখী আৰু বিক্ৰমকেশৰীৰ বন্ধন খুলি দি ইয়ালৈ লৈ অহা যাওক।''

ইম্যু পুজাৰীৰ এই আদেশ শুনি শিথিলালয়ৰ পুজাৰী বৰ সুখী হ'ল। তেওঁ ইম্যু জাতিৰ নেতাৰ কাষ চাপি এই পৰামৰ্শ দিলে যে শিখিমুখী আৰু বিক্ৰমকেশৰীৰ লগতে অজিত আৰু বীৰভদ্ৰকো বলি দিয়োটো উচিত হব। সেই কথাত ইম্যু নেতাই মূৰ লৰাই অসন্মতি ব্যক্ত কৰিলে। তেওঁৰ দৃষ্টি সেইসময়ত বিক্ৰমকেশৰীৰ ওপৰত নিবদ্ধ হৈ আছিল। বিক্ৰমকেশৰীৰ চেহেৰাত তেওঁৰ এক চিনাকি ব্যক্তিৰ ৰূপৰেখা স্পষ্টকৈ প্ৰতিফলিত হৈ আছিল।

পাহাৰৰ দাঁতিত শুই থকা অৱস্থাত শিখিমুখী আৰু বিক্ৰমকেশৰীহতক যিটো ইম্যু জাতিৰ দলে বন্দী কৰিছিল, তেওঁলোকৰ দলপতিয়ে দুয়োৰে হাতৰ বান্ধ খুলি দিলে। তাৰপিছত তেওঁ দুয়োকে ইম্যু পুজাৰীৰ কাষলৈ লৈ গ'ল। তেনে সময়তে সুবিধা বুজি বিক্ৰমকেশৰীয়ে দুয়োহাতেৰে সেই দলৰ দলপতিৰ মূৰত জোৰেৰে প্ৰহাৰ কৰিলে।

সেই আকস্মিক আঘাট সহ্য কৰিব

বোধ হৈছে যে এই শিখিমুখী আৰু বিক্ৰমকেশৰী দুয়ো বৰ বিপদজনক লোক। গতিকে কালীদেৱীৰ আগত এই মূহুৰ্ততে দুয়োকে বলি দিয়া হওক। বাকী দুটাৰ বিষয়ে আমি পিছত চিন্তা কৰিম। ইহত দুইটাকে কালী মন্দিৰলৈ লৈ বলা।'' এইবুলি কৈয়েই ইম্যু জাতিৰ নেতাই নিজৰ আসনৰ পৰা উঠি কালী মন্দিৰলৈ বুলি যাবলৈ ধৰিলে।

শিখিমুখী আৰু বিক্ৰমকেশৰী দুয়োয়ে দুয়োৰে চকুলৈ চালে। তেওঁলোকৰ এনে অনুভৱ হ'ল যে ইম্যু জাতিৰ নেতাৰ লগত আলোচনা-বিলোচনা কৰি বা বুজাই-বঢ়াই থকা কোনো যুক্তি নাই। মৃত্যু নিশ্চিত। কিন্তু তেওঁলোকৰ মনত এটা কথা আছিল যে তেওঁলোকৰ ব্যাবে অজিত আৰু বীৰভদ্ৰৰ কোনো বিপদ নহলেই হ'ল।

নোৱাৰি সেই ইম্যু দলৰ দলপতি তললৈ বাগৰি পৰিল। লগে লগে শিখিমুখীয়ে ইম্যু পুজাৰীক গোৰ মাৰি দিলে। ইম্যু পুজাৰীয়ে চিঞৰ মাৰি তললৈ বাগৰি পৰিল। তেওঁৰ হাতত থকা প্ৰকাণ্ড বলি কটা দাও হাতৰ পৰা সৰি পৰিল। শিখিমুখীয়ে লগে লগে সেই দা তুলি হাতত লব খোজোতেই ইম্যু জাতিৰ দুজন লোক আৰু শিথিলালয়ৰ পুজাৰীৰ এটা সেৱকে শিখিমুখীৰ হাতত ধৰি বাধা দিলে। তাকে দেখি বিক্ৰমকেশৰীয়ে শিখিমুখীক সহায় কৰিবৰ বাবে আগুৱাই যাওতেই চাৰিজন ইম্যু জাতিৰ লোকে গোট বান্ধি তেওঁৰ ওপৰত আক্ৰমণ চলালে।

এই ঘটনা দেখি ইম্যু নেতাৰ বৰ খং উঠিল। তেওঁ খঙত কপি উঠিল। তেওঁ গৰজি, মোচত তাও দি শিখিমুখীৰ ওচৰলৈ গ'ল। তাৰপিছত তেওঁ শিখিমুখীৰ কান্ধত ধৰি চিঞৰি উঠিল, ''কালীদেৱীৰ আগত তোমালোকে যি অপৰাধ কৰিলা, তাৰবাবে তোমাৰ দেহ টুকুৰা টুকুৰকৈ কাটি পেলোৱা হব। বিক্ৰমকেশৰীকো...''

ইম্যু নেতাৰ কথা শেষেই হবলৈ নাপালে। শিখিমুখীয়ে তেওঁৰ পিছলৈ ঠেলি দিলে আৰু তেওঁ খামোচৰ পৰা মুকলি হৈ পৰিল। তাৰপিছত কিছুসময়ত দবৰা-দবৰি হ'ল। শেষত এইদৰে দবৰা-দবৰি কৰি থাকোতেই শিখিমুখীয়ে ডিঙিত পিন্ধি থকা ৰক্ষা কবছ চিঙি থাকিল আৰু ইম্যু নেতাৰ হাতলৈ আহিল।

ৰক্ষা কৱছৰ ওপৰত কালীদেৱীৰ মূৰ্তি দেখিয়েই ইম্যু নেতা অলপ সময়ৰ বাবে তভক মাৰি ৰ'ল। তাৰ পিছত নিজকে চম্ভালি লৈ কলে, ''এই দুয়োজনৰে কোনো অনিষ্ট নকৰিবা। এটা কিবা আচৰ্যজনক ঘটনা যেন



লাগিছে।'' এইদৰে কৈ তেওঁ সেই ৰক্ষা কবচটো ঘূৰাই পকাই চাবলৈ ধৰিলে।

শিথিলালয়ৰ পুজাৰীয়ে এই কথা ভাৰি আছিল যে অলপ পৰৰ ভিতৰতে শিখিমুখী আৰু বিক্ৰমকেশৰীক কালীদেৱীৰ সন্মুখত বলি দিয়া হব। কিন্তু এতিয়া ইম্যু নেতাৰ এনে কথাত তেওঁৰ ভাৱনাত চেচা পানী পৰিল। তেওঁ লগে লগে ইম্যু নেতাৰ কাষ চাপি গ'ল আৰু তেওঁৰ হাতত থকা ৰক্ষা কবচ আৰু তাত থকা কালীমূৰ্তি দেখি খঙতে দাত কৰচিবলৈ ধৰিলে।

''হে ইম্যু নেতা, এয়া অন্যায় হৈছে। এয়া কালী দেৱীক অৱমাননা কৰা হৈছে। এই মন্দিৰত স্থিত পৱিত্ৰ কালীদেৱীৰ নকল মূৰ্তিৰে ৰক্ষা কৱচ তৈয়াৰ কৰি নিজৰ ডিঙিত পিন্ধি এই নাস্তিকে সকলোকে ঠগিবলৈ পৰিকল্পনা কৰিছে।'' এইবুলি কৈ শিথিলালয়ৰ পুজাৰীয়ে শিখিমুখীক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিলে।

শিথিলালয়ৰ পুজাৰীক ইম্যু নেতাই ঠেলা মাৰি দি কলে, ''তই তোৰ এই অৰ্থহীন কথা বন্ধ কৰ।'' তাৰপিছত তেওঁ শিখিমুখীৰ ফালে ঘূৰি সুধিলে, ''তুমি এই ৰক্ষা কৱচ ক'ত পালা?''

ইম্যু নেতাৰ ফালে খঙেৰে দৃষ্টি দি শিখিমুখীয়ে কলে, ''মই এই ৰক্ষা কৱচ যৰে পৰাই নাপাও কিয়, তাত তোমাৰ কি আছে কি যায়? এই কথা মই তোমাক বিৱৰি কোৱাৰ কোনো প্ৰয়োজন আছে বুলি নাভাৱো। এই তামৰ টুকুৰাৰ বিষয়ে তোমাৰ একো জানিবলৈ নাই।''

''দেৱতাৰ দ্ৰোহী। এয়া কি কেৱল তামৰ টুকুৰা? জগতবিখ্যাত কালীদেৱীক তই অপমান কৰিছ। তোমালোকে কি চাই আছা? ইয়াৰ মূৰ কাটি পেলোৱা।'' শিথিলালয়ৰ পুজাৰীয়ে গৰজি কলে।

ইম্যু নেতাই কঠোৰ দৃষ্টিৰে শিথিলালয়ৰ পুজাৰীৰ ফালে চাই কলে, ''তই ইম্যু জাতিৰ হব পাৰ, কিন্তু দুষ্ট শক্তি লাভ কৰিবৰ বাবে ক্ষুদ্ৰ দেৱতাসকলৰ উপাসনা কৰি আহিছ। সেইবাবেই মই তোক আমাৰ জাতিৰ পৰা বহিস্কাৰ কৰিছিলো। এতিয়া আহি নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে ইটো সিটো বলকিবলৈ আৰম্ভ কৰিছ। তই যদি এইদৰে ইয়াত নিজৰ অধিকাৰ সাব্যস্ত কৰিব খোজ, তেন্তে এই কালীদেৱীৰ আগত মই তোকেই বলি দিবলৈ আদেশ কৰিম।''

ইম্যু নেতাৰ কথা শুনি শিথিলালয়ৰ পুজাৰীয়ে বৰ ভয় খালে। তেওঁ পিছুৱাই আহি নিজৰ অনুচৰসকলক কিবা এটা ইংগিত কৰিলে। সকলো আহি তেওঁৰ ওচৰত থিয় হ'ল। ইম্যু নেতাৰ কথা শুনি আৰু ৰক্ষা কৱচৰ কথা ভাবি শিখিমুখী আঁচৰিত হ'ল। তেওঁৰ এই কথা মনত পৰিল যে সেই কৱচ বিক্রমকেশৰীৰ ককাদেউতাক মহাৰাজ বিক্রমকেশৰীয়ে প্ৰেৰণ কৰা তাৰপত্ৰসমূহৰ লগত পোৱা গৈছিল। তেওঁৰ মনত এনে আশাও জাগিল যে এই ৰক্ষা কৱচৰ সহায়ত তেওঁলোকে ইম্যু জাতিৰ লোকক বুজাই বঢ়াই মুক্তি লাভ কৰাটোও সম্ভৱ হৈ উঠিব পাৰে।

শিখিমুখীয়ে দেখিলে যে বিক্রমে কিবা কথা মগন হৈ ভাবি আছিল। তেওঁ লগে লগে হাঁহি এটা মাৰি ইম্যু নেতাক কলে, "হে ইম্যু নেতা, তোমাৰ কথা শুনি মোৰ এই অনুভৱ হৈছে যে এতিয়াও তোমাৰ হৃদয়ৰ কোনোবা কোণত মানৱতা জীয়াই আছে। এই শিথিলালয়ৰ পুজাৰী এক ঠগ আৰু দুষ্ট লোক। এই ৰক্ষা কৱচ কোনোবাই আমাৰ মহাৰাজ বিক্রমকেশৰীক উপহাৰ স্বৰূপে দিছিল। তেওঁ ইয়াক তাৰপত্ৰসমূহৰ লগত ৰাখি থৈছিল। সেই তাৰপত্ৰৰ মোনাৰ পৰা এই ৰক্ষা কৱচ উলিয়াই লৈ মহাৰাজ বিক্রমকেশৰীৰ পুত্ৰ মহাৰাজ জয়পালে নিজেই ইয়াক মোৰ ডিঙিত বান্ধি দিছিল।"

শিখিমুখীৰ কথা শুনি ইম্যু নেতা আঁচৰিত হ'ল। এবাৰ তেওঁ শিখিমুখী আৰু বিক্রমকেশৰীৰ ফালে ভালদৰে লক্ষ্য কৰিলে। তাৰপিছত তেওঁ একে জাপে বিক্রমকেশৰীৰ

ওচৰ চাপি আকোৱালি ধৰিলে। তেওঁ বিক্রমকেশৰীক কলে, "তুমি তাৰমানে মহাৰাজ বিক্রমকেশৰীৰ নাতি? আমাৰ জাতিক হাইজা মহামাৰীৰ পৰা ৰক্ষা কৰিছিল মহাৰাজ বিক্রমকেশৰীয়েই। মই তেওঁৰ বংশৰ ৰাজকুমাৰৰ লগত কেনে পাপ আচৰণ কৰিব খুজিছিলো।" ইম্যু নেতাৰ দুচকু চকুপানীৰে ভৰি পৰিল।

ইম্যু নেতাৰ এনে কথা শুনি তাত উপস্থিত থকা ইম্যু পুজাৰী আৰু বাকী লোক আহি শিখিমুখী আৰু বিক্রমকেশৰীৰ সন্মুখত উপস্থিত হ'ল। তেওঁলোক সকলোৱেই নিজৰ ভুলৰ কথা উপলব্ধি কৰিব পাৰি মূৰ তল কৰি থিয় হৈ থাকিল।

ইম্যু নেতাই শিখিমুখীক ওচৰলৈ মাতিলে আৰু মৰমেৰে তেওঁৰ কান্ধৰ ওপৰত হাত

ৰাখিলে। তাৰপিছত সেই ৰক্ষা কৱচ তেওঁৰ ডিঙিত বান্ধি দি আকোৱালি ধৰিলে। তেওঁ কলে, ‘‘তোমালোকে কি কাম লৈ ইয়ালৈ আহিছা সেই কথা মই বুজিব পাৰিছো। কিন্তু মহাৰাজ বিক্ৰমকেশৰী বহুদিন ধৰি বেমাৰত ভোগি মৃত্যু মুখৰ পৰিল। গতিকে তেওঁৰ মৃতদেহ আনি আমাৰ পূৰ্বজৰ সমাধিৰ কাষতে তেওঁৰ সমাধি দিলো। এই ৰক্ষা কৱচ ময়েই সেই মহানুভৱক উপহাৰ স্বৰূপে প্ৰদান কৰিছিলো।’’

ইম্যু নেতাৰ কথা শুনি হাঁহি মাৰি শিখিমুখীয়ে কলে, ‘‘আপুনি আমাৰ কথা নুশুনাকৈয়ে আমাক বন্দী কৰি বলি দিব বিচাৰিছিল। আপোনাক এনেদৰে প্ৰৰোচিত কৰি তোলাৰ বাবে দায়ী হ’ল শিথিলালয়ৰ পুজাৰী। সেই দুষ্ট পুজাৰীক প্ৰথমতে বন্দী কৰক। তেওঁ আমাৰ আৰু আপোনাৰ লগত বহু চল-চাতুৰী কৰিলে।’’

এই কথা শুনি ইম্যু নেতাই লগে লগে নিজৰ অনুচৰ সকলক আদেশ দিলে, ‘‘সেই দুষ্ট পুজাৰী ক’ত? তাক এতিয়াই বন্দী কৰি কালীদেৱীৰ আগত বলি দি দিয়া।’’

সকলো অনুচৰে চাৰিওফালে পুজাৰীক বিচাৰিবলৈ ধৰিলে। কিন্তু পুজাৰী তেতিয়া তাত নাছিল। সকলো মন্দিৰৰ বাহিৰলৈ দৌৰি আহিল।

সেই মন্দিৰৰ কাষতে এটা ডাঙৰ পাহাৰ আছিল। সেই পাহাৰৰ ওপৰত শিথিলালয়ৰ পুজাৰী আৰু তাৰ অনুচৰসকলক দেখা গ’ল। পুজাৰীয়ে ইম্যু জাতিৰ লোকসকলক দেখি কলে, ‘‘মোৰ দৰে মহান শক্তিধাৰীক তহতে বন্দী কৰিব নোৱাৰিবি। ইমান বছৰৰ পিছত মই ইতিমধ্যেই গম পাই পেলাইছো যে শিথিলালয় ক’ত আছে। তহতৰ সাহস আছে যদি তালৈকে আহ। তাতেই তহতক চাই লম।’’ পুজাৰীয়ে চিঞৰি কলে।

ইম্যু জাতিৰ নেতাই কলে, ‘‘সেই নীচ পুজাৰীক যি জীৱিত অৱস্থাত ধৰি আনিব পাৰিব, তাৰ লগত মই মোৰ দশম পত্নীৰ ফালৰ সৰুজনী কণ্যাক বিয়া দিম।’’ এই কথা শুনাৰ লগে লগে বহু ইম্যু যুৱকে পুজাৰীক ধৰিবৰ বাবে পাহাৰ বগাবলৈ ধৰিলে।

(আগলৈ)



উদগণি

"**মা,** এবাৰ মোৰ নম্বৰৰ তালিকাখন চাবনে?" স্কুলৰ পৰা উভতি আহি বিনীতে মাকক সুধিলে।

"কিয় নাচাম? দেখুওৱাচোন।" মাকে আগ্ৰহেৰে কলে।

যেতিয়া সি মাকক তালিকাখন দিলে, তেওঁ তাত থকা নম্বৰবিলাক উচ্চাৰণ কৰি পঢ়িলে, "গড় নম্বৰ ৮০... ভাল কথা। তুমি বৰ ভাল ল'ৰা। মই তোমাক লৈ গৌৰৱ কৰো।" মাকে বিনীতৰ পিঠিত ঢকিয়াই তাক উদগণি দিলে। কিন্তু তেওঁ দেখিলে যে বিনীতে উত্তৰত একো কোৱা নাই। তেওঁ অনুভৱ কৰিলে যে সি বৰ সুখী নহয় আৰু কিবা এটা কথাই বৰ আমনি কৰি আছে।

"বিনীত, তুমি কি চিন্তা কৰি আছা?" মাকে সুধিলে।

"মা, মোৰ বন্ধু প্ৰসাদে কেৱল ৬৫ শতাংশ নম্বৰহে পালে। কিন্তু তাতেই সকলো শিক্ষকে তাৰ বৰ প্ৰশংসা কৰিলে। মই শ্ৰেণীত প্ৰথম হলো, কিন্তু কোনেও মোক একো এটা নকলে। তেওঁলোকে কিয় এনেদৰে পক্ষপাতিত্ব কৰে?" বিনীত কান্দো কান্দো হ'ল।

"যোৱাটো পৰীক্ষাত বাৰু প্ৰসাদে কিমান নম্বৰ লাভ কৰিছিল?" মাকে সুধিলে।

"সি যেনে তেনেহে পাছ কৰিছিল। কেৱল ৪০ শতাংশ।" সি উত্তৰ দিলে।

মাকে কৈ গ'ল, "এইবাৰ সি ৬৫ শতাংশ নম্বৰ লাভ কৰিলে। সেয়া প্ৰশংসনীয় নহয়নে বাৰু? সি যেনে তেনে পাছ কৰা অৱস্থাৰ পৰা ইমান ওপৰলৈ আহিল। সি নিশ্চয়কৈ প্ৰশংসাৰ যোগ্য। সেইবাবেই শিক্ষকসকলে তাক প্ৰশংসা কৰিলে। তেওঁলোকে তাক উদগণি দিবলৈ চেষ্টা কৰিছিল। বিনীত, তোমাক এনে উদগণিৰ প্ৰয়োজন নাই। নিজে নিজৰ লগতে প্ৰতিদ্বন্দ্বিতা কৰা আৰু প্ৰতিবাৰতেই আগৰ বাৰতকৈ বেছি নম্বৰ পাবলৈ চেষ্টা কৰা। মই কি কৈছো বুজিব পাৰিছানে?"

"বুজিলো মা, ধন্যবাদ।" বিনীতে কলে।

"তুমি যাক ভাল পোৱা তাক ধন্যবাদ দিবৰ প্ৰয়োজন নাই।" এইবুলি কৈ মাকে তাক সাৱতি ধৰিলে।

– আৰ বৃন্দা



গছৰ ছাঁ

এখন গাৱঁত এজন খেতিয়কৰ ঘৰৰ কাষতে এজোপা বৰ ডাঙৰ গছ আছিল। গৰমৰ দিনত তাৰ ছাঁত বহিলে ঠাণ্ডা বতাহ গাত লাগিছিল আৰু গা জুৰ পৰি গৈছিল। খেতিয়কে আহি সেই ঠাইতে জিৰণি লৈছিলহি।

এদিন দুপৰীয়াৰ সময়ত, ভোজন সমাপ্ত কৰাৰ পিছত, তেওঁ যেতিয়া গছৰ তলত বহিবলৈ গ'ল, তেতিয়া দেখিলে যে তাত কোনোবা এজন বহি আছে।

''এয়া কি? তোমাক কোনে ইয়াত বহিবলৈ দিলে? যোৱা যোৱা।'' খেতিয়কে ধমক দি কলে।

''ইমান খং কিয় কৰিছা? বৰ গৰম পৰিছে। ছাঁ দেখি ইয়াতে কিছু সময় বহিছো।'' আনজন লোকে কলে।

''এনে কাম নহব দেই। এইজোপা গছ মোৰ। মই বছৰ ধৰি পানী দি ইয়াক ডাঙৰ কৰিছো। গতিকে এইজোপা গছৰ ছাঁ মোৰহে প্ৰাপ্য।'' খেতিয়কে কলে।

''যদি কথাটো তেনেকুৱাই, তেন্তে এই গছৰ ছাঁ মোক বেচি দিয়া। মই তাৰ বাবে পইছা দিম।'' আনজন লোকে কলে।

পইছাৰ কথা শুনা পাই খেতিয়কৰ লোভ লাগিল। ''ঠিক আছে, কিমান টকা দিবা?'' তেওঁ সুধিলে।

দৰদাম ঠিক হোৱাৰ পিছত কেইজনমান সাক্ষী ৰাখি সেই লোকজনে খেতিয়কৰ পৰা গছজোপাৰ ছাঁ কিনি ললে।

সেইদিনাখনৰ পিছত প্ৰতিদিনাখনেই সেইজন ব্যক্তি আহি গছজোপাৰ তলত বহিবলৈ ধৰিলে। বাটে পথে যোৱা মানুহকো

কে ইন্দুমতী

তেওঁ তাত বহিবলৈ মাতিলে। তাৰ বাবে তেওঁ সেইসকল লোকৰ পৰা কোনো পইছা নললে। তাৰ লগে লগে সেই ছাঁ কিনা ব্যক্তিজনে আৰু এটা কাম কৰিবলৈ ললে। যেতিয়াই ছাঁ যতেই পৰে তেওঁ তালৈকে যাবলৈ ধৰিলে। কোনোবা সময়ত খেতিয়কৰ চোতাল, কেতিয়াবা শোৱা কোঠা ইত্যাদি। এনে কাৰ্যৰ ফলত খেতিয়কৰ অসুবিধাৰ সৃষ্টি হবলৈ ধৰিলে।

এই কাণ্ড দেখি খেতিয়কৰ এদিন বৰ খং উঠিল। ''মোৰ ঘৰৰ বাৰান্দাত, ঘৰৰ ভিতৰত, শোৱা কোঠাত বহিবৰ বাবে তোমাৰ কি অধিকাৰ আছে?''

''মহাশয়, মই আপোনাৰ গছৰ ছাঁ পইছা দি কিনি লৈছো। সেই ছাঁ য'তেই পৰিব, তাতেই বহাৰ অধিকাৰ মোৰ আছে।'' সেইজন লোকে কলে।

খেতিয়কে তভক মাৰি ৰ'ল। এই কথা সঁচা যে তেওঁ সেইজনলোকক সেই গছজোপাৰ ছাঁ পইছা লৈ বিক্ৰী কৰি দিছে।

এদিনাখন খেতিয়কৰ ঘৰলৈ আলহী আহিছিল। আলহীৰ বাবে খোৱা-বোৱাৰ ব্যৱস্থা কৰা হৈছিল। যি ঠাইত খোৱা-বোৱা চলি আছিল, অলপ সময়ৰ পিছত গছৰ ছাঁ আহি সেই ঠাইতেই পৰিলহি। লগে লগে ছাঁ কিনি লোৱা ব্যক্তিজন আহি তাত বহি পৰিল। অতিথিয়ে একো বুজিব নোৱাৰিলে। তেওঁলোকে খেতিয়কক কলে, ''বন্ধু, বিনা নিমন্ত্ৰণে ইয়াত কোনোবা এজনে হাত ভৰি মেলি বহি আছেহি।''

সেই ব্যক্তিজনে বাকী লোকসকলক কলে যে তেওঁ সেইজোপা গছৰ ছাঁ খেতিয়কৰ পৰা পইছা দি কিনি লৈছে। এই কথা শুনি সকলোৱেই হাঁহিবলৈ ধৰিলে।

সকলো লোকৰ আগত খেতিয়কে বৰ লাজ পালে। লাজতে সেই গাৱঁত থাকিবলৈ তেওঁৰ সত নগ'ল। পিছদিনাখনেই পৰিয়াল আদি লৈ তেওঁ সেই গাওঁ এৰি আন কৰবালৈ গুচি গ'ল।



দাড়িত এলান্ধু

এবাৰ সম্ৰাট আকবৰৰ শোৱা কোঠাৰ আলমাৰীৰ পৰা কোনোবাই এক বহুমূল্য গহণা চুৰ কৰিলে। সমস্যা হ'ল যে সেয়া কোনে চুৰ কৰিলে সেই কথা কেনেকৈ নিৰ্ধাৰণ কৰিব পৰা যায়। আকবৰে চোৰ ধৰাৰ কাম বীৰবলৰ ওপৰত দিলে।

যিটো আলমাৰীৰ পৰা গহণা চুৰ হৈছিল, প্ৰথমতে বীৰবল সেইটোৰ ওচৰলৈ গ'ল। তাৰপিছত তাত কাণ লগাই এনে কৰিলে যেন তেওঁ কিবা শুনিছেহে। তাৰপিছত তেওঁ সম্ৰাট আকবৰৰ সন্মুখলৈ গৈ কলে,

''বাদশ্বাহ, এই আলমাৰীয়ে মোক এনে এটা কথা কলে, যাৰ সহায়ত চোৰ ধৰা পেলাব পৰা যাব। সেই চোৰৰ দাড়িত হেনো এলান্ধু লাগি আছে।''

বীৰবলে এইবুলি কোৱাৰ লগে লগে তাত উপস্থিত থকা চাকৰ বিলাকৰ ভিতৰৰ এটাই নিজৰ দাড়িত এটা চোচা মাৰিলে। বীৰবলে লগে লগে সেই চাকৰক বন্দী কৰিবলৈ হুকুম কৰিলে। পিছত তাক ভালদৰে সোধা-পোচা কৰাত চুৰি হোৱা গহণা উদ্ধাৰ হ'ল। তাক উপযুক্ত দণ্ড প্ৰদান কৰা হ'ল।

বীৰবলৰ উপস্থিত বুদ্ধিত সম্ৰাট বৰ সুখী হ'ল। পুৰস্কাৰ স্বৰূপে তেওঁ বীৰবলক এধাৰি মুকুতাৰ মালা প্ৰদান কৰিলে।



সংৰক্ষিত বীজ

ষষ্ঠ শ্ৰেণীত অধ্যয়ন কৰা কিৰণ সেইদিনা শ্ৰেণীত অনুপস্থিত নাছিল। শিক্ষক গিৰিধাৰীয়ে এই কথা জানিছিল যে কিৰণ শ্ৰেণীত উপস্থিত থকাত নিয়মীয়া আছিল। তেওঁ যেতিয়া বাকী শিক্ষাৰ্থীসকলক সুধিলে, তেতিয়া কোনেও এই বিষয়ে নাজানে বুলি কলে।

পিছদিনাও কিৰণ স্কুললৈ নাহিল। কাৰণটো জানিবৰ বাবে গিৰিধাৰী চিন্তিত হৈ পৰিল। গতিকে তেওঁ কিৰণৰ ঘৰলৈ গৈ সমস্যাটোৰ বিষয়ে জানিবলৈ চেষ্টা কৰিলে।

কিৰণৰ দেউতাক মুহিকান্ত আছিল এজন সাধাৰণ খেতিয়ক। তেওঁ আৰু তেওঁৰ পত্নীয়ে প্ৰয়োজনৰ সময়ত দিন হাজিৰাও কৰিছিল। কিন্তু তেওঁলোকৰ এনে কঠোৰ পৰিশ্ৰমেও তেওঁলোকৰ আৰ্থিক অৱস্থা ভাল কৰি তুলিব পৰা নাছিল।

তেওঁ ধাৰলৈ লোৱা টকাও ঘূৰাই দিবলগীয়া হৈ আছিল। প্ৰতিবছৰে সুত পৰিশোধ কৰিবলগীয়া হোৱা বাবে কোনোমতে দুসাজ দুবেলা যোগাৰ কৰি লৈছিল। গাৱঁৰে আন এজন লোক ভোগবৰে কলে যে যদি কিৰণে তেওঁৰ গৰু চৰাবলৈ পথাৰলৈ লৈ যায়, তেন্তে পৰিয়ালৰ বাবে প্ৰতিদিনেই কিছু ধান দিব। মুহিকান্তই আন কোনো উপায় নাপাই কিৰণক গৰু চৰাবলৈ পঠিয়াই দিলে। এটা বৈকল্পিক উপাৰ্জনে মুহিকান্তক কিছু সকাহ দিলে।

এই ঘটনাৰ কথা গম পাই শিক্ষক গিৰিধাৰীৰ বৰ খং উঠিল। কিৰণ পঢ়া-শুনাত বেছ ভাল আছিল। গিৰিধাৰীয়ে বিশ্বাস কৰিছিল যে যদি কিৰণে ভালদৰে অধ্যয়ন কৰে, তেন্তে এদিনাখন তেওঁ ভাল সংস্থাপন লাভ কৰিব।

যেতিয়া গিৰিধাৰী কিৰণৰ ঘৰ পালেগৈ, তেতিয়া দেখিলে যে সুতলৈ টকা দিয়া মহাজনে

দাসৰি ভেংকটৰমণ

মুহিকান্তৰ লগত কিবা তৰ্কা-তৰ্কি কৰি আছে। গিৰিধাৰীক দেখিয়েই তেওঁ দুদিনৰ পিছত পুণৰ আহিম বুলি কৈ তাৰপৰা গুচি গ'ল।

মুহিকান্তই হাতযোৰ কৰি গিৰিধাৰীক সম্ভাষণ জনালে আৰু বহিবলৈ চকী এখন দিলে। গিৰিধাৰীয়ে পোনে পোনে আচল কথালৈ আহিল আৰু সুধিলে-কিৰণ ক'ত?

কি পৰিস্থিতিত পৰি তেওঁ কিৰণক কাম কৰিবৰ বাবে পঠিয়াব লগীয়া হৈছে, সেই কথা মুহিকান্তই গিৰিধাৰীক বিৱৰি কলে।

কথা শুনি গিৰিধাৰীয়ে কলে যে কিৰণ এটা চোকা ল'ৰা আৰু শিশু শ্ৰমিক ব্যৱহাৰ কৰাটো হ'ল আইন মতে দণ্ডনীয়। এই কথা শুনি মুহিকান্তই কলে, ''ছাৰ, মই এইবিলাক বুজি নাপাও। মই কেৱল পেটৰ ভোকহে বুজি পাও। কালিলৈ কি হব সেয়াও মই নাজানো। এসাজ খোৱাৰ পিছত পিছৰ সাজলৈ চিন্তা কৰিবলগীয়া হয়।''

এই কথা শুনি গিৰিধাৰীৰ বেয়া লাগিল যে আৰ্থিক পৰিস্থিতিৰ বাবে এজন চোকা ছাত্ৰই অধ্যয়ন এৰি দিবলগীয়া হৈছে। শেষত তেওঁ মুহিকান্তক আৰ্থিক সহায় কৰা কথা কলে, যদিহে কিৰণ পুণৰ স্কুললৈ উভতি আহে। মুহিকান্তৰ আত্মসম্মানে সেই প্ৰস্তাৱ গ্ৰহণ কৰাত বাধা দিলে।

হঠাতে গিৰিধাৰীয়ে বাৰান্দাত কিছু ধান বেলেগকৈ থোৱা দেখিবলৈ পালে। তেওঁ মুহিকান্তক সুধিলে, ''এইবিলাক কি? বেলেগকৈ কিয় থৈছা?''

''সেই বীজবিলাক অহাবছৰৰ বাবে সংৰক্ষিত কৰি থৈছো যাতে আমি সেইবিলাক সময়মতে লগাব পাৰো।'' মুহিকান্তই উত্তৰ দিলে।

গিৰিধাৰীয়ে এই কথা জানিছিল যে খেতিয়কে খাবলৈ নাপাই কষ্ট পালেও বীজৰ বাবে সাঁচি থোৱা শস্য কেতিয়াও ব্যৱহাৰ নকৰে। তেওঁ মনত এটা বুদ্ধি খেলাল। তেওঁ মুহিকান্তক সুধিলে, ''তুমি কৈছা যে দুবেলা দুমুঠি খোৱাত অসুবিধা হৈছে, কিন্তু তুমি অহাবছৰৰ বীজৰ বাবে ইমানখিনি ধান থৈ দিছা। তাৰে পৰা অলপ তুমি খাদ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰা দেখোন।'' গিৰিধাৰীয়ে মুহিকান্তক কলে।

''ছাৰ, আপুনি সম্ভৱ জানেই। সেইবিলাক অহাবছৰৰ বীজৰ বাবে সাঁচি থোৱা হৈছে। যদি সেইবিলাক আমি আহাৰ হিচাপে ব্যৱহাৰ কৰি শেষ কৰো, অহাবছৰ খেতি কৰিবৰ বাবে

আমাৰ হাতত বীজেই নাথাকিব।'' মুহিকান্তই কলে।

গিৰিধাৰীয়ে কিৰণক ওচৰলৈ মাতি তাৰ মূৰত হাত ফুৰাই দিলে। তাৰপিছত তেওঁ মুহিকান্ত আৰু তেওঁৰ পত্নীক বহিবলৈ কলে আৰু বুজালে, ''যেতিয়া আমি সন্তান জন্ম দিও, আমি সিঁহতক আমাৰ সম্পত্তি হিচাপে চিন্তা কৰো। কিন্তু প্ৰকৃতাৰ্থত, সিঁহত হ'ল আমাৰ দেশৰ সম্পত্তি। তোমাৰ কেৱল এবিঘাহে মাটি আছে। কিন্তু তথাপিও তুমি অতি সাৱধানেৰে বীজৰ বাবে শস্য সাঁচি থৈছা। এতিয়া সন্তানক বীজৰ ৰূপত কল্পনা কৰা। তেওঁলোকেই আমাৰ দেশৰ, আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে বীজৰ দৰে নহয় জানো? আমি সিঁহতৰ ভালদৰে সুৰক্ষা দি ৰাখিব নালাগে জানো? ভালদৰে পঢ়া-শুনা কৰিলে তোমাৰ সন্তান এজন ডাঙৰ মানুহ হব। যেতিয়া তুমি এটা বীজ সিঁচা, তুমি জানা যে তাৰপৰা কি গছ গজিব আৰু তাত কি ফল লাগিব। কিন্তু শিশু নামৰ এই বীজ বিলাক ডাঙৰ হৈ কি হব, সেয়া আমি কল্পনাও কৰিব নোৱাৰো। মই এই কথা ভাৱি আচৰিত হও যে তুমি কি চিন্তা কৰি তাৰ নাম কিৰণ ৰাখিলা। কিন্তু এই কথা মই অনুভৱ কৰিব পাৰো যে যদি সি মনপুতি অধ্যয়ন কৰে, তেন্তে সি কেৱল তোমাৰ পৰিয়ালৰ ক্ষেত্ৰতেই নহয়, দেশৰ বাবেই 'কিৰণ' হবলৈ সক্ষম হব। সেই আস্থা মোৰ তাৰ ওপৰত আছে। অনুগ্ৰহ কৰি মোৰ কথা চিন্তা কৰি চোৱা আৰু তাক কালিলৈৰ পৰা পুণৰ স্কুললৈ পঠিওৱা।''

গিৰিধাৰীৰ কথা শুনাৰ পিছত মুহিকান্তই ভাৱিবলৈ ধৰিলে। গিৰিধাৰীৰ কথাই তেওঁ মনত খুন্দিয়াই গৈছিল। তেওঁ ভৱিষ্যতৰ কথা চিন্তা কৰিলে আৰু এই সিদ্ধান্ত ললে যে পৰিয়ালৰ আৰ্থিক অৱস্থা যিয়েই নহওক কিয়, তেওঁ কিৰণক স্কুললৈ পঠিয়াব আৰু ডাঙৰ মানুহ কৰিব।

পিছদিনাখনৰ পৰাই কিৰণে পুণৰ স্কুললৈ যোৱা আৰম্ভ কৰিলে। ভালদৰে পঢ়া-শুনা কৰি সি এজন ডাঙৰ মানুহত পৰিণত হ'ল আৰু বহু ডেকাল'ৰাক সংস্থাপন পোৱাত সহায় কৰিলে।



বেটুপাতৰ কাহিনী – জটায়ুৰ সাহস

এই মাহত আমি এম টি ভি আচাৰ্যই অংকন কৰা এনে এখন বেটুপাত পুণৰ মুদ্ৰণ কৰিছো, যিখন ১৯৪৮ চনৰ জুলাই মাহত মূদ্ৰিত হৈছিল।

ৰামায়ণ কেৱল এটা সাধুকথা বা কাহিনীৰে ভৰা এখন মহাকাব্যই নহয়, ই আমাৰ ব্যক্তিগত প্ৰেৰণা আৰু ভাৰতীয় সংস্কৃতিৰো উৎস। ইয়াত নানা ধৰণৰ সৰু –ডাঙৰ চৰিত্ৰৰ উপস্থিতি দেখা যায়। তাৰে এটা সৰু অথচ মহত্বপূৰ্ণ চৰিত্ৰ হ'ল জটায়ু। জটায়ু কেৱল আকাৰতে ডাঙৰ নাছিল, তেওঁৰ সাহসো আছিল অসীম। যেতিয়া ৰাৱণে সীতাক হৰণ কৰি পুষ্পক ৰথেৰে লংকালৈ লৈ গৈ আছিল, তেতিয়া সীতাই কান্দি-কাতি অস্থিৰ হৈ পৰিছিল। সীতাৰ কান্দোনলৈ কেৰেপ নকৰি নানা ধৰণৰ পাহাৰ-পৰ্বত, নদ-নদী, অৰণ্য আদিৰ ওপৰেৰে ৰাৱণে সীতাক লৈ গৈ আছিল।

তেনে সময়তে এজোপা গছৰ তলত জিৰণি লৈ থকা জটায়ুৰে সীতাৰ কান্দোন শুনিবলৈ পালে। তেওঁ উৰা মাৰি গৈ ৰাৱণৰ ৰথৰ আগত ৰৈ ৰাৱণৰ গতিপথ ৰূদ্ধ কৰিলে। ৰজা দশৰথৰ পুৰণা বন্ধু জটায়ুৰে খঙত একো নাই হৈ ৰাৱণৰ লগত যুদ্ধ কৰিবলৈ সিদ্ধান্ত ললে। ঈগলৰ ৰজা হিচাপে তেওঁ প্ৰথমতে আন এজন ৰজা ৰাৱণক উদ্দেশি কলে যে ৰাৱণে যি কৰ্ম কৰিছে, সেয়া অন্যায়। জটায়ুৰ কথাত ক্ৰোধান্বিত হৈ ৰাৱণে জটায়ুক আক্ৰমণ কৰিলে। আকাশৰ ওপৰত এক তুমুল যুদ্ধৰ সূত্ৰপাত হ'ল। কান্দি থকা সীতাক ৰক্ষা কৰিবৰ বাবে জটায়ুৰে সাধ্যমতে যুদ্ধ কৰিলে। আক্ৰমণত ৰাৱণৰ ৰাজকীয় মুকুট তললৈ সৰি পৰিল। যুদ্ধত ৰাৱণে জটায়ুৰ দুয়োখন পাখি কাটি পেলালে। পাখিহীন জটায়ু তললৈ সৰি পৰিল আৰু ধীৰে ধীৰে মৃত্যু মুখলৈ গতি কৰিলে। জটায়ুৰ অৱস্থা দেখা পাই সীতাই সেই বিশাল পক্ষীক ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে যদিও জোৰ কৰি ৰাৱণে পুণৰ সীতাক পুষ্পক ৰথত তুলি লংকা অভিমুখে গমন কৰিলে। জটায়ুৰ বিৰুদ্ধে যুদ্ধত ৰাৱণে বিজয়প্ৰাপ্ত কৰিলেও, জটায়ুৰে সীতাক বিচাৰি আহা ৰাম আৰু লক্ষ্মণক এই বাতৰি দিলে যে লংকাৰাজ ৰাৱণে পুষ্পক ৰথত সীতাক হৰণ কৰি লৈ গৈছে।

বৃদ্ধাৱস্থা আনক সহায় কৰাৰ ক্ষেত্ৰত সমস্যা নহয় আৰু এই জটায়ুৰ কাহিনীয়ে আমাক ইয়াকে শিক্ষা দিয়ে যে আমি কোনোবা জন বিপদত পৰা দেখিলে নিশ্চয়কৈ সহায় কৰিবলৈ চেষ্টা কৰা উচিত।

– *সৌম্যা ভৰদ্বাজ*

মই কি হ'ব পাৰো?

যদি কাৰোবাৰ ওচৰত চিত্ৰ অংকন কৰিব পৰা ক্ষমতা জন্মগতভাৱে থাকে, তেন্তে তেওঁ পেশাদাৰী কাৰ্টুনিষ্ট হবলৈ চেষ্টা কৰিব পাৰে। এজন সফল কাৰ্টুনিষ্ট হবৰ বাবে প্ৰয়োজনীয় হ'ল লিখন, ৰঙৰ প্ৰয়োগ আদিৰ জ্ঞান বিকাশ কৰিব পৰাকৈ পেশাদাৰী প্ৰশিক্ষণ গ্ৰহণ কৰা। এজন কাৰ্টুনিষ্ট হ'ল এনে এজন লোক যি কাৰ্টুনৰ যোগেদি নিজৰ ভাৱনা, অনুভৱ তথা জ্ঞানৰ প্ৰতিফলন কৰে। প্ৰায় প্ৰতিখন বাতৰিকাকত, আলোচনী, ৱেবছাইটে নানা বিষয়ত মন্তব্য প্ৰকাশ কৰিবৰ বাবে কাৰ্টুনৰ সহায় লয়।

এজন কাৰ্টুনিষ্টৰ বহুটো গুণ থাকে। তেওঁৰ ছবি আকিব পৰাৰ এক জন্মগত প্ৰতিভা থাকে। তেওঁ কেৱল পৰিস্থিতিক ভালদৰে পৰ্যবেক্ষণ কৰিব পৰাতেই অভিজ্ঞ নহয়, তেওঁ নিজৰ চাৰিওফালৰ জগতখনত কি ঘটি আছে তাৰো পুংখানুপুংখ খবৰ ৰাখে। কোনো শব্দ আদিৰ প্ৰয়োগ নকৰাকৈ এখন ছবি বা ৰেখাচিত্ৰৰ সহায়েৰে এক গুৰুত্বপূৰ্ণ খবৰ বা বাতৰি প্ৰকাশ কৰাটো সহজ কথা নহয়। ই এক প্ৰত্যাহ্বানযুক্ত কাম। এনে কিছু কাৰ্টুনিষ্টে আছে যে যি কম্পিউটাৰৰ চফ্টৱেৰ ব্যৱহাৰ কৰি দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক ছবি অংকন কৰাৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। কাৰ্টুন আকিবৰ বাবে ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল– কলম, পেনচিল, চিয়াহী, মম–পেনচিল, ৱাটাৰকালাৰ ইত্যাদি।

যি সকল কাৰ্টুনিষ্টে কোনো নামী প্ৰতিষ্ঠানৰ পৰা প্ৰশিক্ষণ সম্পূৰ্ণ কৰে (যিবিলাক প্ৰতিষ্ঠান নেচনেল এচচিয়েচন অৱ স্কুলছ অৱ আৰ্ট এণ্ড ডিজাইনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত), তেওঁলোকে ভাল চাকৰি পোৱাৰ সম্ভাৱনা প্ৰৱল। লাহে লাহে কম্পিউটাৰৰ ব্যৱহাৰ বৃদ্ধি পাই অহা আৰু লগতে চিত্ৰ অংকন কৰাত সহায় কৰা নানা ধৰণৰ চফ্টৱেৰ উপলব্ধ হোৱাৰ বাবে কাৰ্টুনিষ্টসকলে নানাধৰণৰ কম্পিউটাৰ ব্যৱহাৰিতাৰ ক্ষেত্ৰটো প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰে। বাস্তৱিক জ্ঞান লাভ কৰাৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠানবিলাকে আগবঢ়োৱা ইন্টাৰ্ণশ্বিপেও এক বিশেষ ভূমিকা গ্ৰহণ কৰে।

ভাৰতত কাৰ্টুন অংকনৰ প্ৰশিক্ষণ প্ৰদান কৰা কেইটামান প্ৰতিষ্ঠান হ'ল–

- *Global School of Animation & Games, New Delhi*
- *National Institute of Design (NID, Ahmedabad)*
- *Arena Multimedia*
- *J.J School of Arts*
- *Indian Institute of Cartoonists*
- *Zee Institute of Creative Arts (ZICA)*
- *Industrial Design Center (IDC), IIT - Mumbai & Guwahati*
- *Academy of Animation and Gaming*

–ছাই

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৩৮

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা – ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ–৩৮ লিখা।

৪) তোমাৰ উত্তৰ ৩০ এপ্ৰিল ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ জুন মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

আৱিষ্কাৰৰ বিষয়ে কুইজ



১. সেইজন লোকৰ নাম কোৱা যি ১৮৫২ চনত যাত্ৰী এলিভেটৰ আৱিষ্কাৰ কৰিছিল।

২. ১৯৩৮ চনত কোনে প্ৰথমতে 'বল পইন্ট পেন' আৱিষ্কাৰ কৰিছিল?

৩. প্ৰেছাৰ কুকাৰৰ আৱিষ্কাৰক কোন?

৪. ১৯৮৯ত ৱৰ্লড ৱাইড ৱেবৰ সূচনা কৰা ব্যক্তিজন কোন?

৫. ৰিভলভাৰ কোনে আৱিষ্কাৰ কৰিছিল?

৬. এয়াৰ কণ্ডিশ্বনিং বা শীত–তাপ নিয়ন্ত্ৰক যন্ত্ৰৰ আৱিষ্কাৰকৰ নাম কোৱা।

৭. কোনে নিৰাপদ ৰেজৰ আৱিষ্কাৰ কৰিছিল?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ–৩৫, ডিচেম্বৰ ২০১১ চনৰ উত্তৰ:

১.বৈশিষ্ঠ, ২. আগস্ত্য, ৩. অত্ৰেয়, ৪. অষ্টবক্ৰ, ৫. চৰক, ৬. বিশ্বামিত্ৰ।

December'11 Winner: P. Madhumitha, Sai Nagar, Chintal, Hyderabad - 54

কৌতুক

"ছাগলীৰ গাখীৰে তোমাক ডেকা কৰি ৰাখিব।" ছাগলীৰ গাখীৰ খাবলৈ দি হেৰীৰ মাকে কলে।

"মিছা কথা নকবা। মই কেৱল চাৰি বছৰীয়া ছাগলীৰ ঠুতৰিত দাড়ি দেখা পাইছো।" হেৰীয়ে উত্তৰ দিলে।

চনু: "দেউতা, তোমাৰ বাবে এটা ভাল খবৰ আছে।"
"কি খবৰ?" দেউতাকে সুধিলে।
"মনত আছে যে মই পৰীক্ষাত পাছ কৰিলে তুমি এখন নতুন চাইকেল দি বুলি কৈছিলা? এইবছৰ মই তোমাৰ সেই খৰচ বচাই দিলো।" চনুৱে কলে।

এখন হোটেলত এক দম্পত্তিয়ে প্ৰৱেশ কৰিলে। মহিলাগৰাকীয়ে বিজুলিবাতিটো জ্বলায়েই কোঠাটোত এটা এন্দুৰ দেখি চিঞৰি উঠিল।

পতিয়ে লগে লগে কাউন্টাৰলৈ টেলিফোন কৰি কলে, "আমাৰ কোঠাত এটা এন্দুৰ আছে।"

"তাক তললৈ পঠিয়াই দিয়ক। সি ৰেজিষ্টাৰ কৰা দৰকাৰ।" কাউন্টাৰৰ লোকজনে কলে।

"মোৰ সন্তান অসাধাৰণ। তাৰ নিজস্ব চিন্তাধাৰা আছে। নহয়নে বাৰু?"

"হয়, বিশেষকৈ শব্দৰ বানানৰ ক্ষেত্ৰত।"

কেৱল পাই আৰু পাই!

বিশ্বাস কৰা হয় যে ইজিপ্তীয় সকলেই প্ৰথমে পাই তৈয়াৰ কৰিছিল। তেওঁলোকে এই পাই পাউৰুটিক বাদাম, মৌ আৰু ফলৰ লগত একেলগে সেকি তৈয়াৰ কৰিছিল। তুমি এই কথা জানানে যে ১৪ শ শতিকাত তৈয়াৰ কৰা পাইত চেনী ব্যৱহাৰ কৰা হোৱা নাছিল? সেইবিলাকক 'কফিন' বুলি কোৱা হৈছিল আৰু কেৱল ধাৰক হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। চেনী সেই সময়ত উপলব্ধ আছিল যদিও বৰ মূল্যৱান আৰু দুষ্প্ৰাপ্য আছিল।

মধ্যযুগত, পাইবিলাকক কেৱল এক সুস্বাদু খাদ্য হিচাপেই ব্যৱহাৰ কৰা হৈছিল এনে নহয়, সেইবিলাক আছিল বিনোদনৰো আহিলা। সেই পাইবিলাকক এনে ধৰণেৰে তৈয়াৰ কৰা হৈছিল যে কটাৰ লগে লগে তাৰ ভিতৰৰ পৰা জীয়া চৰাই উৰি গৈছিল। অতিথিসকলক আচৰিত কৰিবৰ বাবে আৰু লগতে আমোদ দিবৰ এনে বাবে কৰা হৈছিল।

১৭শ শতিকাত চাৰ্লছ প্ৰথম আৰু ৰাণী হেনৰীতাৰ সন্মানৰ বাবে এক ভোজমেলৰ আয়োজন কৰা হৈছিল। এটা প্ৰকাণ্ড পাই তেওঁলোকৰ আগত ৰখা হ'ল। ৰাণীয়ে সেইটো কটাৰ আগতেই তাৰ ভিতৰৰ পৰা এটা বাওনা ওলাই আহিল আৰু মূৰ দোৱাই ৰজা-ৰাণীক সন্মান প্ৰদৰ্শন কৰিলে।

মাৰ্ক টোৱেইন পাইৰ বৰ ভক্ত আছিল। কথিত আছে যে তেওঁৰ ঘৰৰ কাম কৰা ল'ৰা আৰু বন্ধু কাটি লিয়েৰীয়ে তেওঁৰ বাবে বিশেষভাৱে হাকলবৰী পাই তৈয়াৰ কৰিছিল। দুপৰীয়াৰ আহাৰৰ বাবে টোৱেইনৰ বাহিৰলৈ যোৱাৰ স্বভাৱ আছিল আৰু এই স্বভাৱ নাইকীয়া কৰিবলৈ এনে কৰা হৈছিল।

পাইৰ আন এজন মহান ভক্ত হ'ল জেমছ বুচানন ব্ৰেডি। এও এজন পৃথিৱী বিখ্যাত লুভীয়া মানুহ। ব্ৰেডে খোৱা টেবুলৰ পৰা ছয় ইঞ্চি দূৰত বহি পাই (কেৱল পাইয়েই নহয়) খাবলৈ আৰম্ভ কৰিছিল আৰু তেওঁৰ পেট ফুলি গৈ টেবুলত নালাগে মানে খায়েই আছিল।

চুফলাই পাই হ'ল এনে এক প্ৰকাৰৰ পাই যাক 'মোলাছেছ' আৰু 'ব্ৰাউন চুগাৰ'ৰ পৰা তৈয়াৰ কৰা হয়। এই নাম পাইয়ে কেনেকৈ লাভ কৰিলে? কোৱা হয় যে যিহেতু এই পাই মলাছেছৰ পৰা তৈয়াৰ কৰা হয়, গতিকে ই সহজতে মাখিক আকৰ্ষণ কৰে আৰু ৰান্ধনীয়ে 'চু'কৈ মাখি খেদাই থাকিবলগীয়া হয়।

মিনচ পাই 'ৰেইচিন'ৰ দৰে শুকান ফল আৰু কোনো প্ৰকাৰৰ মাংসৰ পৰা তৈয়াৰ কৰা হয়। সেইবিলাকক পৰম্পৰাগতভাৱে বৰদিন আৰু নৱবৰ্ষৰ সময়ত ভোজন কৰা হয়। এই পাইক 'ফাদাৰ বৰদিন'ৰ প্ৰিয় খাদ্য বুলি গণ্য কৰা হয়। শিশুসকলে এখন প্লেটত মিনচ পাই লৈ সেইবিলাকক চিমনীৰ তলত এৰি থৈ যায়।

ক্ৰীম পাইসমূহ সাধাৰণতে কণী, গাখীৰ, ক্ৰীম আৰু ময়দাৰে তৈয়াৰ কৰা হয়। ক্ৰীম পাইক ৰাজনৈতিক প্ৰতিবাদৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। ক্ৰীম পাইক কাৰোবাৰ মুখলৈ লক্ষ্য কৰি দলিওৱা প্ৰায়েই দেখা যায়। এই কাৰ্যক 'পাইয়িং' বুলি অভিহিত কৰা হয়।

গ্ৰাছহপাৰ পাই বা ফৰিং পাই হ'ল সেউজীয়া ৰঙৰ পাই। এই পাইৰ আৰম্ভণি হয় ১৯৫০ চনত আমেৰিকাত। এই নাম সেই সময়ৰ বিখ্যাত এক ফৰিঙৰ পৰা লোৱা হয় যাৰ ৰং আছিল সেউজীয়া। ২০শ শতিকাৰ আৰম্ভণিতে সঁচাকৈয়ে ফিলিপাইনছত মচমচীয়া পাই বনাবৰ বাবে ফৰিং ব্যৱহাৰ কৰা হৈছিল।

আমাৰ মৰমৰ চিঙৰাকো এক প্ৰকাৰৰ পাই বুলিয়েই গণ্য কৰা হয়। চিঙৰাৰ ভিতৰত আলু, মটৰ, মাংস, মছলাকে ধৰি নানা ধৰণৰ খোৱাবস্তু ভৰাই দিয়া হয়। গৰম গৰম মচমচীয়া চিঙৰা হ'ল দক্ষিণ এছিয়াৰ এক জনপ্ৰিয় খাদ্য।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	Who waits for that?	I couldn't see.
Assamese	তালৈ কোন ৰৈ থাকে?	মই দেখা পোৱা নাই।
Telugu	దానికోసం ఎవరు వేచి ఉంటారు? থানিকছাম ইভাক ভিয়েচি উন্তানচাক?	నేను చూడలేదు. নিনু চৌডালিয়েধু।
Tamil	யார் அதற்காகக் காத்திருக்கிறார்கள்? য়াৰ অথৰকগ কাথিকক্কিবাৰগাল?	என்னால் பார்க்க முடியவில்லை. ইন্নাল পাৰক্কা মুডিয়াভিল্লাই।
Bengali	তার জন্য কে অপেক্ষা করবে? তাৰ জন্য কে অপেক্ষা কৰবে?	আমি দেখতে পাই নি। আমি দেখতে পাইনা।
Marathi	पण तिची वाट कोण बघेल? পান তিচি ভত কন বাঘেল?	मी बघू शकलो/शकले नाही. মি বাঘু সকলো/সকলে নাহি।
Kannada	ಅದಕ್ಕೆ ಯಾರು ಕಾಯುತ್ತಾರೆ? অডাকে য়াৰু কায়ুত্ত্ৰে?	ನನಗೆ ನೋಡಲಾಗಲಿಲ್ಲ নানাগে নিউডালাগালিল্লা।
Oriya	କିଏ ସେଥିପାଇଁ ଅପେକ୍ଷା କରିଛନ୍ତି? কেই সেথিপাইয়েন অপেক্ষা কৰিছন্তি?	ମୁଁ ଦେଖିପାରି ନ ଥିଲି। মুন দেখিপাৰি না থিলি।
Gujarati	તેની કોણ રાહ જુએ છે. তেনি কনে ৰাহ জুৱে ছি?	હું જોઈ શક્યો/શકી નહીં. হুন জয়ে চক্যু/চাকি নাহিন।
Hindi	इसके लिये कौन रुकेगा? ইছকে লিয়ে কৌন ৰুকেগা?	मैं नहीं देख पाया / पाई। মে নেহি দেখ পায়া/পায়ী।(
Malayalam	അതിന് ആര് കാത്തുനിൽക്കും? অথিনু আৰু কাথুনিল্কুম?	എനിക്ക് കാണാൻ കഴിഞ്ഞില്ല. ইনিক্কু কানন কাজিনজিলা।
Santali	ᱚᱱᱟ ᱚᱠᱮ ᱤ ᱴᱟᱝᱜᱤ ᱚᱠᱟᱰ-ᱟ? অনা অকে ই টাংগি অকাড–অ?	ᱵᱟᱧ ᱧᱮᱞ ᱫᱟᱲᱮ ᱮᱫᱮᱭᱟ। বাঞ নেল ডালে এডেয়া।
Sanskrit	तदर्थं कः प्रतीक्षते? তদৰ্থ কহ প্ৰতীক্ষাতে?	अहं द्रष्टुं न शक्तवान्/ शक्तवती। অহম দ্ৰষ্টুম না শক্তবান/শক্তবতী।

English	I woke up late.	I couldn't get the bus.
Assamese	মই দেৰীকৈ শুই উঠিছিলো।	মই বাছখন ধৰিব নোৱাৰিলো।
Telugu	నేను ఆలస్యంగా నిద్రలేచాను. নিনু আলস্যামাগা নিধ্ৰালিয়েচানু.	నేను బస్సు అందుకోలేకపోయాను. নিনু বাসু অমডুকোলিকপয়ানু
Tamil	நான் தாமதமாகக் கண் விழித்தேன். নান থামাধামাগা কাণ ভিজিথান.	எனக்கு பஸ் கிடைக்கவில்லை. ইনাক্কু বাছ কিডাইক্কাভিলাই.
Bengali	আমি দেরীতে ঘুম থেকে উঠেছি। আমি দেৰিতে ঘুম থেকে উথেছি।	আমি বাসটা ধরতে পারিনি। আমি বাছটা ধৰিতে পাৰিনি।
Marathi	मी उशिरा उठलो/उठले. মি উচিৰ উথলো/উথালে.	मला ती बस मिळू शकली नाही. মালা তি বাছ মিলু সকালি নাহি.
Kannada	ನಾನು ತಡವಾಗಿ ಎದ್ದೆ নানু তাডাভাগী ইডে.	ನನಗೆ ಬಸ್ಸು ಹಿಡಿಯಲಾಗಲಿಲ್ಲ নানাগে বাছু হিডিয়ালাগলিল্লা.
Oriya	ମୁଁ ବିଳମ୍ବରେ ଉଠିଲି। মুন বিলম্বৰে উথলি।	ମୁଁ ବସ୍ ପାଇପାରିଲି ନାହିଁ। মুন বাছ পাইপাৰিলি নাহি।
Gujarati	હું મોડેથી ઉઠ્યો/ઉઠી. হুন মুডিথি উঠয়ো/উঠি.	હું બસ મેળવી શક્યો/શકી નહીં. হুন বাছ মেলাভি চকয়ু/চাকি নাহিন.
Hindi	मैं देर से उठा / उठी। মে দেৰ চে উঠা/উঠী.	मुझे बस नहीं मिली। মুঝে বাছ নেহী মিলি.
Malayalam	ഞാൻ വൈകിയാണ് എണീറ്റത്. ঞান ভইকিয়ানু ইনি ট্ৰথু.	എനിക്ക് ബസ് കിട്ടിയില്ല. ইনিক্কু বাছ কিট্টিয়িল্লা.
Santali	ᱵᱤᱞᱚᱢ ᱠᱟᱴᱤᱧ ᱵᱮᱨᱮᱫ ᱤᱧ। বিলম কাটিঞ বেৰেড ইন.	ᱵᱚᱥ ᱵᱟᱧ ᱧᱟᱢ ᱞᱮᱜ-ᱟ। বছ বঞ নম লেগ–অ.
Sanskrit	अहं विलम्बेन उत्थितवान्/उत्थितवती। অহম বিল্বম্বেন উথিতৱম/উথিতৱতী।	बसयानं प्राप्तुं न शक्तः/शक्ता বসয়নম প্ৰপ্তুম ন শক্তহ/শক্ত।

ফলৰ ৰজা

মেংগ নামটো তামিল শব্দ 'মেন-কে' বা 'মেনগে'ৰ পৰা উৎপত্তি হোৱা। পৰ্তুগীজসকলে তামিল নামটো উচ্চাৰণ কৰিব নোৱাৰি তাক 'মেনগা'লৈ ৰূপান্তৰিত কৰিলে। পিছত বৃটিছসকলে ইয়াক 'মেংগ' বুলি কবলৈ আৰম্ভ কৰে। তেওঁলোকেই নানা ধৰণৰ 'হাইব্ৰীড' প্ৰজাতি সৃষ্টি কৰাটো আৰম্ভ কৰে। বৰ্তমান কালৰ এক বিখ্যাত প্ৰকাৰ 'এলফানছ' বা মুলগোৱা হ'ল তেওঁলোকৰ এনে প্ৰচেষ্টাৰ ফল। কল্পনা কৰা, যিক্ষেত্ৰত ভাৰতীয়সকলে ৩০০০ বছৰ ধৰি এই ফলৰ সোৱাদ লৈ আহিছিল, পশ্চিমীয়া দেশৰ লোকে ইয়াক যোৱা ৩০০ বছৰৰ পৰাহে ব্যৱহাৰ কৰা আৰম্ভ কৰে। বৃহদাৰণ্যক উপনিষদটো আমৰ উল্লেখ আছে। কেইবাটাও নাম ব্যবহাৰ কৰি ইয়াক বুজোৱা হয়- অম্ৰ, চুথা, ৰসলা, সহকৰ। পশ্চিম আৰু দক্ষিণ ভাৰতৰ বহু অঞ্চলত ফলৰ ৰজা আমক শুভ চিহ্ন হিচাপে গণ্য কৰা হয়। অপশক্তিক আঁতৰাই ৰাখিবৰ বাবে ঘৰৰ দুৱাৰৰ ওপৰত আমৰ পাত ৰখা হয়। আম গছ প্ৰেমৰ দেৱতা 'মন্মথ'ৰ লগত সম্পৰ্কিত। ই ভাৰতত ইমানেই গুৰুত্বপূৰ্ণ ফল যে ইয়াৰ আসন এটা ফলতকৈ বহু ওপৰত।

শিশুৰ বাবে এক সপোন

কেৰেলাৰ ৱায়নাডত অৱস্থিত 'সপোন' নামৰ এখন স্কুলে পৰম্পৰাগত শিক্ষা পদ্ধতি বিপৰীতে এক নতুন পদক্ষেপ লৈছে। এই স্কুল ১৯৯৩ চনত কেৱল ৩০ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হয়। বৰ্তমান প্ৰায় ৮০০ জন ছাত্ৰ-ছাত্ৰী ইয়াৰ গুৰুকুলত বাস কৰে। শিশুসকলক তেওঁলোকৰ বয়স আৰু সক্ষমতা অনুযায়ী নানা গোটত ভাগ কৰা হয়। প্ৰতিটো শিশুৱেই দিনটোৰ কিছুসময় খেতিৰ পথাৰ, পাকঘৰ আৰু কাপোৰ চিলোৱা কোঠাত কটাবলগীয়া হয়। তেওঁলোকক কেৰেলাৰ প্ৰচীন সমৰ কলা কালাৰিপয়েট্টুৰ শিক্ষাও প্ৰদান কৰা হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলক একাদশ আৰু দ্বাদশ শ্ৰেণীৰ মুকলি পৰীক্ষাৰ বাবেও প্ৰশিক্ষণ প্ৰদান কৰা হয়। এইবিলাক কাৰ্যই তেওঁলোকক নানা ধৰণৰ ক্ষেত্ৰত উপযুক্ত সংস্থাপন লাভ কৰাত সহায় কৰিছে। কেৰেলাৰ বিখ্যাত কবি, সাহিত্যিক, শিক্ষাবিদ, সংগীতজ্ঞ আদিয়ে নিয়মিতভাৱে এই স্কুল ভ্ৰমণ কৰি ছাত্ৰ-ছাত্ৰীসকলক নান্য ধৰণৰ শিল্পকলা আদিৰ বিষয়ে শিক্ষাদান কৰে। অপৰম্পৰাগত ধৰণেৰ শিক্ষা প্ৰদান কৰা এই স্কুলৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাই আহিছে।


CHANDAMAMA'S
Ramayana
An Epic Journey
CHANDAMAMA'S
Ramayana
Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.
Price: Rs 449/-
To place an order, go to www.chandamama.com
Chandamama's Ramayana is available only in English at all leading book shops.

ৰসিক মানুহ

বীৰবল

সত্যতা আৰু অসত্যতা



১. এদিন বীৰবলে আকবৰক বৰ চিন্তিত অৱস্থাত দেখা পালে। তেওঁ সম্রাটক সম্ভাষণ জনাই উত্তৰৰ বাবে ৰৈ থাকিল। তেওঁ বুজিব নোৱাৰিলে যে কি কাৰণত সম্রাট ইমান চিন্তিত হৈ আছে।

২. আকবৰে বীৰবললৈ চাই সুধিলে, ''বীৰবল, তুমি মোক কব পাৰানে যে সত্যতা আৰু অসত্যতাৰ মাজত পাৰ্থক্য কি?'' সম্রাটৰ প্ৰশ্ন শুনি বীৰবলে ক্ষন্তেক চিন্তা কৰিলে।



৩. অলপ সময়ৰ পিছত তেওঁ উত্তৰ দিলে, ''জাহাপানাহ, কেৱল চাৰি ইঞ্চি।'' সম্রাটে যেন নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰিলে। ''কি?'' তেওঁ চিঞৰি উঠিল।

৪. সম্রাটৰ খং উঠি আহিছিল। ''অপদাৰ্থ, মই তোমাক এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন সুধিছো আৰু তুমি ধেমালি কৰিছা ?'' সম্রাটৰ খং দেখি বীৰবল অলপ পৰ মনে মনে থাকিল।

৫. তাৰপিছত তেওঁ বিনয়েৰে কলে, ''মই ধেমালি কৰা নাই জাহাপানাহ। সত্যতা আৰু অসত্যতাৰ মাজৰ পাৰ্থক্য কেৱল চাৰি ইঞ্চি। মই তেনেকৈয়ে ভাৱো।''

৬. আকবৰৰ খং তেতিয়াও মাৰ যোৱা নাছিল। ''তুমি কি বুজাব বিচাৰিছা। যদি তুমি উত্তৰটো নাজানাই, তেন্তে মনে মনে থাকা।'' ''মই ব্যাখ্যা কৰিছো জাহাপানাহ।'' বীৰবলে কলে।

৭. ''জাহাপানাহ, মই যি চকুৰে দেখো সেয়া সত্য, যি কথা কাণেৰে শুনো সেই কথা অসত্যও হব পাৰে।'' বীৰবলে কলে। সম্রাটে ঠিক একো বুজিব নোৱাৰিলে।

৮. ''তেন্তে তুমি চাৰি ইঞ্চি বুলি কিয় কৈছা?'' আকবৰে প্ৰশ্ন কৰিলে। ''জাহাপানাহ, কাণৰ পৰা চকুৰ দূৰত্ব কেৱল চাৰি ইঞ্চি। মই তাকেই কৈছিলো।'' বীৰবলে ব্যাখ্যা কৰিলে।



৯. আকবৰে বীৰবলে তেনেকৈ কোৱাৰ অৰ্থ বুজি পাই হাঁহি মাৰি কলে, ''মই তেনেকৈ ভৱাই নাছিলো। হা..হা.. তুমি বৰ বুদ্ধিমান।'' সম্রাটৰ কথাত বীৰবলে মাথো হাঁহিলে।

পানীৰ কিছুমান বিশেষ ধৰ্ম আছে। সেইবিলাকৰ ভিতৰত এটা হ'ল– শূণ্য ডিগ্ৰী ছেন্টিগ্ৰেডত ই বৰফ হৈ পৰে। যি কি নহওক, বৈ থকা পানী সেই উষ্ণতাত গোট নামাৰে। ইয়াৰ কাৰণ হ'ল, বেগেৰে বৈ থকা পানীত বেছি বায়ু থাকে আৰু তাৰ বাবে ইয়াৰ বৰফীকৰণ বিন্দু আৰু অধিক কম হৈ পৰে। তাৰোপৰি, বৰফৰ ক্ৰিষ্টেল সৃষ্টি হোৱাৰ লগে লগে বোৱতী পানীৰ সোঁতে সেইবিলাক ভাঙি পেলায়। বৈ থকা পানীত শক্তিৰ সৃষ্টি হয়, যি পানীক তাৰ তৰল অৱস্থাত থকাত সহায় কৰে।

তুমি লক্ষ্য কৰি আহিছা যে ৰিফ্ৰিজেটৰত থোৱা পানী অতিপাত ঠাণ্ডা হলেও গোট নামাৰে। ইয়াৰ কাৰণ এয়ে যে ৰিফ্ৰিজেটৰৰ ভিতৰৰ উষ্ণতা নিয়ন্ত্ৰিত কৰি ৰখা হয় আৰু কেতিয়াও শূণ্য ডিগ্ৰী নাপাইগৈ। সেই একেই পানী যেতিয়া ৰিফ্ৰিজেটৰৰ ফ্ৰিজাৰ বাকচত থোৱা হয়, তেতিয়া সহজতেই গোট মাৰে, কিয়নো সেই বাকচৰ ভিতৰৰ উষ্ণতা বেছ কম।

গুপ্তধনৰ বাকচ

এই মাহত আমি উত্তৰ ভাৰতত থকা কিছুমান কিৰ্তীচিহ্নৰ ছবিৰে এখন স্ক্ৰেপ বুক তৈয়াৰ কৰো আঁহা।



ৰংমহল, হিমাচল প্ৰদেশ



হৰি প্ৰভাত দুৰ্গ, কাশ্মীৰ



হাৱা মহল, ৰাজস্থান



স্বৰ্ণমন্দিৰ, পঞ্জাব

বদ্ৰীনাথ মন্দিৰ, উত্তৰাখণ্ড



লালকিল্লা, নতুন দিল্লী

Chandamama

Art Book

'Chandamama Art Book' brought back my childhood memories. Illustrations by artists Vaddadi Papayya garu, Sankar, Chitra, MTV Acharya are pretty to look at, a healthy treat to the eyes that leaves a wonderful impression on my mind. This 'art book' experiment, with quality printing, looking lovely, is an extraordinary gift to art lovers. It is a precious treasure that is worth keeping forever.

With Best Wishes,
P. Sreeramachandra Murthy, Tenali, AP

Order Now

2 Volumes



₹ 1500/-

Log on to: **www.chandamama.com** or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) March 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12